# বিলাসীপাৰা মহকুমাৰ পূৱ অঞ্চলৰ কথিত ভাষা ঃ এক সমাজতাত্ত্বিক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাত এম.ফিল
ডিগ্ৰীৰ বাবে অসমীয়া বিভাগৰ পৰা
নিবেদিত গৱেষণা গ্ৰন্থ

শাৰমিন আৰা ৰহমান
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
২০১৭

# BILASIPARĀ MAHAKUMĀR PUB ANCHALAR KATHITA BHASĀ : EK XOMĀJTATWIK ADHYAYAN

A Dissertation submitted to Bodoland University, Kokrajhar for the Degree of Master of Philosophy in the Subject of Assamese in the Faculty of Languages.


**SHARMIN ARA RAHMAN**
Department of Assamese
Bodoland University

2017
Roll No. MPL ASM-005

ড° নৱজ্যোতি শৰ্মা, এম.এ., পি এইচ. ডি
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
ভাষাগুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়
কোক্ৰাঝাৰ (বি.টি.চি.) অসম

**Dr. Navajyoti Sarmah,** M.A., Ph.D.
Associate Professor, Department of Assamese
Dean of Languages, Bodoland University.
Kokrajhar B.T.C. Assam, Pin-783370
M. No.- 9435849434
Email : navajyotinaju@gmail.com

Ref. No.......................... Date.................................

**Dr. Navajyoti Sarmah**
**Associate Professor, Assamese**

I have the pleasure to certify that M. Phil dissertation entitled **"Bilasipara Mahakumar Pub Anchalar Kathita Bhasha Ex xomajtatwik Adhayan"** has been prepared by Miss Sharmin Ara Rahman under my guidance and supervision. She has fulfilled all the requirements under the M. Phil Regulation of the Bodoland University. No part of the M. Phil dissertation has been published earlier. This dissertation has never been presented earlier for any degree or any such purpose to any University or Institution. This is an entirely fresh and original piece of research work.

(Navajyoti Sarmah)

## DECLARATION BY CANDIDATE

I hereby declare that this dissertation is my own work and effort and that it has not been submitted anywhere for any award. Where other sources of information have been used, they have been acknowledged.

Date-

(Sharmin Ara Rahman)
Deptt. of Assamese
Regd. No. 001986 of 2016-17

# আগকথা

ভাষা সংস্কৃতিৰ আলোচনা তথা গৱেষণাই সুদীৰ্ঘকাল ধৰি অনুসন্ধিৎসু মনক অকল আকৰ্ষণ কৰাই নহয়, ই বহুভাষিক আৰু ভিন্ন জাতি গোষ্ঠীৰ সমন্বয় আৰু সমাহৰণৰ তাত্ত্বিক দিশ উন্মোচন কৰি বৃহত্তৰ জাতিসত্ত্বাৰ গঠনত ইতিবাচক ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন ভাষিক তথা ধৰ্মীয় গোষ্ঠীৰ মিলন ভূমি পূৱ বিলাসীপাৰা অঞ্চল জমিদাৰকালীন সময়ৰ পৰাই এক অনন্য অঞ্চল হিচাপে অসমভূমিত পৰিচিত। ৰাজবংশী, দেশী মুছলমান, তৎকালীন পূৰ্ববঙ্গৰ পৰা প্ৰব্ৰজিত পমুৱা (ভাটীয়া) মুছলমান আৰু অন্যান্য জনগোষ্ঠীৰ বাসভূমি পূৱ বিলাসীপাৰা অঞ্চলৰ ভাষিক বৈচিত্ৰ্য যি কোনো গৱেষকৰ বাবেই চিত্তাকৰ্ষক। এই অঞ্চলৰ ভাষিক অৱস্থান লৈ আজিলৈকে কোনো বিদ্যায়তনিক আৰু পূৰ্ণাঙ্গ আলোচনা হোৱা নাই। বিশেষকৈ সমাজ ভাষাতাত্ত্বিক আলোচনাই এই অঞ্চলৰ ভাষাৰ আলোচনাত নতুন পোহৰ পেলাব বুলি আমাৰ বিশ্বাস। প্ৰধানকৈ বঙ্গীয় প্ৰভাৱযুক্ত প্ৰব্ৰজিত মুছলমান সকলৰ স্থানীয় ৰাজবংশী আৰু দেশী মুছলমানৰ লগত সহাৱস্থান আৰু অসমীয়া জাতীয় জীৱনৰ লগত একীকৰণৰ প্ৰচেষ্টা প্ৰশংসনীয়। তেওঁলোকৰ ভাষাৰ বিষয়ে আলোচনা সময়ৰ জৰুৰী দাবী বুলি আমি অনুভৱ কৰোঁ।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এম, ফিল পাঠ্যক্ৰমৰ আংশিক প্ৰয়োজন পূৰ্তি উপলক্ষে হাতত লোৱা গৱেষণা কৰ্মৰ বাবে এই অঞ্চল বাছি লোৱাৰ উদ্দেশ্যও এয়াই। বিষয় সম্পৰ্কে পৰ্যাপ্ত প্ৰকাশিত গ্ৰন্থৰাজিৰ অভাৱ হেতু ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে আৰু প্ৰকাশিত কিছু গ্ৰন্থ,আলোচনী, সমীক্ষা, চৰকাৰী নথি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অপ্ৰকাশিত কিছু গৱেষণা গ্ৰন্থৰ সহায়ত এই প্ৰচেষ্টা লোৱা হৈছে।

অসমৰ জাতীয় জীৱন সমৃদ্ধ হ'ব তেতিয়াহে যেতিয়া ইয়াৰ বিভিন্ন অঞ্চলৰ লোকসমাজৰ মাজত এক পাৰস্পৰিক বুজাপৰা আৰু আন্তৰিকতা তত্ত্ব আৰু তথ্যপূৰ্ণ হব। এনে উদ্দেশ্য আগত ৰাখি ব্যক্তিগত সাধু প্ৰচেষ্টাৰে এই গৱেষণা গ্ৰন্থ যুগুত কৰা হ'ল।

শাৰমিন আৰা ৰহমান

চাপৰ, ধুবুৰী

# কৃতজ্ঞতা স্বীকাৰ

বিলাসীপাৰা মহকুমাৰ পূব অঞ্চলৰ কথিত ভাষা ঃ এক সমাজতাত্ত্বিক অধ্যয়ন শীৰ্ষক এম.ফিল পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ প্ৰস্তুতকৰণ কাৰ্য্যত বিষয় বাছনিৰ পৰা গৱেষণা গ্ৰন্থ প্ৰণয়নলৈকে সমস্ত দিশতে দিহা, পৰামৰ্শ শুধৰণি আদি প্ৰদানৰ বাবে তত্ত্বাবধায়ক তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক তথা ভাষাগুৰু ড০ নৰজ্যোতি শৰ্মা ছাৰৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰৈছোঁ।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড০ চুমী কলিতা বাইদেউ আৰু বিভাগীয় সহকাৰী অধ্যাপক ড০ বিভুতি লোচন শৰ্মা ছাৰলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ।

গৱেষণা কাৰ্য্যত নানা উপদেশ প্ৰদানৰ লগতে গ্ৰন্থাদিৰেও সহায় আগবঢ়োৱা মোৰ মামা তথা পি.বি.কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ আখতাৰুল ইছলাম, মোৰ মহা তথা হালাকুৰা কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰুফুলুদ্দিন সৰকাৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ বিভাগীয় প্ৰধান ড০ ফুকন চন্দ্ৰ বসুমতাৰী আৰু ড০ আজিজুৰ ৰহমান ছাৰলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাঁচিছো।

ক্ষেত্ৰ অধ্যয়নৰ সময়ত বিভিন্ন তথ্যপাতিৰ সন্ধান দি বংগমূলীয় লোকৰ পৰা আৰম্ভ কৰি কোচ-ৰাজবংশী জনগোষ্ঠীৰ আৰু দেশী মুছলমান বহু তথ্যদাতাই এই গৱেষকক উপকৃত কৰাৰ লগতে উৎসাহিতও কৰিছে। এওঁলোকৰ ভিতৰত নুৰ আলম মণ্ডল, জ্যোতি প্ৰসাদ সিংহ, অনুপমা ৰায়, পৰিবান নেছা বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি ব্যক্তিগত পুথিভঁৰালৰ পৰা গ্ৰন্থাদি যোগান দি শিক্ষাগুৰু আবু হানিফ শ্বেখ, আনোৱাৰ হুছেইন, ডম্বৰুধৰ ৰায় আদিয়ে সহায় আগবঢ়োৱা বাবে সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছো।

সৰুকালৰে পৰা শৈক্ষিক তথা জীৱনৰ প্ৰতিটো দিশত মোৰ দিক নিৰ্দেশকৰূপে থকা লগতে এই গৱেষণা কাৰ্যত নানা ভাৱে সহায় আগবঢ়োৱা মোৰ অতি মৰমৰ দেউতা মোঃ ছৈদুৰ ৰহমান আৰু মা আৰজুমান আৰা বেগমলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ প্ৰতিটো কামতে সহায় কৰি দিয়া মোৰ ভন্টী শ্বৰনম আৰু ভাইটী আশ্বিকুৰলৈ মৰম আৰু কৃতজ্ঞতা যাচিছোঁ। এই ছেগতে গৱেষক বন্ধুসকল আৰু মোৰ বন্ধু গোবিন্দ বৈশ্যলৈ কৃতজ্ঞতা জনাইছো।

শেষত গৱেষণা গ্ৰন্থখন নিয়াৰিকৈ ডি.টি.পি. কৰি দিয়াৰ বাবে ওৱাজেদুৰ ৰহমান খানলৈ ধন্যবাদ জনালোঁ।

শাৰমিন আৰা ৰহমান
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
২০১৭ বৰ্ষ

# সাংকেতিক চিহ্ন আৰু সংক্ষিপ্তৰূপ

সাংকেতিক চিহ্ন ঃ

| | | |
|---|---|---|
| / | ঃ | অথবা সূচক |
| 〉 | ঃ | এটাৰ পৰা হোৱা |
| 〈 | ঃ | এটাৰ পৰা অহা |
| — | ঃ | যোজক |
| = | ঃ | সমান সমান |
| () | ঃ | বন্ধনী |

সংক্ষিংপ্ত ৰূপ ঃ

| | | |
|---|---|---|
| অস | ঃ | অসমীয়া |
| পুঃ | ঃ | পুংলিংগ |
| স্ত্রী | ঃ | স্ত্রীলিংগ |
| ইং | ঃ | ইংৰাজী |
| খ্রী ঃ | ঃ | খ্রীষ্টাব্দ |
| মান্য | ঃ | মান্যার্থ |
| তুচ্ছ | ঃ | তুচ্ছার্থ |
| পৃ | ঃ | পৃষ্ঠা |
| সম্পাঃ | ঃ | সম্পাদক / সম্পাদনা |
| ১ম | ঃ | প্রথম |
| ২য় | ঃ | দ্বিতীয় |
| ৩য় | ঃ | তৃতীয় |
| ৪র্থী | ঃ | চতুর্থী |
| ৭মী | ঃ | সপ্তমী |
| অ ঃ | ঃ | অঘোষ |
| স ঃ | ঃ | সঘোষ |

# অৱতৰণিকা

০.০.১ ঃ **অৱতৰণিকা ঃ**

ভাষা সংস্কৃতিয়েই জাতিসত্তাৰ মূল পৰিচায়ক। সেইফালৰ পৰা অসমীয়া ভাষাৰ উপভাষাৰ যি বৈচিত্ৰ্য সেয়া যিকোনো অনুসন্ধিৎসুৰ বাবেই চমকপ্ৰদ অধ্যয়নৰ বিষয় ৰূপে পৰিগণিত হয়। অসমৰ বিভিন্ন জনজাতীয় ভাষা, উপভাষা আদিৰ অধ্যয়ন হৈছে আৰু সাম্প্ৰতিক কালতো হৈ আছে যদিও অসমীয়া ভাষাৰ উপভাষাৰ কিছুমান আঞ্চলিক ৰূপৰ সামগ্ৰিক অধ্যয়ন হ'বলৈ এতিয়াও বাকী আছে। অসমীয়া ভাষা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এক অন্যতম প্ৰধান ভাষা। এই ভাষা বিভিন্ন জাতি জনগোষ্ঠীৰ ভাষা সংস্কৃতি সহ-অৱস্থানৰ আৰু সংমিশ্ৰণৰ ফলত গঢ়ি উঠিছে। ৰাজনৈতিক কাৰণ, ভৌগোলিক অৱস্থিতি, জন-বসতিৰ গঠন প্ৰক্ৰিয়া, অৰ্থনৈতিক তথা সামাজিক শ্ৰেণী আদিৰ ওপৰত ভিত্তি কৰি ভাষাৰ স্বকীয়ৰূপ অৰ্থাৎ উপভাষাৰ সৃষ্টি হয়। অসমীয়া ভাষাৰো অঞ্চলভিত্তিক সুকীয়া ৰূপ থকা পৰিলক্ষিত হয়। এই আঞ্চলিক ৰূপ সমূহ প্ৰচলিত থকা ক্ষেত্ৰ অনুযায়ী বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে ইয়াৰ কিছুমান উপভাষিক অঞ্চল নিৰ্দেশ কৰিছে। এই বিভাজন অনুসৰি অসমীয়া ভাষাৰ উপভাষাক প্ৰধানকৈ উজনিৰ উপভাষা আৰু নামনিৰ উপভাষা-এই দুই ভাগত ভাগ কৰিছে। গ্ৰীয়াৰ্ছনৰ পিছতে বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক পূব অসমৰ ভাষা আৰু পশ্চিম অসমৰ ভাষা-ৰূপে বিভক্ত কৰাৰ লগতে ভাষাতাত্ত্বিক সাদৃশ্যতাৰ ভিত্তিত শদিয়াৰ পৰা গুৱাহাটীলৈ চলা ভাষাটোক পূব অসমৰ ভাষা আৰু কামৰূপ আৰু গোৱালপাৰাৰ ভাষাটোক পশ্চিম অসমৰ ভাষা বুলি অভিহিত কৰিছে। উপেন্দ্ৰনাথ গোস্বামীয়ে কাকতিৰ মতকেই সমৰ্থন কৰিছে। আনহাতে গোলক চন্দ্ৰ গোস্বামীয়ে এই ভাগ দুটাৰ সৈতে আৰু এটা মধ্য অসমৰ উপভাষা সংযোজন কৰি তিনিটা ভাগত অসমীয়া ভাষাৰ উপভাষাক বিভক্ত কৰিছে। ৰমেশ পাঠকে আকৌ অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে ঘাইকৈ তিনিটা ৰূপৰ কথা কৈছে-উজনি, কামৰূপী আৰু গোৱালপৰীয়া।

এই নামনি অসমৰে এক অন্যতম উল্লেখযোগ্য উপভাষা গোৱালপৰীয়া। এই ঔপভাষিক ৰূপটোৰো আকৌ কিছুমান আঞ্চলিক ক্ষুদ্ৰৰূপ পৰিলক্ষিত হয় আৰু পণ্ডিত বৰ্গই সিবোৰৰ শ্ৰেণীবিভাজন সম্পৰ্কে মতপোষণ কৰিছে। ৰমেশ পাঠকে গোৱালপৰীয়া উপভাষাক পূব আৰু পশ্চিম এই দুই আঞ্চলিক ৰূপত ভাগ কৰিছে। পূব গোৱালপৰীয়াৰ আকৌ অভয়াপুৰী

আৰু দুধৰৈ গোৱালপৰীয়াৰ আকৌ গৌৰীপুৰ আৰু শালকোচা-এই দুই ক্ষুদ্ৰ ৰূপত ভাগ কৰিছে। বীৰেন্দ্ৰ দত্তইও পূৱ আৰু পশ্চিমৰ বিভাগৰে গোৱালপৰীয়া উপভাষাৰ ৰূপ ভেদ কৰিছে। লগতে পশ্চিম গোৱালপাৰীয়াক গৌৰীপুৰীয়া আৰু শালকোচীয়া এই দুই ভাগত বিভক্ত কৰিছে। উল্লিখিত আঞ্চলিক ৰূপবোৰৰ ভাষিক ক্ষেত্ৰত স্বকীয় বৈশিষ্ট্যসমূহ সততে দৃষ্টিগোচৰ হয়। নৈ প্ৰধান অসমৰ বিস্তীৰ্ণ অঞ্চল চৰ-চাপৰিয়ে আৱৰি আছে আৰু এই চৰ-চাপৰিয়ে সমূহত পমুৱা বা অভিবাসী মুছলমান সকলে বসবাস কৰি আহিছে। সাম্প্ৰতিক সময়ত এই পমুৱা মুছলমানসকল সমগ্ৰ অসমৰ জিলা সমূহৰ সৰ্বত্ৰে নিজ আৱাসস্থল বনাই বসবাস কৰিবলৈ লৈছে। এইসকল লোকৰ ভাৱ বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা ভাষাটো হ'ল ভাটীয়া উপভাষা। এইভাষাটোৰ মূল পূৰ্ববংগীয় মৈমনসিঙীয়া উপভাষা যদিও অসমলৈ আহি নিগাজীকৈ থাকিবলৈ লৈ আৰু অসমীয়া ভাষাক মাতৃভাষা ৰূপে গ্ৰহণ কৰাৰ ফলশ্ৰুতিত অসমীয়া ভাষাৰ প্ৰভাৱ এই ভাষাত পৰাত কিছু স্বকীয়তা লাভ কৰিছে। বৰ্তমান এই ভাষাই অসমীয়া ভাষাৰ এটা সামাজিক জাতিগত উপভাষাৰ মৰ্যাদা পাইছে।

এই ভাটীয়া ভাষাৰ কিছু সাদৃশ্য গোৱালপৰীয়া উপভাষাৰ সৈতে দেখিবলৈ পোৱা যায়। সম্ভৱতঃ এই কাৰণেই উপেন ৰাভা হাকাচামে ভাটীয়া ভাষাটোক অসমীয়াৰ অথবা গোৱালপৰীয়া উপভাষাৰ স্থানীয় উপভাষা বা সামাজিক জাতিগত উপভাষা বুলি মতপোষণ কৰিছে। এইসকল অভিবাসী মুছলমান লোক শিক্ষা-দীক্ষাৰ মাধ্যম, অফিচ-আদালত, সভা-সমিতি তথা অন্য ভাষা-ভাষী লোকৰ সৈতে যোগাযোগৰ মাধ্যম হিচাপে অসমীয়া ব্যৱহাৰ কৰে যদিও ঘৰুৱা পৰিৱেশ বা নিজৰ মাজত নিজস্ব দোৱান অৰ্থাৎ ভাটীয়া ভাষাত কথা পাতে।

গোৱালপৰীয়া উপভাষাৰ কথ্যৰূপক আৰু পূৱ বিলাসীপাৰা অঞ্চলত প্ৰধানকৈ শালকোচীয়া কথ্য ৰূপটোক ব্যৱহাৰ কৰে। লগতে এই অঞ্চলত বসবাস কৰা অভিবাসী মুছলমান সকলে তেওঁলোকৰ মাতৃভাষা 'ভাটীয়া'ক নিজৰ মাজত ব্যৱহাৰ কৰে। পূৱ বিলাসীপাৰাৰ অঞ্চলসমূহৰ লোকৰ মাজত এই শালকোচীয়া আৰু ভাটীয়া ভাষাৰ প্ৰচলন আছে যদিও সামাজিক স্তৰভেদে বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত এই একেই ভাষাৰ বিভিন্ন ৰূপৰ অথবা প্ৰয়োগ দেখিবলৈ পোৱা যায়। আমাৰ গৱেষণা গ্ৰন্থখনত বিলাসীপাৰা মহকুমাৰ পূৱ অঞ্চলৰ কথ্য ভাষাৰ এক সমাজ ভাষা তাত্ত্বিক অধ্যয়ন আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ কথ্য ভাষাটি অসমীয়া ভাষাৰ এটি ঔপভাষিক ৰূপ। গোৱালপাৰীয়া উপভাষা অবিভক্ত গোৱালপাৰা জিলাত (বৰ্ত্তমানৰ ধুবুৰী, বঙাইগাওঁ, কোকৰাঝাৰ, চিৰাং জিলা) প্ৰচলন থকা হেতু এই নাম পাইছে। এই উপভাষাটোৰ আঞ্চলিক কথ্যৰূপবোৰৰ মাজত ভাষিক ক্ষেত্ৰত কিছু কিছু পাৰ্থক্য পৰিলক্ষিত হয়। এনে ভাষিক ভিন্নতা তথা বৈশিষ্ট্য পশ্চিম গোৱালপাৰীয়া বিভাগৰ অন্তৰ্গত শালকোচীয়া ৰূপটোৰ মাজত স্পষ্ট। তদনুৰূপ ভাটীয়া ভাষাৰো বহু কেইটা স্থানীয় ৰূপভেদ দেখিবলৈ পোৱা যায়।

আমাৰ প্ৰস্তাবিত গৱেষণা গ্ৰন্থখনত বিলাসীপাৰা মহকুমাৰ পূৱ অঞ্চলত বসবাস কৰা ৰাজবংশী দেশী আৰু ভাটীয়া মুছলমান সম্প্ৰদায়ৰ লোকৰ মাজত প্ৰচলিত কথ্যভাষা ৰূপৰ সমাজ তাত্বিক অধ্যয়ন কৰাৰ প্ৰযত্ন কৰা হ'ব।

শালকোচীয়া কথ্য ভাষাটিয়ে বিলাসীপাৰা মহকুমাৰ পূৱ অঞ্চলটোক সামৰি লৈছে। এই কথ্য ভাষাটোৰ সৈতে একেই বিভাগৰ পশ্চিমা গোৱালপৰীয়া অন্তৰ্গত গৌৰীপুৰীয়া আঞ্চলিক ৰূপটোৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত ক্ষেত্ৰতো যথেষ্ট সংখ্যক পাৰ্থক্য নাথাকিলেও কিছু পাৰ্থক্য স্পষ্টৰূপত দৃষ্টিগোচৰ হয়। তদুপৰি কামৰূপী উপভাষাৰ পশ্চিম অঞ্চলৰ প্ৰভাৱ এই কথ্য ভাষাত পৰা পৰিলক্ষিত হয়। এই আঞ্চলিক ৰূপটো গোৱালাৰীয়াৰ অন্যান্য আঞ্চলিক ৰূপৰ পৰা কিছু স্বকীয় বৈশিষ্ট্যৰে পৃথকতা দাবী কৰিব পাৰে।

আকৌ একো একোটা অঞ্চলত বসবাস কৰা বিভিন্ন শ্ৰেণীৰ লোকে একেটি আঞ্চলিক ভাষাৰ ব্যৱহাৰ কৰে যদিও অৰ্থনৈতিক স্তৰ, সামাজিক শ্ৰেণী, ধৰ্ম আদিৰ ভিত্তিত একোটি ভাষাৰ ব্যৱহাৰত ভিন্নতা আহি পৰে। সমাজৰ বিভিন্ন স্তৰ বা ক্ষেত্ৰত ব্যৱহৃত স্বকীয় পৃথক ৰূপবোৰ ধৰ্ম, জীৱিকা, বৰ্ণ, অৰ্থনৈতিক অৱস্থা আদিৰ ওপৰত ভিত্তি কৰি সৃষ্টি হয়। একেদৰেই পূৱ বিলাসীপাৰাত প্ৰচলন থকা কথ্য ভাষাৰো লোক স্তৰভেদে ভিন্নতা সৃষ্টি হোৱা স্বাভাবিক। এই অঞ্চলত ব্যৱহৃত ভাষাৰ কথ্যৰূপৰ সামাজিক স্তৰ ভেদে ভিন্ন প্ৰয়োগ সম্পৰ্কে অধ্যয়নৰ যথেষ্ট অৱকাশ আছে। এই সুযোগৰ প্ৰতি লক্ষ্য কৰিয়ে পূৱ বিলাসীপাৰা অঞ্চলৰ ভাষাটোৰ কথ্য ৰূপৰ সমাজতাত্বিক অধ্যয়নৰ কথা ভৱা হৈছে।

০.০.২ ঃ **গৱেষণা উদ্দেশ্য আৰু লক্ষ্য ঃ**

ভাৱপ্ৰকাশত সৰ্বোৎকৃষ্ট মাধ্যমৰূপী ভাষা হ'ল সংস্কৃতিৰ একমাত্ৰ ধাৰক আৰু বাহক। সেই ফালৰ পৰা অসমীয়া ভাষাটোৰ ৰোৱতী সুঁতিটিক গতিশীলতা দান কৰাৰ ক্ষেত্ৰত ভাষাটো স্থানীয় ভাষিক ৰূপৰো অৱদান অনস্বীকাৰ্য। গতিকে মান্য ভাষাৰ অধ্যয়ন সম্পূৰ্ণ কৰাৰ অংশ ৰূপে শালকোচীয়া ভাষাৰূপটোৰো অধ্যয়নৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। পণ্ডিত সমাজত কিন্তু বিস্তৃত আলোচনাৰ ক্ষেত্ৰত উপেক্ষিত ভাষাৰূপটোৰ লগত সুধি সমাজৰ দৃষ্টি আকৰ্ষণ আমাৰ এই অধ্যয়নৰ আন এক উদ্দেশ্য। ভাষাটোৰ সমাজতাত্বিক অধ্যয়নৰ যোগেদি প্ৰত্যন্ত অঞ্চলটোৰ সবিশেষ লগতে মূল সুঁতিৰ লগত ইয়াৰ সম্পৰ্কৰ বিষয়েও জানিব পৰা হ'ব।

০.০.৩ ঃ **গৱেষণাৰ পৰিসৰ ঃ**

আমাৰ প্ৰস্তাৱিত অধ্যয়নত বিলাসীপাৰা মহকুমাৰ পূৱ অঞ্চল বিশেষকৈ পশ্চিমে পাণবাৰীৰ পৰা পূৱে চাপৰ-বহলপুৰলৈ আৰু উত্তৰে সাপটগ্ৰামৰ পৰা হাতীপোতা, মাশানৰআলাগাৰ চৰলৈ এই অঞ্চলত প্ৰচলিত কথিত ভাষাৰূপটিক আলোচনাৰ বিষয়বস্তুৰূপে গ্ৰহণ কৰা হৈছে। প্ৰস্তুত অঞ্চলটোত বসবাস কৰা ৰাজবংশী, দেশী আৰু অভিবাসী মুছলমান সম্প্ৰদায়ৰ সামাজিক জীৱন আৰু ভিন্ন ভাষিক ৰূপত সিবোৰৰ প্ৰকাশভংগীক আমাৰ অধ্যয়নৰ পৰিসৰৰ ভিতৰত সামৰি লোৱা হ'ব। সামাজিক প্ৰেক্ষাপটত ভাষিক ভিন্নতা অধ্যয়ন কৰিবলৈ যাওঁতে আৰ্থসামাজিক সাংস্কৃতিক আদি দিশলৈও দৃষ্টিনিক্ষেপ কৰা হ'ব।

০.০.৪ ঃ **অধ্যয়নৰ প্ৰমেয় ঃ**

১। শালকোচীয়া অঞ্চলটোৰ ভাষাটোত ভাটীয়া ভাষাৰ প্ৰভাৱ পৰিছে।

২। শালকোচীয়া কথিত ভাষাটো গৌৰীপুৰ অঞ্চলৰ ভাষাটিতকৈ সুকীয়া বৈশিষ্টৰে গঠিত।

৩। শালকোচীয়া অঞ্চলটোৰ ভাষাটোত বিভিন্ন সম্প্ৰদায়ৰ কথিত ভাষাৰ অৱদান পৰিলক্ষিত হয়।

৪। শিক্ষা-দীক্ষাৰ প্ৰসাৰ, ৰাজনৈতিক সচেতনতা, যোগাযোগ মাধ্যমৰ উন্নতি আদি কাৰণত সামাজিক সহাৱস্থান সম্ভৱ হৈছে আৰু ইয়াৰ ফলশ্ৰুতিত ভাষিক সংমিশ্ৰণ ঘটিছে।

০.০.৫ ঃ **গৱেষণাৰ পদ্ধতি আৰু আৰ্হি ঃ**

আমাৰ প্ৰস্তাৱিত অধ্যয়নত মূলত ক্ষেত্ৰ অধ্যয়নক কেন্দ্ৰ কৰি আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। প্ৰাপ্ত সমলৰ ভিত্তিত বৰ্ণনাত্মক আৰু তুলনাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব। অৱশ্যে প্ৰয়োজন সাপেক্ষে বিষয়বস্তুৰ সামগ্ৰীক মূল্যায়নৰ ক্ষেত্ৰত পূৰ্বকৃত অধ্যয়ন সমলৰ ভিত্তিত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

০.০.৬ ঃ **অধ্যয়নৰ সমল ঃ**

প্ৰস্তাৱিত গৱেষণা গ্ৰন্থত মূখ্য সমল হিচাপে ক্ষেত্ৰ অধ্যয়নত পোৱা সমল সমূহক সামৰি লোৱা হৈছে। উল্লেখিত সমলসমূহ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ প্ৰয়োজন অনুসাৰে গৌণ সমলৰো সহায় লোৱা হ'ব। গৌণ উৎসৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতৰ প্ৰকাশিত গ্ৰন্থ, আলোচনী চৰকাৰী নথি পত্ৰ ইন্টাৰনেট আদিৰ সহায় লোৱা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ সময়ত কেমেৰা, টেপৰেৰ্ডাৰ আদি ব্যৱহাৰ কৰা হৈছে।

০.০.৭ **গৱেষণা সম্পৰ্কে কৰা অধ্যয়ণ সমীক্ষা ঃ**

পূৱ বিলাসীপাৰা অঞ্চলত প্ৰচলিত কথ্য ভাষাৰূপৰ যিদৰে চিন্তা চৰ্চা হ'ব লাগিছিল তেনেদৰে হোৱা নাই। কেৱলমাত্ৰ বিভিন্ন পণ্ডিত কৰ্তৃক গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ৰূপভেদ দেখুৱাওঁতে তেওঁলোকৰ বিভিন্ন আলোচনী, গ্ৰন্থ আদিত প্ৰকাশিত আলোচনাত এই ভাষিক ৰূপৰ যৎসামান্য উল্লেখহে পোৱা যায়। কিন্তু ইয়াৰ প্ৰণালীবদ্ধ বিজ্ঞানসন্মত পৰ্যাপ্ত আলোচনা পাবলৈ নাই। উপেন্দ্ৰ নাথ গোস্বামীয়ে তেখেতৰ 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থত গোৱালপৰীয়া উপভাষাৰ যি বিভাজন কৰিছে তাত পশ্চিম পূৰ্বীয় দুয়ো বিভাগত লক্ষীপুৰ, বিলাসীপাৰা, শালকোচা, চাপৰ আৰু মুখীগাওঁ অঞ্চল সামৰা বাবে ই বিভ্ৰান্তিকৰ হৈ পৰিছে। তদুপৰি বীৰেন্দ্ৰ নাথ দত্তই তেখেতৰ 'গোৱলপৰীয়া লোক সংস্কৃতি (১৯৮২) আৰু ৰমেশ পাঠকে তেওঁৰ "অসমীয়া ভাষাৰ ইতিহাস" (প্ৰথম প্ৰকাশ ২০০৮) আৰু "উপভাষা বিজ্ঞানৰ ভূমিকা" (প্ৰথম প্ৰকাশ ২০০৮) গোৱালপৰীয়া পশ্চিম বিভাগ দুটাৰ এটা শালকোচীয়া বুলি উল্লেখ কৰিছে। কিন্তু এই আঞ্চলিক ৰূপৰ বিস্তৃত আলোচনা কৰা নাই। একেদৰে এই অঞ্চলত প্ৰচলিত ভাটীয়া ভাষাৰো আলোচনা পাবলৈ নাই। আমাৰ প্ৰস্তাৱিত অধ্যয়ন ক্ষেত্ৰখনৰ ভাষিক বৈশিষ্ট্য আৰু স্বকীয় আলোচনাৰ যথেষ্ট অৱকাশ আছে।

# সূচীপত্ৰ


পৃষ্ঠা নং

আগকথা ক

কৃতজ্ঞতা স্বীকাৰ খ

সাংকেতিক চিহ্ন গ

০.০০ঃ অৱতৰণিকা ঘ

০.০.১ ঃ গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য ঙ

০.০.২ ঃ গৱেষণাৰ পৰিসৰ চ

০.০.৩ ঃ অধ্যয়নৰ প্ৰমেয় ছ

০.০.৪ ঃ গৱেষণাৰ পদ্ধতি আৰু আৰ্হি জ

০.০.৫ ঃ অধ্যয়নৰ সমল ঝ

০.০.৬ ঃ গৱেষণা সম্পৰ্কে কৰা অধ্যয়ন সমীক্ষা ঞ

**প্ৰথম অধ্যায় ঃ**

সমাজভাষাতত্ত্ব আৰু অধ্যয়ন ক্ষেত্ৰৰ চমু পৰিচয় ১-১২

১.০.০. ঃ সমাজ ভাষা বিজ্ঞানৰ চমু পৰিচয় ১

সামাজিক উপভাষা ৩

দ্বিভাষিকতা ৬

দ্বিপাৰ্শ্বী ভাষা ৬

১.১.০ ঃ বিলাসীপাৰা অঞ্চলৰ চমু পৰিচয় ৭

১.২.০ ঃ বিলাসীপাৰা নামৰ উৎপত্তি ৮

১.৩.০ ঃ মাটিকালি আৰু জনসংখ্যা ১০

১.৪.০ ঃ জনগাঁথনি ১০

১.৫.০ ঃ আৰ্থসামাজিক দিশ ১১

**দ্বিতীয় অধ্যায় ঃ**

পূব বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ ধ্বনিতত্ত্ব ১৩-৪৬

২.১.০ ঃ দেশী ভাষাৰ ধ্বনিতত্ত্ব ১৩

২.১.১ ঃ দেশী ভাষাৰ বিশিষ্ট স্বৰধ্বনি ১৩

২.১.২ ঃ দেশী ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি ১৭

২.১.৩ ঃ শ্বাসাঘাত ২৩

২.১.৪ ঃ মান্য অসমীয়া আৰু দেশী ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক আলোচনা ২৪

২.২.০ ঃ ভাটীয়া ভাষাৰ ধ্বনিতত্ত্ব ২৯

২.২.১ ঃ ভাটীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি ২৯

২.২.২ ঃ ভাটীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি ৩৩

২.২.৩ ঃ শ্বাসাঘাত ৪০

২.২.৪ ঃ মান্য অসমীয়া আৰু ভাটীয়াভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক আলোচনা ৪০

**তৃতীয় অধ্যায় ঃ**

পূব বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ ৰূপতত্ত্ব ৪৭-৯৬

৩.১.০ ঃ দেশী ভাষাৰ ৰূপতত্ত্ব ঃ ৪৭

সৰ্গ, বচন, লিংগ, কাৰক আৰু শব্দবিভক্তি, বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্রিয়া, অব্যয়

৩.২.০ ঃ ভাটীয়া ভাষাৰ ৰূপতত্ত্ব ঃ ৭৩

সৰ্গ, বচন, লিংগ, কাৰক আৰু শব্দবিভক্তি, বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্রিয়া, অব্যয়

**চতুৰ্থ অধ্যায় ঃ**

পূব বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ শব্দগত আৰু বাক্যতাত্ত্বিক আলোচনা ৯৭-১২৮

৪.০.০ ঃ শব্দ ভাণ্ডাৰ ঃ ৯৭

তৎসম, অৰ্ধতৎসম, তদ্ভৱ শব্দ, দেশী আৰু ভাটীয়া ভাষাৰ

শব্দমালা, যুৰীয়া শব্দ

৪.১.০ ঃ বাক্যতত্ত্ব ১২০

৪.১.১ ঃ দেশী ভাষাৰ বাক্যতত্ত্ব ১২১

৪.১.২ ঃ ভাটীয়া ভাষাৰ বাক্যতত্ত্ব ১২৫

পঞ্চম অধ্যায়

পূৱ বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ সমাজ ভাষাতাত্ত্বিক অধ্যায়ন

৫.০.০ ঃ জনগাঁথনিৰ পৰিচয় ১২৯-১৪৫

৫.০.১ ঃ পূৱ বিলাসীপাৰা অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজৰ সামাজিক সম্পৰ্ক ১৩২

৫.০.২ ঃ পূৱ বিলাসীপাৰা অঞ্চলৰ সমাজ ভাষাতাত্ত্বিক অৱস্থান ১৩৫

উপসংহাৰ ১৪৬-১৪৭

গ্ৰন্থপঞ্জী ১৪৮-১৫৩

তথ্যদাতাৰ তালিকা ১৫৪-১৫৫

পৰিশিষ্ট ঃ

পূৱ বিলাসীপাৰা অঞ্চলৰ লোকজীৱনৰ প্ৰতিনিধিত্বমূলক আলোকচিত্ৰ

# প্রথম অধ্যায়

# ধুবুৰী জিলাৰ মানচিত্ৰ



# পূৰ বিলাসীপাৰা অঞ্চলৰ মানচিত্ৰ



# প্ৰথম অধ্যায়
# সমাজ ভাষাতত্ত্ব আৰু অধ্যয়ণ ক্ষেত্ৰৰ চমু পৰিচয়

**১.০০ঃ সমাজ ভাষাবিজ্ঞানৰ চমু পৰিচয়ঃ-**

সমাজভাষাবিজ্ঞান ভাষা বিজ্ঞানৰ এক অন্যতম শাখা। সমাজৰ লগত ভাষাৰ সম্পৰ্কৰ অধ্যয়নকে সমাজ ভাষাবিজ্ঞান বুলিব পাৰি।[১] ভাষাৰ ব্যৱহাৰ জন সমাজত হয়। একক ভাৱে কোনেও ভাষা ব্যৱহাৰ কৰিব নোৱাৰে। সেয়েহে ভাষা আৰু সমাজৰ সম্পৰ্ক নিবিড়। ভাষা আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ আলোচনাই হ'ল সমাজ ভাষা বিজ্ঞানৰ মূল উপজীব্য। সমাজ ভাষা বিজ্ঞানত কোনো সামাজিক ফৈদৰ মাজত দেখা ভাষিক বৈশিষ্ট্য, ভাষাৰ প্ৰতি সেই জনগোষ্ঠীৰ মনোভাৱ, সামাজিক স্তৰ অনুসৰি ভাষাৰ ব্যৱহাৰ, বহুভাষিক, দ্বিভাষিক পৰিস্থিতিত সমাজ বৰ্তি থকাৰ স্বৰূপ আদিৰ সম্পৰ্কে আলোচনা হয়। সাধাৰণ ভাষাবিজ্ঞানে কেৱল ভাষাৰ গঠণ প্ৰণালীৰ বিষয়ে আলোচনা কৰে, কিন্তু সমাজ ভাষাবিজ্ঞানে ভাষাৰ গঠণ প্ৰণালী সমূহৰ লগত সমাজৰ মানুহখিনিৰ কেনেধৰণৰ সম্পৰ্ক তাৰ বিশ্লেষণ কৰে।

ব্যক্তি ভেদে ভাষাৰ কথন ভংগীমাও পৃথক হয়। বক্তাজন ব্যক্তিগত বা সামাজিক ভাৱে স্তৰৰ লোক তাৰ ওপৰত নিৰ্ভৰ কৰি তেখেতৰ কথন ৰীতি বহু পৰিমানে নিৰ্ভৰ কৰে। আকৌ এজন বক্তাই একেটা কথাকে বিভিন্ন ধৰণে ক'ব পাৰে। ফলত কোৱাৰ ধৰণ অনুযায়ী ভাষাত ভিন্নতা আহে। সমাজৰ বিভিন্ন স্তৰত পোৱা এনে ভাষিক ভিন্নতাৰ বৈশিষ্ট্যৰ অধ্যয়ন বা বিশ্লেষণ সমাজ ভাষা বিজ্ঞানৰ এক উল্লেখনীয় দিশ।

সমাজ ভাষাবিজ্ঞান চৰ্চাত ইতিহাস ১৯৬০ ৰ পৰা ১৯৭০ চনৰ ভিতৰত আৰম্ভ হয়। উলিয়াম লাভোব এ এটা ভাষিক সম্প্ৰদায়ৰ মাজত থাকিব পৰা বিভিন্নতাৰ ৰূপক সামাজিক আৰু প্ৰাকৃতিক বিজ্ঞানৰ কৌশল অৱলম্বন কৰি সংগ্ৰহ কৰা বিভিন্ন চানেকিৰ দ্বাৰা সমাজ ভাষাবিজ্ঞানৰ এক নতুন দিগন্ত উন্মোচন কৰিলে। তেওঁৰ "The Social Stratification of NewYork Speech" (1966) নামৰ বিখ্যাত গৱেষণা গ্ৰন্থত দেখুওৱা হৈছে যে সামাজিক বাধা আৰু দূৰত্বই ভাষাত বিভিন্নতাৰ সৃষ্টি কৰে। এই ভাষাগত বিভিন্নতাসমূহক কেন্দ্ৰ কৰিয়েই তেওঁ বিভিন্ন সামাজিক

উপভাষাসমূহ নির্ণয় কৰিছিল। তেওঁ পোন প্ৰথমবাৰৰ বাবে এই গ্ৰন্থত নিউইয়ৰ্কৰ শ্ৰমিক শ্ৰেণীৰ উপভাষা, উচ্চ মধ্যবিত্ত শ্ৰেণীৰ উপভাষা ইত্যাদি নিৰ্ণয় কৰি সমাজভাষা বৈজ্ঞানিক অধ্যয়নত এক নতুন দিগন্তৰ সূচনা কৰিছিল।

বাক ৰীতি তথা কথন প্ৰক্ৰিয়াৰ নিয়মেই সমাজভাষা বৈজ্ঞানিক সূত্ৰ (Sociolinguistic rules) ৰূপে জনাজাত। এই কথনৰীতিত কাক কোনে সম্বোধনৰ দৰকাৰ, সম্ভাষণ কেনেধৰণৰ হোৱা উচিত, কথাবাৰ্তাত প্ৰশ্নোত্তৰ কেনেধৰণৰ হ'ব, কি পৰিৱেশত কেনেকুৱা ধৰণৰ আলাপ হ'ব ইত্যাদি সকলো কথনৰীতি সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত থাকিহে শিকা যায়।[২] ভিন্ন সামাজিক আৰু সাংস্কৃতিক পটভূমিত বাস কৰা জনসমষ্টিৰ মাজত কথনৰীতিৰ 'বিকল্পসূত্ৰ' 'অনুক্ৰম' আৰু 'সংগতি সূত্ৰ'ৰ যথাৰ্থতা বিচাৰি চালে স্বভাৱিকতে সেই জনসমষ্টিৰ মাজত ভাষিক বিভিন্নতাবোৰ পৰিৱেশৰ বিভিন্নতাৰ ক্ষেত্ৰত জনসমষ্টিৰ ওপৰত সামাজিক সাংস্কৃতিক দিশৰ প্ৰভাৱ মনকৰিবলগীয়া। কোনো এক জনসমষ্টিৰ ভাষিক বৈশিষ্ট্য সমাজ-ভাষাতাত্ত্বিক দৃষ্টিকোণেৰে বিশ্লেষণ কৰিলে কিছুমান দিশ উন্মোচন কৰিব পাৰি-

(ক) সময়ৰ সোঁতত সকলো বস্তুৰে পৰিবৰ্তন ঘটে। মানৱ সমাজৰো পৰিবৰ্ত্তন কাল অনুক্ৰমে হৈয়ে থাকে। সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে ভাষাৰো পৰিবৰ্ত্তন হয়। তদুপৰি বিভিন্ন ভাষাগোষ্ঠীৰৰ লোকৰ সৈতে একত্ৰ বসবাস কৰাৰ ফলত তেনে ভাষাৰ প্ৰভাৱতো ভাষাৰ পৰিবৰ্ত্তন আহি যায়। বৰ্ত্তমান সময়ত বিশ্বৰ প্ৰায় সকলো ভাষাতে নানা পৰিবৰ্ত্তনে দেখা দিছে। বেছিকৈ আমাৰ অসমীয়া ভাষাৰ সাম্প্ৰতিক ৰূপলৈ লক্ষ্য কৰিলেই এই কথাৰ উমান ভালকৈয়ে পাব পাৰি।

(খ) ভাষা এটোটাৰ মাজত সদায় পৰিপাৰ্শ্বিক সমাজ আৰু সংস্কৃতিৰ প্ৰতিফলন ঘটে। শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰত ঘাইকৈ এই প্ৰতিফলন স্পষ্ট। ধৰ্মীয় আচাৰ অনুষ্ঠানত অথবা বিভিন্ন লোকাচাৰ অনুষ্ঠানত জড়িত শব্দাৱলীয়েই ইয়াৰ প্ৰমাণ।

(গ) কোনো এখন সমাজত বাস কৰা জনসমষ্টিৰ চিন্তাৰ মানদণ্ড মূল্যবোধ তেওঁলোকে কোৱা ভাষাৰ পৰা পৰিদৃশ্য হয়। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত শ্লীলতা-অশ্লীলতা বিচাৰৰ পৰা সেইখন সমাজৰ লোকৰ চাৰিত্ৰিক মানদণ্ড নিৰূপিত হয়।

(ঘ) সমাজৰ ব্যক্তি বিশেষৰ ভাষাৰ অধ্যয়ণ কৰোঁতে ব্যক্তিজনৰ বয়স, লিংগ, শিক্ষা-দীক্ষা, বৃত্তি, সামাজিক-অৰ্থনৈতিক-সাংস্কৃতিক স্তৰৰ কথা বিবেচনাৰ প্ৰয়োজন আছে। কাৰণ এনেবোৰ

দিশে বক্তাৰ কথন ভংগীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

সমাজ ভাষাবিজ্ঞানত কোনো এটা ভাষিক গোষ্ঠীয়ে ব্যৱহাৰ কৰা ভাষাৰ মাজত তেওঁলোকৰ সামাজিক, সাংস্কৃতিক জীৱনৰ প্ৰতিফলন কেনেদৰে ঘটে তাৰ অধ্যয়ন কৰা হয়।

**১.০১ঃ সমাজিক উপভাষা -**

উপভাষা একেটাৰ সৃষ্টিত ভৌগলিক, ৰাজনৈতিক, সাংস্কৃতিক কাৰক সমূহে ইন্ধন যোগায়। একে সমাজৰ অন্তৰ্গত লোকসকলৰ মাজত ভাষিক মিল দেখা যায়। আকৌ একে সমাজভুক্ত লোকৰ মাজত ভৌগলিক দূৰত্ব থাকিলেও ভাষাৰ সাদৃশ্যতা দেখা যায়। পৃথক সামাজিক-সাংস্কৃতিক পটভূমিয়ে ভাষাৰ প্ৰভেদ সৃষ্টি কৰে আৰু ফলশ্ৰুতিত সামাজিত উপভাষাই জন্ম লাভ কৰে। দীপাংকৰ মৰলৰ মতে-'এটা ভাষাৰ যিকোনো দলে যেতিয়া একেধৰণৰ সামাজিক বান্ধোনেৰে বান্ধ খাই একে ব্যৱস্থাপনাৰে বসবাস কৰি সেই দলৰ অন্তৰ্ভুক্ত নোহোৱা সকলৰ ভাষাতকৈ সুকীয়া ধৰণেৰে ভাৱ প্ৰকাশ কৰি দলীয় একতা প্ৰকাশ কৰে বা তাৰ মাজেদি তেওঁলোকৰ স্বকীয়তা প্ৰকাশ কৰে, তেতিয়াই সামাজিক উপভাষাৰ উদ্ভৱ হয়।' সামাজিক উপভাষা কেইবা প্ৰকাৰৰ হ'ব পাৰে-

ক) সামাজিক শ্ৰেণীগত উপভাষা।

খ) সামাজিক জাতিগত উপভাষা।

গ) ভাষা আৰু ধৰ্মীয় সম্প্ৰদায়।

ঘ) ভাষা আৰু লিংগভেদ আদি।

**১.০১.কঃ সমাজিক শ্ৰেণীগত উপভাষা -**

সমাজ এখনত বিভিন্ন শ্ৰেণীৰ মানুহে বাস কৰে। এনে একেখন সমাজতে বাস কৰা শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া, শ্ৰমিক-মালিক আদি নানা শ্ৰেণীৰ লোকে একেটা ভাষা ব্যৱহাৰ কৰিলেও কথন ৰীতি, শব্দৰ প্ৰয়োগ, উচ্চাৰণ আদিৰ দিশত পাৰ্থক্য দেখা যায়। সমাজৰ বিভিন্ন শ্ৰেণীভেদে একেটা ভাষাতে দেখা এই বিভিন্নতাবোৰক সামাজিক শ্ৰেণীগত উপভাষা বোলে। পৃথিৱীৰ নানা দেশত এনে উপভাষা থকা দেখা যায় যদিও অসমৰ ক্ষেত্ৰত এনে কোনো ধৰণৰ সামাজিক শ্ৰেণীগত উপভাষাৰ উপস্থিতি নাই। একেটা সামাজিক শ্ৰেণীভুক্ত লোকৰ শ্ৰেণী ক্ৰমভিত্তিক সামাজিক জোখ মাৰিও উঠা নমা কৰি থকা দেখা যায়। অৰ্থাৎ এটা সময়ত দুখীয়া, অশিক্ষিত শ্ৰেণী উন্নত, শিক্ষিত, ধনী শ্ৰেণীলৈ উন্নীত হ'ব পাৰে আৰু শিক্ষিত, ধনী উন্নত শ্ৰেণীৰ মানদণ্ড হ্ৰাস পাব পাৰে।

এনে গতিশীলতাই সামাজিক শ্ৰেণীগত উপভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নত অসুবিধাৰ সৃষ্টি কৰে, যদিও সামাজিক পৰিসৰৰ অন্তৰ্ভুক্ত বাবে এনে ভাষাৰ সমাজ ভাষা বৈজ্ঞানীক দৃষ্টিৰে বিশ্লেষণৰ প্ৰয়োজনীতা আহি পৰে।

**১.০১.খঃ সমাজিক জাতিগত উপভাষা -**

একো একোটা সমাজত জাতিগত ফৈদ একত্ৰহৈ বাস কৰে। এনে ধৰণৰ জনসমষ্টিবোৰ সুকীয়া, সুনিৰ্দিষ্ট এক সামাজিক পৰিমণ্ডলত বাস কৰে বাবে অন্যান্য জাতিগত ফৈদৰ পৰা কিছু নিলগত থাকে। কোনো একোটা জাতি বা সম্প্ৰদায় সামাজিক সাংস্কৃতিক কাৰণতে অন্য জাতি বা সম্প্ৰদায়ৰ লগত ভেদ থাকে আৰু দূৰত্ব ৰাখি চলে ফলত নিৰ্দিষ্ট জাতি বা সম্প্ৰদায় একোটাৰ ভাষাই পৃথকতা লাভ কৰে। ভাৰতবৰ্ষ তথা অসমত সামাজিক জাতিগত উপভাষা দেখা যায়। উদাহৃনস্বৰূপে নাথ-যোগী সম্প্ৰদায়, গৰীয়া সম্প্ৰদায় আদি সম্প্ৰদায়ৰ লোকসকলৰ ভাষাত অসমীয়া ভাষাৰ ভিন্ন ৰূপ পোৱা যায়।

**১.০১.গঃ ভাষা আৰু ধৰ্মীয় সম্প্ৰদায় -**

ধৰ্মৰ প্ৰভাৱ ব্যক্তিৰ ওপৰত অপৰিসীম থকা দেখা যায়। প্ৰকৃত পক্ষে ধৰ্মীয় চিন্তা সমাজক পৰিশীলিত কৰে। তদনুৰূপ ভাষাৰ ওপৰতো ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰে। অসমৰ ক্ষেত্ৰত জাতি ভেদ বা ধৰ্মীয় সংকীৰ্ণতা নাই আৰু সকলো ধৰ্মৰ লোকে ঐক্যবদ্ধভাৱে সমিলমিলৰ মাজতে বাস কৰে, লগতে একেই অসমীয়া ভাষা কয়। এই ক্ষেত্ৰত অসমৰ হিন্দু মুছলমান লোক সকলৰ কথা উনুকিয়াব পাৰি। এই দুই ধৰ্মৰ লোকৰ মাজত মিল সুদূৰ অতীতৰ পৰাই আৰু একেই অসমীয়া ভাষা কয় কিন্তু ধৰ্মীয় আচাৰ-বিশ্বাস অনুসৰি ভাৱ প্ৰকাশত কিছুমান শব্দ পৃথকৰূপত ব্যৱহাৰ হয়। ধৰ্মীয় উপাসনাৰ লগত ডড়িত আৰু পৰস্পৰে অভিবাদন জনাওঁতে ভিন্ন ভিন্ন শব্দৰ প্ৰয়োগ হয়। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত দেখা দিয়া ভিন্নতাৰ কেইমান উদাহৰণ এনেধৰণৰ- হিন্দু লোক এজনে কয়-ভগৱান, হৰি, স্বৰ্গ, নৰক, শপত, শ্মশান, শ্ৰাদ্ধ আদি, মুছলমান এজনে কয়- আল্লা, বেহেস্তো, ছোৱাব, তছবি, কবৰস্থান আদি শব্দ। একেদৰে বৈষ্ণৱ সম্প্ৰদায়ৰ লোকৰ কথাও ক'ব পাৰি। তেওঁলোকৰ মাজতো ধৰ্মীয় ভাৱত ব্যৱহৃত ভিন্ন শব্দ আছে যিবোৰ অন্যান্য ধৰ্মৰ লোকে নকয়। এইদৰে হিন্দু-মুছলমানকে আদি কৰি অন্যান্য ধৰ্মৰ লোকৰ মাজত নিজ নিজ ধৰ্মীয় বাতাবৰণত একো একোটি ভাষিক পৰম্পৰা

গঢ়লৈ উঠে।

**১.০১.ঘঃ ভাষা আৰু লিংগভেদ -**

ভাষা হৈছে মানুহৰ প্ৰতি সমাজৰ দান। ভাষা আয়ত্বকৰণ সাংস্কৃতিক প্ৰক্ৰিয়া। ই সমাজৰ সকলোৱে আয়ত্ব কৰে আৰু নিজৰ ভাৱ বিনিময়ৰ এক প্ৰধান মাধ্যমৰূপে ব্যৱহাৰ কৰে। একেই সমাজৰ অংগীভূত পুৰুষ আৰু মহিলাৰ ভাষাৰ মাজত ভেদ হোৱা দেখা যায়। এনে হোৱাৰ কাৰণ 'ভাষাতাত্ত্বিক নিষেধ'ৰ ফলত হোৱা বুলি জেছপাৰছনে মত পোষণ কৰিছিল। নাৰীৰ চাল-চলন, আচাৰ-ব্যৱহাৰৰ ওপৰত থকা নিষেধ, অন্ধবিশ্বাস, কুসংস্কাৰ আদিয়ে স্ত্ৰী-পুৰুষৰ মাজত ভাষিক বিভিন্নতা অনাত সহায় কৰে। সমাজত নাৰী এগৰাকীক আদৰ্শ নাৰীৰূপে গঢ়ি তোলাৰ কাৰণে নানা ৰীতি-বিধি, নিষেধ আৰোপ কৰা হয়। কিছুমান শব্দ, অবাইচ, অশ্ৰাব্য মাত কথা গালি-গালাজ কোনো ক্ষেত্ৰত ব্যৱহাৰ কৰিলেও মুকলিকৈ পুৰুষৰ দৰে ক'ব নোৱাৰে। এনে নিয়মৰ পৰম্পৰা মানি চলা নাৰীৰ জীৱন যাপন প্ৰণালী পুৰুষতকৈ কিছু সুকীয়া হয়। সেয়ে পুৰুষ আৰু নাৰীৰ মাজত অবাইচ মাত বা গালি-শপনিৰ পাৰ্থক্য দেখা যায়। অসমীয়া সমাজখনত এনে পুৰুষ-নাৰী ভেদে ভাষাৰ ভেদ দেখিবলৈ পোৱা যায়। অৱশ্যে এনে ভেদ শব্দগত ক্ষেত্ৰতহে দৃষ্টিগোচৰ হয়। সাম্প্ৰতিক সময়ত এনে ভাষাৰ বিভিন্নতা হ্ৰাস পাই আহিছে যদিও গ্ৰামাঞ্চলত বৰ্তমান সময়লৈকেও এনে বিবিধতা বৰ্তি আছে।

**১.০১.ঙ ঃ ভাষা আৰু ব্যৱসায় ভেদ -**

জীৱিকা অনুসৰিও ভাষিক বিভিন্নতা দেখা যায়। এখন সমাজত থকা বিভিন্ন বৃত্তিধাৰী লোকৰ তেওঁলোকৰ বৃত্তি অনুসাৰে ভাষাই-সুকীয়া ৰূপ লোৱা দেখা যায়। বিভিন্ন কামত নিয়োজিত লোকৰ কৰ্মৰ সৈতে সংগতি ৰাখি বিভিন্ন শব্দৰ প্ৰয়োগ হয় যিবোৰ অন্য বৃত্তিধাৰী লোকে ব্যৱহাৰ নকৰে। ফলত তেওঁলোকৰ ভাষাৰ ভেদ আহি পৰে। শিক্ষক, কৃষক, ডক্তৰ উকীল, শ্ৰমিক, অফিচত কাম কৰা কৰ্মচাৰী, দোকানী, পোহাৰী, মাছমৰীয়া, ধৰ্মীয় কামৰ গুৰিয়াল, ৰাজনীতিক আদি সকলো লোকৰে কথা কোৱাৰ ধৰণ বেলেগ বেলেগ হয়। শ্ৰমিক, দোকানী, পোহাৰী, মাছমৰীয়া আদি সমাজৰ নিম্নস্তৰৰ লোকসকলৰ মাজত তৰল আৰু অবাইচ মাত কথাৰ বাহুল্যতা দেখা যায়। একেদৰে শিক্ষক, ডক্তৰ, ইঞ্জিনীয়াৰ আদি উচ্চস্তৰৰ বৃত্তিধাৰী লোকৰ কথাত শালীনতা আৰু মাৰ্জিত শব্দৰ

প্ৰয়োগ কৰা দেখা যায়।

**১.০২ঃ দ্বিভাষিকতা ঃ**

দ্বিভাষিক অৰ্থাৎ দুটা ভাষা কওঁতা বা ব্যৱহাৰ কৰা লোকসমষ্টি। কোনো এখন সমাজত যেতিয়া কোনো লোকে ঘৰুৱা ভাৱে এটা ভাষা ব্যৱহাৰ কৰে আৰু সামাজিক যোগাযোগ ৰক্ষাৰ্থে আন এটা ভাষা ব্যৱহাৰ কৰে বা কৰিবলগীয়া হয় তেতিয়া তাক দ্বিভাষিকতা বোলা হয় আৰু তেনে জনসমষ্টিক দ্বিভাষিক বুলি কোৱা হয়। এনে অৱস্থাত প্ৰথম ভাষাটো ঘৰুৱা পৰিৱেশত মাতৃভাষাৰূপে ব্যৱহৃত হয় আৰু দ্বিতীয় বা মান্যভাষাটো আনুষ্ঠানিক ক্ষেত্ৰত সামাজিক যোগাযোগৰ মাধ্যম হয়। অসমত দ্বিভাষিক পৰিস্থিতিত দ্বিভাষী লোক সকলে অনানুষ্ঠানিক ভাৱে নিজ কথ্যৰূপটো আৰু আনুষ্ঠানিক আৰু শিক্ষা গ্ৰহণৰ বাবে মান্য অসমীয়া ব্যৱহাৰ কৰে। অভিবাসী মুছলমানসকল এনে দ্বিভাষী পৰিস্থিতিৰ উত্তম উদাহৰণ। এওঁলোকৰ লগতে চাহ জনগোষ্ঠীৰ লোকৰ কথাও উনুকিয়াব পাৰি। অসমলৈ আহি অসমীয়া ভাষা-সংস্কৃতি আকোঁৱালি লৈ অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰি অসমীয়াৰ সৈতে মিলি গৈছে। তেওঁলোকে ঘৰুৱা পৰিৱেশত নিজ মাতৃভাষা ব্যৱহাৰ কৰে যদিও মান্য অসমীয়া আৰু ইয়াৰ উপভাষাৰ প্ৰভাৱ তেওঁলোকৰ মাতৃভাষাত পৰিছে, ফলত মাতৃভাষাত পৰিৱৰ্তন আহি পৰিছে। অসমৰ পটভূমিত এই দুই ভাষাগোষ্ঠীৰ উপৰিও অসমত বাস কৰা বঙালী, নেপালী, মৰোৱাৰী, শিখসকলেও দ্বিভাষী। এওঁলোকে ঘৰুৱা পৰিৱেশত মাতৃভাষা আৰু অন্যান্য সামাজিক আনুষ্ঠানিক ক্ষেত্ৰত অসমীয়া ব্যৱহাৰ কৰে।

**১.০৩ ঃ দ্বিপাৰ্শ্বী ভাষা -**

দ্বিপাৰ্শ্বী পৰিস্থিতিত এটা ভাষিক সম্প্ৰদায়ে একে সময়ত দুটা ভাষা ব্যৱহাৰ কৰে। ইয়াৰে এটা উচ্চ বা আনুষ্ঠানিক আৰু আনটো নিম্ন বা অনানুষ্ঠানিক। নিম্ন ভাষা বুলি কওঁতে উচ্চ বা মান্য ভাষাটোৰে উপভাষাসমূহক বুজায়। এনে পৰিস্থিতিত ভাষা কওঁতাসকলে উচ্চ ভাষাটোক মৰ্যাদা প্ৰদান কৰে আৰু এই ভাষাতে সাহিত্য ৰচিত হয়। নিম্নভাষাটিক হেয় জ্ঞান কৰা হয় লগতে এনে ভাষাৰ কোনো লিখিত ৰূপো নাথাকে। ব্যাকৰণগত দিশতো এনে ভাষাৰ মাজত পাৰ্থক্য বিদ্যমান। আৰবী, গ্ৰীক আদি এনে দ্বিপাৰ্শ্বী অৱস্থাৰ উৎকৃষ্ট নিদৰ্শন।

দ্বিপাৰ্শ্বী অৱস্থাত নিম্নভাষাটিয়ে মৰ্যাদা নাপালেও ইয়াৰ প্ৰয়োগ কিন্তু হয়। একেটা ভাষাৰে

উচ্চ আৰু নিম্নৰূপেৰে দুটা উপভাষা ব্যৱহাৰ হয় যদি দুয়োটাৰ প্ৰয়োগৰ সীমাৰেখা নিৰ্দিষ্ট আৰু উচ্চৰূপটো কাৰো মাতৃভাষা নহয়। কিন্তু কেতিয়াবা ঔপভাষিক পৰিস্থিতিত মান্যৰূপটো মাতৃভাষা হোৱা দেখা যায়।

অসমীয়া ভাষাগত ক্ষেত্ৰখনত আঞ্চলিক উপভাষা আৰু সামাজিক উপভাষা-এই দুয়ো প্ৰকাৰ ভাষাৰে উপস্থিতি দেখিবলৈ পোৱা যায়। গতিকে সমাজ ভাষাতাত্ত্বিক দৃষ্টিকোণেৰে অসমীয়া ভাষাৰ ঔপভাষিকৰূপবোৰৰ অধ্যয়ন হ'লে ভাষিক ক্ষেত্ৰত থকা বৈচিত্ৰ্যময় বৈশিষ্ট্যবাজিৰ উন্মোচন হোৱাৰ লগতে ঔপভাষিক ৰূপসমূহৰ অধ্যয়নৰ বৰ্ণময় বাট মুকলি হৈ পৰিব বুলি আশা কৰিব পাৰি।

**১.০১ঃ বিলাসীপাৰা অঞ্চলৰ চমু পৰিচয় ঃ**

অষ্টাদশ শতিকাৰ চাপৰ ষ্টেটৰ অংশবিশেষ বিলাসীপাৰা বৰ্তমান অসমৰ পশ্চিম দিশে অৱস্থিত ধুবুৰী জিলাৰ মহকুমা আৰু সদৰ ঠাই। এই মহকুমাৰ উত্তৰে কোকৰাঝাৰ, দক্ষিণে গোৱালপাৰা, পূবে বঙাইগাওঁ আৰু পশ্চিমে পাণবাৰী অৱস্থিত। আমাৰ গৱেষণাৰ ক্ষেত্ৰখন হৈছে পূব বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এলেকাটি। এই অঞ্চলটিত বিলাসীপাৰা চহৰ, ৰাণীগঞ্জ, লক্ষীগঞ্জ, ফুক্তিবাৰী, গৌৰাংনগৰ, যমদুৱাৰ, শোনামুখী, টিলাপাৰা, শালকোচা, হৰিতদল,খেৰডুবি, ধীৰঘাট, পুঠিমাৰী, চাপৰ, বহলপুৰ, তিনিখনকৈ চাহ বাগিছা - চাপৰ চাহবাগিছা, কৃষ্ণকলি চাহ বাগিছা আৰু চৈবাৰী চাহ বাগিছা, ৰঙামাটি অন্তৰ্ভূক্ত হৈ আছে।

ভৌগলিক অৱস্থিতিৰ পিনৰ পৰা এই অঞ্চলটো প্ৰায় ৯০° পূৱ দ্ৰাঘিমাংশ আৰু ২৫° উত্তৰ অক্ষাংশৰ অন্তৰ্গত। ব্ৰহ্মপুত্ৰ নৈ অঞ্চলটিৰ পৰা ১০/১২ কিঃ মিঃ দূৰত্বত অৱস্থিত আৰু সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰায় ৪০ মিটাৰ উচ্চতাত আছে। সমগ্ৰ পূবে বিলাসীপাৰা অঞ্চলটো সমভূমি, মালভূমি, পাৰ্বত্য অঞ্চল, নৈ, উপনৈ, বিল, টিলা আদিৰে ভৰপূৰ এক অতি সুন্দৰ প্ৰকৃতিৰ বিনন্দীয়া অঞ্চল। উত্তৰ দিশৰ ভুটান পাৰ্বত্য অঞ্চলৰ পৰা ডিফু, সোনকোষ, গৌৰাং নৈৰ শখা-প্ৰশাখা এই ভূখণ্ডৰ ওপৰেদি বৈ গৈ ব্ৰহ্মপুত্ৰত মিলিত হৈছে। নৈ-উপনৈৰ শাখা-প্ৰশাখাবোৰ গতি সলাওতে বহুতো সৰু বৰ জলাশয় তথা বিলৰ সৃষ্টি কৰিছে। তেনে কেইটামান বিল হ'ল ঃ ধীৰবিল, হাক্‌মা বিল, সাতবেৰৰবিল, চাচৰাৰ বিল আদি। ইয়াৰে ধীৰবিল বিখ্যাত, কলেবৰত বৃহত আৰু প্ৰচুৰ মাছ পোৱা যায়। এই অঞ্চলত সৰু বৰ অসংখ্য টিলা আছে আৰু টিক্‌বিকিলা, চান্দৰডিঙা আৰু শাকাতি

পাহাৰ -এই তিনিটা পাহাৰ আছে। এই পাহাৰবোৰত নানা আপুৰুগীয়া শাল, চেগুন, শিশু, গমাৰী আদি গছ পোৱা যায়। অতীতত এইসমূহ পাহাৰ আৰু অঞ্চলটি বনাঞ্চল আৰু জীৱ-জন্তু আদিৰে ভৰপুৰ আছিল। কিন্তু বৰ্তমান সময়ৰ মানুহৰ ধ্বংস যজ্ঞই এইবোৰ বিলুপ্তিৰ পথত ঠেলি দিছে। গছ কাটি, পাহাৰত বসতি স্থাপন কৰাৰ ফলত গছৰ সংখ্যা দিনে দিনে কমি আহিছে আৰু লগতে পৰিভ্ৰমী চৰাই, বান্দৰ আদি জন্তু-চৰাইয়ে নিজৰ বিচৰনস্থলৰ অভাৱত পৰিছে। হৰিতদল অঞ্চলত সংৰক্ষিত বনাঞ্চল 'মেচাৰ্চ্চ বেকন' আছে য'ত বিখ্যাত সোণালী বান্দৰ পোৱা যায়।

এই অঞ্চলৰ মাটি বালিচহীয়া, পলসুৱা উভয় প্ৰকৃতিৰ পোৱা যায়। নৈ-উপনৈৰ পাৰ আৰু চৰাঞ্চলত পলসুৱা আৰু বালিচহীয়া মাটি হোৱা বাবে প্ৰচুৰ শস্য উৎপন্ন হয়। অন্যান্য সমভূমি অঞ্চলৰ পলসুৱা মাটিতো ধান, মাহ-সৰিয়হ, মৰাপাট আদিৰ খেতি হয়। মৌচুমী বতাহৰ প্ৰভাত এই অঞ্চলত প্ৰচুৰ বৃষ্টিপাত হয়। প্ৰতিবছৰে বানপানীয়েও আহি ত্ৰাসৰ সৃষ্টি কৰে। জহকালি এই অঞ্চলৰ সৰ্বোচ্চ উষ্ণতা ৩৮°C আৰু জাৰকালি সৰ্বনিম্ন ৮°C লৈ হোৱা দেখিবলৈ পোৱা যায়। জাৰকালি নানা পৰিভ্ৰমী চৰাই আহি বিল আৰু বনাঞ্চলৰ সৌন্দৰ্য দুগুণে চৰায়। আকৌ এক লোক বিশ্বাস অনুসৰি এই অঞ্চল 'কালিদহ' নামৰ এখন সাগৰৰ অংশ আছিল। আনহাতে চান্দসদাগৰৰ নাও চান্দৰডিঙা পাহাৰত ডুবিছিল যেতিয়া চান্দৰডিঙা সাগৰৰ তলিত আছিল, সেয়েহে এই পাহাৰে চান্দৰডিঙা নাম পালে। এয়া প্ৰাচীন কালত চলা বিষহৰি বা মনসা পূজা আৰু ইয়াৰ সৈতে সম্পৃক্ত হৈ থকা নানা লোক বিশ্বাসৰ উমান পোৱা যায়।

**১.২.০ ঃ বিলাসীপাৰা নামৰ উৎপত্তি ঃ**

বিলাসীপাৰা অঞ্চলটোৰ নামকৰণ সম্পৰ্কে নানা অভিমত, জনশ্ৰুতিৰ প্ৰচলন থকা দেখা যায়। একালত বিলাসীপাৰা অঞ্চলচাপৰ ষ্টেটৰ অন্তৰ্গত আছিল। চলিত মতে চাপৰ পৰগণা প্ৰথমে বিজনী ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। বিজনী ৰজা মুকুন্দ নাৰায়ণৰ শাসনকালত জনৈক জয়নাৰায়ন শৰ্মাই মোগল বাদছাহৰ চনদ লাভ কৰি চাপৰ পৰগণা হাত কৰে। ফলত চাপৰ জমিদাৰীৰ সৃষ্টি হয়। (১৭২৩ খ্ৰীঃ) এই চাপৰ ষ্টেটৰ সীমা মানাহ নদীমুখৰ পৰা পাবমাৰী জান আৰু ৰঙামাটি পাহাৰস্থপীৰ বাগমাৰা দৰগাহৰ পৰা সূতাখোৱা মুখলৈ ইয়াৰ বিস্তৃতি আছিল। [৫] এই চাপৰ ষ্টেটৰে এক বিশিষ্ট অংশ আছিল বৰ্তমানৰ বিলাসীপাৰা অঞ্চল।

এই অঞ্চলটো পূৰ্বতে কি নামেৰে জনাজাত আছিল সেয়া জনা নাযায়। ইয়াৰ নামকৰণ

সম্পৰ্কে সাহিত্য সভাৰ ৬৩ তম্ বিলাসীপাৰা অধিবেশনত গ্ৰন্থ উন্মোচকৰ ভাষণত মেদিনী মোহন্দ ব্ৰহ্মাই কৈছিল "বিলাসীপাৰা চহৰৰ নামকৰণৰ সন্দৰ্ভত অতীজৰে পৰা প্ৰবাহিত হৈ অহা এটি জনশ্ৰুতি আপোনালোকৰ আগত চমুকৈ ব্যক্ত কৰিবলৈ প্ৰয়াস কৰিছোঁ। এসময়ত ভূটান ৰাজ্য দক্ষিণে ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তৃতি লাভ কৰিছিল। ভূটানৰ ৰজাৰ দ্বিতীয়া ৰাজমনিষী আছিল চিকনাঝাৰ অঞ্চলৰ এগৰাকী বড়ো মহিলা। সেইজনী ৰাণীৰ গৰ্ভত জন্মিছিল চাৰিজনী কন্যা। তেওঁলোকৰ নাম আছিল যথাক্ৰমে সৰাংছি, খালাইছি, ইলাইছি আৰু বিলাইছি। কনিষ্ঠা ৰাজকুঁৱৰী বিলাইছি আছিল অতীব সুন্দৰী। ৰজা আৰু ৰাণীৰ অতিকৈ মৰমৰ জীয়ৰী। সেয়ে মৰমৰ চিনস্বৰূপে ৰজাই ৰাখিলে বিলাইছি ছিখলাৰ নামে 'বিলাইছিপুৰ'। ইয়ে কালক্ৰমে অপভ্ৰংশ হৈ বিলাইছিপাৰা আৰু অধুনা বিলাসীপাৰা।' এই মতটিত কোনো কোনো পণ্ডিতে সমৰ্থন কৰিছে। কাৰণ এই কাহিনীটোৰ এক ঐতিহাসিক ভিত্তি আছে। অতীতত বিলাসীপাৰাত বড়ো জনগোষ্ঠীৰ লোকে বাস কৰাৰ প্ৰমাণ পোৱা গৈছে। কোচ ৰজাসকলৰ সৈতে ভূটানৰ ৰজাৰ প্ৰাধান্য বিস্তাৰ লৈ প্ৰায়ে যুদ্ধ হৈছিল। এনেকি এই যুঁদ্ধ ইংৰাজসকলৰ সৈতেও হৈছিল এক নিৰ্দিষ্ট সীমা নিৰ্ধাৰণ নোহোৱালৈকে। বিজনীৰ শাসক-সকলেও ভূটানীসকলৰ পৰা পৰিত্ৰাণ পাবলৈ ৰাজধানী সলনি কৰি অভয়াপুৰীলৈ লৈ যায়। পৰৱৰ্তী ১৮৬৫ খ্ৰীঃত ইংৰাজৰ সৈতে হোৱা সন্ধিত সীমা নিৰ্ধাৰিত হয়। এই যুদ্ধত গৌৰীপুৰৰ ৰজা প্ৰতাপ চন্দ্ৰ বৰুৱা আৰু চাপৰ ষ্টেটৰ জমিদাৰ কীৰ্তিনাৰায়ণ চৌধুৰীয়ে অংশ লয়। এই সমগ্ৰ আলোচনাৰ পৰা ভূটান ৰজাৰ প্ৰভাৱ যে বিলাসীপাৰা অঞ্চলত আছিল আৰু ভূটানৰ ৰাজকন্যাৰ নামাকৰণেৰে এই স্থানৰ নাম হ'ল বুলি ভবাৰ থল আছে বুলি পণ্ডিত মহলে বক্তব্য আগবঢ়ায়।

আন এক মত অনুসৰি জমিদাৰী আমোলত জমিদাৰ সকলে যাপন কৰা বিলাসী জীৱন প্ৰণালী আৰু জাকজমকতাৰ বাবে 'বিলাসীপাৰা' নাম পালে।

আকৌ শিবানন্দ শৰ্মাৰ মতে 'বিলাসু' নামৰ এজন ব্যৱসায়ীৰ নামানুসাৰে 'বিলাসুপাৰা' আৰু পৰৱৰ্তীকালত 'বিলাসীপাৰা' হয়গৈ।

বিলাসীপাৰা অঞ্চলৰ লগতে পূব বিলাসীপাৰা অঞ্চলৰ অন্তৰ্গত অন্যান্য অঞ্চলসমূহৰো নামৰ উৎপত্তি সম্পৰ্কে নানা লোক কথা, মত পোৱা যায়। এনে এক উল্লেখযোগ্য আৰু বৃহৎ এলেকা হ'ল 'চাপৰ'। এই অঞ্চলটোৰ নামৰ উৎপত্তিৰ লগত নানা মত পোৱা যায়।

চাৰিওফালে চৰ-চাপৰিৰে আগুৰি থকা ঠাইয়ে চাপৰ। আকৌ ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া

নামনি অঞ্চল যি পাহাৰেৰে আৱৰা ভূখণ্ড সি চাপৰ।

'চাপৰ' নামৰ উৎপত্তিৰ সৈতে আন এটি কাহিনী পোৱা যায়। কাহিনী অনুসৰি বিজনীৰ ৰজাই তেওঁৰ ব্ৰাহ্মণ ৰান্ধনিজনক কিবা দোষৰ বাবে চাপৰ বা চৰ মাৰিছিল। ব্ৰাহ্মণ এজনক অপমান কৰাৰ বাবে প্ৰায়চিত্ত স্বৰূপে অন্যান্য দান-দক্ষিণা দিয়াৰ লগতে ভূমি দানো কৰিব লগা হৈছিল। চৰ বা চাপৰ এটাৰ বাবে ভূমি পোৱা গুণে নাম হ'ল চাপৰ। এয়া লোক মুখ প্ৰচলিত কথাহে। এনেধৰণৰ নানা লোককথা আৰু মত অন্যান্য অঞ্চল, গাওঁসমূহৰ ক্ষেত্ৰতো থকা দেখা যায়।

**১.৩.০ ঃ মাটিকালি আৰু জনসংখ্যা ঃ**

বিলাসীপাৰা মহকুমাৰ পূব অঞ্চলটি চাপৰ উন্নয়ন খণ্ড আৰু ৰাণীগঞ্জ খণ্ড উন্নয়নৰ একাংশৰ অন্তৰ্ভূক্ত। ৰাণীগঞ্জ খণ্ড উন্নয়ণৰ অন্তৰ্ভূক্ত পূব বিলাসীপাৰা অঞ্চলৰ মাটিকালি প্ৰায় ৬৫ হাজাৰ বিঘা আৰু চাপৰ খণ্ড উন্নয়নৰ অন্তৰ্গত মাটিকালি ১ লাখ ৮৩ হাজাৰ বিঘা। ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাণীগঞ্জ খণ্ড উন্নয়নৰ জনসংখ্যা ১,৩৮,০০০ আৰু চাপৰ খণ্ড উন্নয়নৰ জনসংখ্যা ১,৪২,০০০ জন। জনসংখ্যাৰ ঘনত্ব বিলাসীপাৰা চহৰ আৰু চাপৰ অঞ্চলতে সৰ্বাধিক দেখিবলৈ পোৱা যায়। এই অঞ্চলৰ মুঠ মাটিকালি হ'ল ২,৪৮,০০০ বিঘা আৰু জনসংখ্যা ২,৪০,০০০ জন। এই অঞ্চলৰ জনসংখ্যাৰ প্ৰায় ৬১% লোক মুছলমান ধৰ্মাৱলম্বী আৰু বাকীখিনি বৰ্ণ হিন্দু, ৰাজবংশী আৰু অন্যান্য জনগোষ্ঠীৰ লোক। মুছলমান লোকসকলৰ ভিতৰত আকৌ প্ৰায় সমান সমান ভাগত বিভক্ত দেশী মুছলমান আৰু ভাটীয়া মুছলমান লোক। এই সকলো লোক অঞ্চলটোত সমন্বিত ৰূপত অতীজৰে পৰা বসবাস কৰি আহিছে।

**১.৪.০ঃ জনগাঁথনি ঃ**

পূব বিলাসীপাৰা অঞ্চলত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰা দেখা যায়। অতীতত এই অঞ্চলত বড়ো জনগোষ্ঠীৰ লোক সকলে বস-বাস কৰাৰ প্ৰমাণ পোৱা গৈছে। বৰ্তমানে এই অঞ্চলত ৰাজবংশী, কলিতা, নাথ, যোগী, দেশী-মুছলমান, অভিবাসী মুছলমান বঙালী, মাৰোৱাৰী, শিখ, চাহ জনগোষ্ঠীৰ লোক আদিকৈ জনগোষ্ঠীৰ লোক বসবাস কৰে। এই সকলৰ ভিতৰত সংখ্যাত আধিক্য কোচ ৰাজবংশী, দেশী মুছলমান আৰু অভিবাসী মুছলমান সকলৰ দেখা যায়। বঙালী লোকৰ সংখ্যাও কিছু আছে যদিও সেয়া ৰাজবংশী বা দেশী মুছলমান লোকৰ তুলনাত কম। বঙালী, মাৰোৱাৰী, শিখ আদি লোক প্ৰধানকৈ ব্যৱসায়ৰ লগত জড়িত। চাপৰৰ ওচৰত থকা তিনিখনকৈ

চাহ বাগিজাত চাহ জনগোষ্ঠীৰ লোকে বাস কৰে। শালকোচা, পুখুৰীপাৰা, হাপাপাৰা অঞ্চলত প্ৰধানকৈ ৰায় উপাধিৰ লোক, বাৰণীতাৰা, সত্যপুৰ, ভকতপাৰা, বহলপুৰ, নিদানী আৰু চৈৰাৰী চাহ বাগিচাৰ কিছু অংশত ৰাজবংশী লোক সকলে প্ৰধানকৈ বসবাস কৰে। নাথপাৰাত নাথ যোগীসকলে আৰু বিলাসীপাৰাৰ লক্ষীগঞ্জ, ৰাণীগঞ্জ, বাগমাৰী, বাঙালীপাৰা, হাকমা, কাজিপাৰা, বৌমাৰী, জালিকুৰা আদি অঞ্চলত প্ৰধানকৈ দেশী মুছলমান লোক বাস কৰে। পুঠিমাৰী ধীৰেচচৰ মাশানেৰআলগা, তাৰংগাপুৰ, শিঙিমাৰী, ধীৰঘাট, কুশ্শাকাটি, আদি অঞ্চলত প্ৰধানকৈ অভিবাসী মুছলমান বা ভাটীয়া লোকে বাস কৰে। তদুপৰি বিলাসীপাৰা চহৰ, চাপৰ চহৰ আৰু ইয়াৰ ওচৰ-পাজৰৰ অঞ্চলসমূহত প্ৰায় সকলো জনগোষ্ঠীৰ লোকে একত্ৰভাৱে বসবাস কৰি আহিছে।

**১.৫.০ঃ পূৱ বিলাসীপাৰা অঞ্চলৰ আৰ্থ-সামাজিক দিশ ঃ**

পূৱ বিলাসীপাৰা অঞ্চলৰ আৰ্থসামাজিক অৱস্থা অসমৰ অন্যান্য ঠাইৰ আৰ্থসামাজিক অৱস্থাতকৈ বৰ বেছি পৃথক নহয়। এই অঞ্চলটোত অজস্ৰ চৰ-চাপৰি আছে। আৰ্থসামাজিক দিশত অৰ্থনীতি, শিক্ষা, স্বাস্থ্য আদি সাঙোৰ খাই থাকে। বৰ্তমান সময়ত এই অঞ্চলৰ অন্যান্য অঞ্চলৰ লগতে চৰাঞ্চলতো কিছু পৰিমাণে আৰ্থিক, শিক্ষা আৰু চিকিৎসাৰ ব্যৱস্থা বা সুবিধা উন্নত হৈছে।

এই অঞ্চলৰ লোকসকল প্ৰধানকৈ ক্ষুদ্ৰ ব্যৱসায়ী। জীৱিকাৰ বাবে দোকান-পোহাৰ বা কাঠমিস্ত্ৰি, ৰাজমিস্ত্ৰি, গাড়ীচালক, কৃষক কৰ্মচাৰী আদিয়ে প্ৰধান আছিল। বৰ্তমান কিন্তু অৱস্থান কিছু উন্নতি হোৱা দেখা যায়। শিক্ষাৰ প্ৰসাৰণৰ ফলত উচ্চ শিক্ষাৰে শিক্ষিত হৈ নানা পদবীত চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে চৰাঞ্চলৰ লোক সকল প্ৰধানকৈ কৃষিজীৱী আৰু কঠোৰ পৰিশ্ৰমী। ঐতিহাসিকভাৱে চৰৰ লোক সকলে দৈহিক পৰিশ্ৰমকে জীৱিকাৰ মূল উপাদান হিচাপে ব্যৱহাৰ কৰি আহিছে। হাবি ভাঙি, প্ৰকৃতিৰ কঠোৰ প্ৰতিকূলতাকো নেওচি অসমৰ অনাবাদী পতিত, চৰ অঞ্চলৰ প্ৰথমে এওঁলোকেই উৎপাদনশীল কৰি তুলিছিল। শিক্ষা প্ৰসাৰণৰ ফলত নৱ শিক্ষিত প্ৰজন্মই অন্যান্য ব্যৱসায় আৰু চাকৰি কৰিবলৈ লৈছে। এই অঞ্চলৰ অন্যান্য জনগোষ্ঠীৰ লোকৰ ভিতৰত বঙালী, মাৰোৱাৰী সকল প্ৰধানকৈ ব্যৱসায় বাণিজ্যৰ সৈতে জড়িত। ৰাজবংশী লোকসকল কৃষি আৰু অন্যান্য বৃত্তিত জড়িত। কিছু বৃত্তিয়াল গোষ্ঠী যেনে- মৎসজীৱী, মৃৎশিল্পী, কমাৰ, কুমাৰ সম্প্ৰদায়ৰ লোক সকল নিজ নিজ বৃত্তিৰ উপৰিও অন্যান্য বৃত্তিও গ্ৰহণ কৰা দেখা যায়। স্কুল, কলেজ আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপনৰ ফলত অশিক্ষিত লোকৰ হাৰ কমি আহিছে আৰু

জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱা পৰিলক্ষিত হৈছে। এই অঞ্চলত দুখন মহাবিদ্যালয় আৰু ছখন উচ্চতৰ মাধ্যমিক চৰকাৰী বিদ্যালয় আৰু কেবাটাও বেচৰকাৰী প্ৰতিষ্ঠানৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে, লগতে অজস্ৰ চৰকাৰী-বেচৰকাৰী প্ৰাথমিক তথা মাধ্যমিক বিদ্যালয় আছে। এই শিক্ষা প্ৰতিষ্ঠান সমূহত বৰ্তমান সময়ত দুৰ্গম চৰাঞ্চলৰ পৰাও ল'ৰা-ছোৱালী শিক্ষা গ্ৰহণ কৰিবলৈ আহিবলৈ লৈছে। ইয়ে শিক্ষিতৰ হাৰ বৃদ্ধি কৰাৰ লগতে সামাজিক অৱস্থাৰ উন্নতকৰণত সহায়ক হৈছে।

আদিতে মানুহবোৰ গাওঁত একত্ৰভাৱে বসবাস কৰিছিল। এই অঞ্চলৰ লোকৰ ঘৰ-দুৱাৰ নিৰ্মাণ প্ৰণালী অন্য অসমীয়া গাঁওলীয়া ঘৰ-দুৱাৰ নিৰ্মাণৰ সৈতে একেই। গাওঁলীয়া পৰিবেশত উচ্চ শিক্ষা আৰু পৰ্যাপ্ত জ্ঞানৰ অভাৱত নানা কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ নানা আচাৰ-ক্ৰিয়া কৰিছিল। ৰোগৰ চিকিৎসাৰ বাবে বেজ-বেজালিত বিশ্বাস কৰিছিল। বৰ্তমান সময়তো ভিতৰুৱা বহু অঞ্চল তথা চৰ আদিত লোক চিকিৎসা পদ্ধতি, বেজ-কবিৰাজ আদিৰ জৰা-ফুকা, তাবিজ মাদল আদিত বিশ্বাসী লোক আছে। চিকিৎসাৰ ক্ষেত্ৰত নানা চৰকাৰী আঁচনিৰ সুফল স্বৰূপে অসংখ্য ভিতৰুৱা অঞ্চলৰ লোকে সুচিকিৎসা লাভ কৰিবলৈ সক্ষম হৈছে। এই অঞ্চলত স্বাস্থ্যকেন্দ্ৰ দুটা,. ৰাজ্যিক চিকিৎসালয় তিনিটা, ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এটা, বিভাৱ ইন জি. এইচ. ছি এটা আছে।

যাতায়ত ব্যৱস্থাৰ বাবে এই অঞ্চলটিৰ মাজেৰে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ গৈছে। স্থলপথৰ বাবে অসংখ্য আলিবাট নিৰ্মাণ কৰা হৈছে। চৰাঞ্চলৰ বহু স্থানত যোগাযোগৰ বাবে জনপথ আৰু নাওৰ ব্যৱহাৰেই প্ৰধান। বৰ্তমান কালত যি বাট পথ নিৰ্মিত হয় সেয়া বাৰিষা কালত জহি খহি চাব নোৱাৰা অৱস্থা হৈ যায়। চৰাঞ্চলত মান্ধাতা যুগৰ যাতায়ত ব্যৱস্থাই ইয়াৰ শিক্ষা, স্বাস্থ্য আৰু কৃষিজাত সামগ্ৰীৰ বিপনন আদি আৰ্থসামাজিক উন্নয়ণৰ পৰিপন্থী বুলি বিবেচিত হৈছে।

প্ৰসঙ্গটীকা ঃ

১। Hadson, R.A. _ Sociolinguistics, 1996. p.1

২। গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ ঃ সমাজ-ভাষা বিজ্ঞান ঃ এটি চমু আভাস 'ভাষাৰ তত্ত্বকথা', পৃঃ ৩৪

৩। মৰল, দীপাংকৰ ঃ উপভাষা বিজ্ঞান, পৃঃ ৪১-৪২

৪। কৰ্মকাৰ, অমূল্য কুমাৰ ঃ ইতিহাসেৰ আলোকে চাপৰ এষ্টেট, পৃঃ ১৮

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

# পূৰ বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ ধ্বনিতত্ত্ব

## ২.১.০. ঃ দেশী ভাষাৰ ধ্বনিতত্ত্ব ঃ

গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰ ধ্বনি সাতটা আৰু স্বৰধ্বনিৰ ক্ষেত্ৰত শালকোচীয়া বা দেশী ভাষা মূল গোৱালপৰীয়াৰে সৈতে একেই। অৰ্থাৎ এই কথা ৰূপটোতো সাতটা স্বৰধ্বনি বিদ্যমান। এই ধ্বনি কেইটা হ'ল ই, উ, এ, ও, এ', অ, আ।

দেশী ভাষাৰ স্বৰধ্বনিসমূহক জিভাৰ অংশ অনুযায়ী তিনিভাগত ভগাব পাৰি ঃ

ক) সম্মুখ

খ) মধ্য

গ) পশ্চ

জিভাৰ অৱস্থান উচ্চতা অনুসৰি চাৰিটা ভাগত ভগাব পাৰি ঃ

ক) উচ্চ

খ) উচ্চ- মধ্য

গ) মধ্য- নিম্ন

ঘ) নিম্ন

ওঁঠৰ আকৃতি অনুযায়ী তিনিটা ভাগত ভগাব পাৰি ঃ

ক) বিবৃত্তৌষ্ঠ্য

খ) পূৰ্ণ বিবৃত্তৌষ্ঠ্য

গ) সংবৃত্তৌষ্ঠ্য

জিভাৰ অংশ, অৱস্থান, আকৃতি অনুসৰি এখন তালিকাভূক্ত কৰি দেখুওৱা হ'ল ঃ

| জিভাৰ অংশ<br>ওঁঠৰ আকৃতি<br>জিভাৰ অৱস্থান | সন্মুখ<br>বিবৃত্তৌষ্ঠ্য | মধ্য<br>পূৰ্ণ বিবৃত্তৌষ্ঠ্য | পশ্চ<br>সংবৃত্তৌষ্ঠ্য |
|---|---|---|---|
| উচ্চ | ই ($i$) | | উ ($u$) |
| উচ্চ-মধ্য | এ' (e) | | ও (o) |
| মধ্য-নিম্ন | এ (E) | | অ (D) |
| নিম্ন | | আ (a) | |

এই বিশিষ্ট স্বৰধ্বনিসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

ক) উচ্চ সন্মুখ, বিবৃত্তৌষ্ঠ্য ই ($i$) ঃ এই ধ্বনিৰ উচ্চাৰণত সম্পূৰ্ণ জিভা আলুৰফালে দাং, খাই উঠে আৰু ওঁঠৰ আকৃতি চেপেটা হৈ বায়ুপ্ৰবাহ বাহিৰলৈ উলিয়াই দিয়া হয়। দেশী ভাষাত এই ধ্বনিৰ প্ৰয়োগ ঘটা অজস্ৰ শব্দ পোৱা যায়। তাৰে কেইটামান উদাহৰণ এনেধৰণৰ- ইফালে (এইফালে) ইংকা (এনেকুৱা), ঝগ্ৰি (মুখচোকা তিৰোতা) ইত্যাদি।

খ) উচ্চ-মধ্য, সন্মুখ বিবৃত্তৌষ্ঠ্য এ' (e) ঃ এই ধ্বনি উচাচৰণ কৰোঁতে জিভাৰ আগ একেবাৰে উচ্চতম অৱস্থানতকৈ সামান্য কেন্দ্ৰৰ পিনে থাকে আৰু ওঁঠৰ আকৃতি চেপেটা হয়। দেশী ভাষাত এই ধ্বনিৰ দ্বাৰা গঠিত বিভিন্ন শব্দ পোৱা যায়। উদাহৰণস্বৰূপে- এ'ত্তি (ইয়াত), নে' (লোৱা), মে'লা (মেলা) ইত্যাদি।

গ) নিম্ন-মধ্য, সন্মুখ বিবৃত্তৌষ্ঠ্য এ (E) ঃ এই ধ্বনি উচ্চাৰণত জিভাৰ আগ সামান্য তললৈ নমাই আনি কেন্দ্ৰৰ ফালে পিছুৱাই লোৱা হয় আৰু ওঁঠ সম্পূৰ্ণ বিবৃত হৈ পৰে। এন্দুৰ (নিগনি), ঝামেলা (অসুবিধা), কেনে (কিয়) আদি।

ঘ) নিম্ন-মধ্য, পূৰ্ণ সংবৃত্তৌষ্ঠ্য আ (a) ঃ এই ধ্বনি উচ্চাৰণত জিভা একেবাৰে তললৈ নামি কেন্দ্ৰত উচ্চাৰিত হয় আৰু ওঁঠ সম্পূৰ্ণ মেল খাই যায়। এই ধ্বনিৰ দ্বাৰা সৃষ্ট কেইটামান শব্দৰ উদাহৰণ হ'ল- আন্লুং/আনিলুং (আনিলো), আশিবো (আহিব), পাছ্ৰা (চাদৰ) আদি।

ঙ) উচ্চ, পশ্চ সংবৃত্তৌষ্ঠ উ (u) ঃ দেশী ভাষাত এই ধ্বনিৰ উচ্চাৰণ কৰোঁতে জিভাখন ওপৰলৈ উঠাই ওঁঠৰ আকৃতি ঘোৰ খুৱাই লোৱা হয়। এই ধ্বনিৰ দ্বাৰা সৃষ্টি শব্দকেইটামান এনেধৰণৰ-

উশ্না (সিজা), হালুৰা (হালোৰা), পুশনা (বনভোজ) আদি।

চ) উচ্চ-মধ্য, পশ্চসংবৃত্তৌষ্ঠ্য ও (o) ঃ এই ধ্বনি জিভামূল অলপ তললৈ নমাই আৰু ওঁঠ গোলাকাৰ কৰি উচ্চাৰণ কৰা হয়। উদাহৰণ- ওশ্শি (উৰহী), ওলাইশ (ওলাবা), বোঝা (বোজা) ইত্যাদি।

ছ) নিম্ন-মধ্য, পশ্চ সংবৃত্তৌষ্ঠ্য অ (D) ঃ এই ধ্বনি জিভা-মূল নামি গৈ কিঞ্চিত কেন্দ্রত উচ্চাৰিত হয়, লগতে ওঁঠৰ আকৃতি ঘোৰ খাই পৰে। উদাহৰণস্বৰূপে - অশুক (অসুখ), অল্প (অলপ), কল্শি (কলহ)।

**শালকোচীয়া বা দেশী ভাষাত প্ৰাপ্ত বিশিষ্ট স্বৰধ্বনিৰ বিৰোধ ঃ**

শালকোচীয়া বা দেশী ভাষাৰ বিশিষ্ট স্বৰসমূহৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য-তিনিও স্থানত প্ৰয়োগ থকা দেখিবলৈ পোৱা যায়। উল্লেখিত স্বৰধ্বনিসমূহৰ প্ৰয়োগ সম্পৰ্কে তলত বিতং আলোচনা কৰা হ'ল-

| | আদ্য | মধ্য | অন্ত্য |
|---|---|---|---|
| ই ঃ | ইশাৰা (ইঙ্গিত) | কৰিয়া (কৰি) | মান্শি (মানুহ) |
| | ইল্লা (এইবোৰ) | কান্দিয়া (কান্দি) | বশ্শি (বৰশি) |
| উ ঃ | উম্বা (সিহঁত) | কল্লুং (কৰিলোঁ) | হবু (হবা) |
| | তুম্বা /তুমিবা (তোমালোক) | মুতুৰা | কৰ্বু (কৰিবা) |
| এ ঃ | এ'টি/এ'ণ্ডি (ইয়াত) | বে'টী (জীয়েক) | জেম্নে( যেনেকৈ) |
| | এ'লা (এতিয়া) | মে'লা (মেলা) | দে' (দিয়া) |
| ও ঃ | ওলা (ওলোৱা) | বোঝা (বোজা) | গাও (শৰীৰ) |
| | ওটা (সেইটো) | বোকা (মতা পাৰ) | যাও (যোৱা) |
| এ ঃ | এন্দুৰ (এন্দুৰ) | বেল (ফল) | জইন্নে (কাৰণে) |
| | এম্নে (এনেই) | কৰেক (কৰা) | কইলে (ক'লে) |
| অঃ | অলপো (অলপ) | কশম (শপত) | কঅ (কোৱা) |
| | অমনে (তেনেকৈ) | ফল (ফল) | থঅ (থোৱা) |

| | | | |
|---|---|---|---|
| আ ঃ | আশিল (আহিল) | জুআন (ডেকা) | নাউআ (নাপিত) |
| | আতাফল | তাৱাই (তাৰৈ) | জাম্বুৰা (ৰকাবটেঙা) |

**দ্বিস্বৰধ্বনি ঃ**

দেশী ভাষা বা শালকোচীয়া ভাষাত মান্য অসমীয়াত প্ৰাপ্ত সীমিত দ্বিস্বৰৰ প্ৰয়োগৰ সলনি অজস্ৰ দ্বিস্বৰ, ত্ৰিস্বৰৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। তদুপৰি এই আঞ্চলিক কথ্যৰূপত চতুঃস্বৰ আৰু পঞ্চস্বৰৰ প্ৰয়োগ হোৱাও পৰিলক্ষিত হয়। তলত তেনে দ্বিস্বৰ, ত্ৰিস্বৰ, চতুঃস্বৰ আৰু পঞ্চস্বৰৰ উল্লেখ উদাহৰণ সহ কৰা হ'ল-

দ্বিস্বৰ ঃ

ইউ-- ঘিউ (ঘি), জিউ (জীৱন)

অই -- দৈ, বইতেলি (বেয়া তিৰোতা)

আও -- খেদাও (খেদি দিয়া), বাও (বতাহ)

আই -- বাইগন (বেঙেনা), ধাৰাই (ঢাৰি)

উআ -- গুৱা (তামোল), কুআ (কুঁৱা) ইত্যাদি

ত্ৰিস্বৰ ঃ

আইঅ -- নাইঅৰ (বোৱাৰীয়ে পিতৃগৃহলৈ যোৱা), কাইঅ (কোনেও)

আওআ-- হাওৱা (বতাহ), ছাওৱা (সৰু ল'ৰা-ছোৱালী)

এওআ -- দেওআ (আকাশ), নেওৱা (লোৱা)

আউআ-- কাউআ (কাউৰী)

চতুঃস্বৰ ঃ

আইএও-- চাইতেও (কৈও)

আওএই-- খাওএই (খুৱাই)

আওআই-- মাওৱাই (আমৈ)

পঞ্চস্বৰ ঃ

আওআইআ-- ভাওৱাইআ

এওআইএ--   দেওৰাইএ

**২.১.২ ঃ দেশী ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি ঃ**

মান্য অসমীয়া ভাষাত ২টা শ্ৰুতিধ্বনিকে ধৰি ২৩টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায়। কিন্তু পূব বিলাসীপাৰা অঞ্চলৰ কথাৰূপ দেশী ভাষাত ২৭টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। সেইকেইটা হ'ল- প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ, ট, ঠ, ড, ঢ, চ, ছ, জ, ঝ, ম, ন, ঙ, ল, ৰ, শ, হ। ইয়াৰ লগতে এই ভাষাত 'ৱ' আৰু 'য়' অৰ্ধস্বৰ দুটাও বিদ্যমান।

এইসমূহ বিশিষ্ট ব্যঞ্জনধ্বনিৰ উচ্চাৰণৰ স্থান অনুসৰি এইকেইটা ভাগত ভগাব পাৰি ঃ

ক) ঔষ্ঠ্য

খ) দন্ত্য

গ) দন্তমূলীয় মূৰ্ধান্য

ঘ) কণ্ঠ্য

ঙ) তালব্য দন্তমূলীয়

চ) দন্তমূলীয়

ছ) কণ্ঠনালীয়

**উচ্চাৰণৰ ধৰণ অনুসৰি নিম্নোক্ত ধৰণে ভগাব পাৰি ঃ**

ক) স্পৰ্শ

খ) নাসিক্য

গ) কম্পিত

ঘ) পাৰ্শ্বিক

ঙ) উষ্ম

চ) ঘৃষ্ট

তদুপৰি ধ্বনিগুণ অনুসৰি বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক অঘোষ-সঘোষ আৰু অল্পপ্ৰাণ-মহাপ্ৰাণ- আদি ভাগত বিভক্ত কৰিব পাৰি।

দেশীভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান, ধৰণ আৰু ধ্বনিগুণ অনুসৰি এখন তালিকাপ্ৰস্তুত কৰি দেখুৱাব পাৰি ঃ

| উচ্চাৰণ স্থান | | ঔষ্ঠ্য | | দন্ত্য | | দন্তমূলীয় | | মূৰ্ধান্য দন্তমূলীয় | | অলব্য দন্তমূলীয় | | কণ্ঠ্য | | কণ্ঠ্যনালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অ ঃ | স ঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | স |
| স্পৰ্শধ্বনি | অল্পপ্ৰাণ | প/p/ | ব/b/ | ত/t/ | দ/d/ | | | ট/ṭ/ | ড/ḍ/ | | | ক/k/ | গ/g/ | | |
| | মহাপ্ৰাণ | ফ/ph/ | ভ/bh/ | থ/th/ | ধ/dh/ | | | ঠ/ṭh/ | ঢ/ḍh/ | | | খ/kh/ | ঘ/gh/ | | |
| ঘৃষ্ট | অপ্পপ্ৰাণ | | | | | | | | | চ/ts/ | জ/dz/ | | | | |
| | মহাপ্ৰাণ | | | | | | | | | ছ/s/ | ঝ/dzh/ | | | | |
| নাসিক্য ঃ | | | ম/m/ | ন/n/ | | | | | | | | | ঙ/ŋ/ | | |
| পাৰ্শ্বিক ঃ | | | | | | | ল/l/ | | | | | | | | |
| কম্পিত ঃ | | | | | | | ৰ/ɹ/ | | | | | | | | |
| উষ্ম ঃ | | | | | | | | | | | শ/ʃ/ | | | | হ/h/ |
| অৰ্ধস্বৰ ঃ | | | ৱ/w/ | | | | | | | | য়/y/ | | | | |

দেশী ভাষাৰ কথ্যৰূপটোত বিশিষ্ট ব্যঞ্জন ধ্বনি 'ঙ'ৰ আদ্য প্ৰয়োগ দেখিবলৈ পোৱা নাযায়। তদুপৰি বিশিষ্ট ব্যঞ্জনধ্বনি সমূহৰ দুই-এটাৰ সীমিত প্ৰয়োগৰ বাহিৰে অধিকাংশৰে আদি, মধ্য আৰু অন্ত্য প্ৰয়োগ পোৱা যায়।

উচ্চাৰণৰ স্থান আৰু ধৰণ-অনুযায়ী ব্যঞ্জনধ্বনি সমূহৰ বিৱৰণ তলত দিয়া ধৰণৰ -

প /p/ ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, ঔষ্ঠ্য অঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত প্ৰয়োগ এনেধৰণৰ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| পিয়াশ (পিয়াহ) | পিপ্‌ৱা (পিপৰা) | চেপা (চেপি দিয়া) |
| পাশুৰি (পাহৰি) | চেপ্‌টা (চেপেটা) | হাপা (নেউল) |

ফ/ph/ ঃ ই স্পৰ্শ, মহাপ্ৰাণ, ঔষ্ঠ্য অঘোষ ব্যঞ্জনধ্বনি। ইয়াৰ শব্দত আদ্য, মধ্য, অন্ত্য প্ৰয়োগ এনেধৰণৰ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ফক্কৰ (দুষ্ট) | ধৰফৰা (ছটপটোৱা) | লাফ (জপিওৱা) |

ব /b/ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, ঔষ্ঠ্য সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ এনেধৰণৰ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| বুৰা (বুঢ়া) | শবুৰ (ধৈৰ্য্য) | খাবু / খাবি (খাবা) |

ভ/bh/ ঃ ই স্পৰ্শ, মহাপ্ৰাণ, ঔষ্ঠ্য ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ পোৱা যায়।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ভাইজবা (ভাজিবলৈ) | কাজল | জাহাজ |

ত/t/ঃ ই স্পৰ্শ, মহাপ্ৰাণ, ঔষ্ঠ্য ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ পোৱা যায়।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| তালা (তলা) | তুল্‌তুলা (কোমল) | চাতি (চাকি) |

থ/th/ ঃ  ই স্পৰ্শ, মহাপ্ৰাণ, দন্ত অঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ বিভিন্ন স্থানত ইয়াৰ প্ৰয়োগ পোৱা যায়।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| থালি (থাল) | পাথ্ৰ (শিল) | থ' (থৈ দিয়া) |

দ/d/ঃ  ই স্পৰ্শ, অল্পপ্ৰাণ, দন্ত্য, ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ এনে ধৰণৰ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| দাৰি (দাড়ি) | হুদুম | কাদো /কাদং (বোকা) |

ধ/dh/ ঃ ই স্পৰ্শ, মহাপ্ৰাণ, দন্ত্য ঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ধূলা (ধূলি) | বিধান | হাইলধা (হালধীয়া) |

ট /ʈ/ঃ  ই স্পৰ্শ অল্পপ্ৰাণ দন্তমূলীয় মূৰ্ধান্য অঘোষ ধ্বনি ।

| আদ্য | মধ্য | অন্ত্য |
|---|---|---|
| টোপ্লা (টোপোলা) | কঁতটুক (কিমানখিনি) | ফাটা (ফটা) |

ঠ/ ʈh/ ঃ  ই স্পৰ্শ মহাপ্ৰাণ দন্তমূলীয় মূৰ্ধাণ্য অঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ঠাল (ডাল) | কাঠল (কঁঠাল) | লাঠি (মাৰি) |

ড/ɖ/ঃ ই স্পৰ্শ অল্পপ্ৰাণ দন্তমূলীয় মূৰ্ধান্য ঘোষ ধ্বনি ।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ডালা (ডলা) | -- | হাড্‌ডি (হাড়) |

ঢ/ɖh /ঃ ই স্পৰ্শ, মহাপ্ৰাণ, দন্তমূলীয়, মূৰ্ধান্য ঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ঢোল (ঢোল) | -- | -- |

ক/k/ ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, কণ্ঠ্য অঘোষধ্বনি।

| আদ্য | মধ্য | অন্ত্য |
|---|---|---|

| | | |
|---|---|---|
| কল্শি (কলহ) | উকুণ (ওকণি) | কৰুক (কৰক) |

খ/kh/ঃ ই স্পর্শ মহাপ্রাণ কণ্ঠ্য অঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| খৰি (খৰি) | পাখ্ৰা (পখৰা) | লাখ |

গ/g/ঃ ই স্পর্শ, অল্পপ্রাণ, ঘোষ, কণ্ঠ্য ব্যঞ্জন ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| গলা (ডিঙি) | বাইগন (বেঙেনা) | ভাগ (পলা) |

ঘ/gh/ঃ ই স্পর্শ মহাপ্রাণ কণ্ঠ্য ঘোষ ধ্বনি ।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ঘাশ (ঘাঁহ) | -- | মাঘ |

চ/ts/ঃ ই ঘৃষ্ট অল্পপ্রাণ তালব্য দন্তমূলীয় অঘোষ ধ্বনি।

| আদ্য | মধ্য | অন্ত্য |
|---|---|---|
| চাকৰ | কেচ্ৰা (দুষ্ট) | চাচা (খুৰা) |

ছ /s/ঃ ই ঘৃষ্ট মহাপ্রাণ তালব্য দন্তমূলীয় অঘোষধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ছাৰা (ছাতি) | কাছাৰ (নদীৰপাৰ) | কাছ' |

জ/dz/ঃ ই ঘৃষ্ট অল্পপ্রাণ তালব্য দন্তমূলীয় ঘোষধ্বনি।

| আদ্য | মধ্য | অন্ত্য |
|---|---|---|
| জাল (জাল) | কাজল | জাহাজ |

ঝ/dzh/ ঃ ই ঘৃষ্ট মহাপ্রাণ তালব্য দন্তমূলীয় অঘোষধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ঝৰি (বৰষুণ) | ঝৰ্ঝৰা (সলসলীয়া) | বুঝ (বুজা) |

ম/m/ঃ ই নাসিক্য ঔষ্ঠ্য সঘোষ ব্যঞ্জন ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|

| | | |
|---|---|---|
| মাছ | কামাৰ (কমাৰ) | যাইম (যাম) |

ন/n/ঃ ই নাসিক্য দন্ত্য সঘোষ ব্যঞ্জন ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| নাম | টানিয়া (টানি) | শজনা (ছজিনা) |

ঙ/$\eta$/ঃ ই নাসিক্য কণ্ঠ্য সঘোষ ব্যঞ্জন ধ্বনি। ইয়াৰ শব্দত আদি প্ৰয়োগ পোৱা নাযায়।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| --- | নাঙল | নাকং, (নকওঁ) |

ল/ $\ell$/ ঃ ই পাৰ্শ্বিক দন্তমূলীয় ঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| লাল (ৰঙা) | ঝালুক (জলকীয়া) | কালা (ক'লা) |

ৰ /r/ঃ ই কম্পিত দন্তমূলীয় ঘোষধ্বনি ।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ৰশুন (নহৰু) | কৰিলুং (কৰিলো) | ধৰফ্ৰা (ছটপট কৰা) |

শ/ ʃ /ঃ ই উষ্ম, দন্তমূলীয় তালব্য সঘোয় ব্যঞ্জন ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| শালি (খুলশালি) | কাশাৰ (কাঁহ) | মান্‌শি (মানুহ) |

হ/h/ঃ উষ্ম কণ্ঠনালীয় সঘোষ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| হালকা (পাতল) | শাহশ (সাহস) | দেহা (দেহ) |

ৱ/w/ঃ ই ঔষ্ঠ্য, সন্তোষ অৰ্ধস্বৰ ধ্বনি। শব্দৰ আদিত ইয়াৰ প্ৰয়োগ বিৰল। শব্দৰ মধ্য আৰু অন্ত্য স্থানত ইয়াৰ প্ৰয়োগ এনে-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| -- | তাবাই (তাৱৈ) | হাওৱা (বতাহ) |

য়/y/ঃ ই তালব্য দন্তমূলীয়, সঘোষ অৰ্ধস্বৰ ধ্বনি।

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| -- | কয়টা (কেইটা) | শহায় (সহায়) |

**যুক্ত ব্যঞ্জন ঃ**

দেশী ভাষাত যুক্ত ব্যঞ্জনৰ ব্যৱহাৰ হোৱা দেখা যায়। শব্দৰ আদিতে কথ্যৰূপটোত দ্বিত্বব্যঞ্জন পোৱা নাযায়। শব্দৰ আদিতে 'ৰ' যুক্ত হোৱা শব্দসমূহত বৰ্ধিত স্বৰধ্বনিটো শব্দৰ আদিত থকা ব্যঞ্জনৰ আগত উচ্চাৰিত হয় আৰু সংযুক্ত ব্যঞ্জন দুটা বিশিষ্ট হৈ একক ব্যঞ্জন হৈ পৰে।

উদাহৰণ স্বৰূপে ঃ

পৰ-- প্ৰায় -- পেৰায় / পৰায়

ঘৰ ঘ্ৰাণ -- ঘেৰাণ

গৰ-- গ্ৰাম -- গেৰাম্

পপ-- থাপ্পৰ, খাপ্পৰ

বব-- ডাব্বা, ছাব্বা (হাতৰ ছাব্বা)

বদ-- শব্দ, জব্দ

কক-- কক্ বক্

গগ-- শগ্গায় (সকলোৱে)

ঙঙ-- টেঙ্ঙা (টেঙা)

তত-- শইত্তো (সত্য), কুত্তা (কুকুৰ)

দদ-- পদ্দা (পৰ্দা), শদ্দায় (সদায়)

ডড-- হাড্ডি (হাড়)

**শ্বাসাঘাত ঃ**

শ্বাসাঘাতৰ ক্ষেত্ৰত দেশীভাষাত গোৱালপৰীয়া অন্যান্য কথ্যৰূপৰ লগতে কামৰূপী উপভাষা দৰে শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰে। উদাহৰণস্বৰূপে ঃ

টুক্ৰা (টুকুৰা)

খুছ্ৰা (খুচুৰা)

কুম্ৰা (কোমোৰা)

তুম্ৰা (তোমালোক)

জাব্ৰা (জাবৰ) ইত্যাদি।

**২.১.৩ ঃ মান্য অসমীয়া আৰু দেশী ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক আলোচনা ঃ**

১) শালকোচীয়া ভাষা মান্য অসমীয়া ভাষাৰে প্ৰশাখা হোৱা হেতুকে এই কথ্যৰূপটোত ব্যৱহৃত হোৱা বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহ প্ৰায় মান্য অসমীয়াৰ সৈতে একেই, মাথো কেইটামান ধ্বনিৰ পাৰ্থক্যতা পোৱা যায়। মান্য অসমীয়াত ৮ টা বিশিষ্ট স্বৰধ্বনি পোৱা যায় য'ত দেশী ভাষাত ৭ টা বিশিষ্ট স্বৰ পোৱা যায়। মান্যত প্ৰাপ্ত ' অ ' ধ্বনি দেশী ভাষাত অনুপস্থিত। ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত মান্যত থকা ২৩ টা বিশিষ্ট ব্যঞ্জন আছে আৰু দেশী ভাষাত ২৭ টা বিশিষ্ট ব্যঞ্জন ধ্বনি আছে। 'ঝ'ৰ ব্যৱহাৰ মান্যত নাই কিন্তু দেশী কথ্যৰূপটিত আছে। আনহাতে 'য', 'স'ৰ প্ৰয়োগ দেশী ভাষাত নাই।

২) স্বৰৰ অনুনাসিকতাৰ ক্ষেত্ৰত এই কথ্যৰূপৰ মান্যৰ সৈতে সাদৃশ্যতা পৰিলক্ষিত হয়। স্বৰ অনুনাসিকতা দেশী ভাষাৰো বিশিষ্ট ধ্বনি। উদাহৰণ স্বৰূপে-

| | |
|---|---|
| বাও (বতাহ) | বাওঁ (বাওঁফালে) |
| গাও (গা / শৰীৰ) | গাওঁ (গাওঁ) আদি। |

৩) মান্য অসমীয়া আৰু দেশী ভাষা দুয়োতে দ্বিস্বৰ, ত্ৰিস্বৰৰ প্ৰয়োগ আছে, কিন্তু মান্যৰ তুলনাত দেশী ভাষাত বহু বেছি দ্বিস্বৰৰ প্ৰয়োগ হয়। এনেকি এই কথ্যৰূপত চতুঃস্বৰৰ লগতে পঞ্চস্বৰৰ প্ৰয়োগো হয়। যেনে-

**দ্বিস্বৰ ঃ**

**মান্য অসম ঃ**

অউ - মৌ, বৌ

অও - হওক, থওক

আও - নাও, ভাও

উআ - দুৱাৰ

**দেশী ভাষা -**

অউ - বউ (বৌ), শউগ (সকলো)

অও - বওনাই (ভিনিহি), কওনাই (কোৰা নাছিলা)

আও - বাও (বতাহ), দেখাও (দেখোৱা)

উঅ / উএ - গুৱা / গুৱে, কুৱা / কুৱে ইত্যাদি।

মান্য অসমীয়াত ত্রিস্বৰৰ প্রয়োগ কম।

এউইআ - দেউলীয়া

আওইআ - ভাঙৰীয়া

দেশী ভাষাত কিন্তু প্রচুৰ ত্রিস্বৰ ধ্বনিৰ প্রয়োগ হয়।

উইএ - থুইএ / থুইআ (থৈ)

আইআ - খাইআ (খাই), আনিয়া (লৈ আহি)

চতুঃস্বৰ ঃ

আইএও - খাইতেও (খাঁওতেও)

আওআই - তাওৱাই (তাৰৈ)

পঞ্চস্বৰ ঃ

আওআইআ - যাওৱাইআ (যাওঁতা)

এওআইএ - নেওৱাইএ (লওঁতা)

৪) মান্য অসমীয়াত ওচৰা-ওচৰিকৈ থকা দুটা 'আ' ধ্বনি পৰৱৰ্তী 'আ' 'অ' বা 'এ' লৈ পৰিৱৰ্তন হয়। কিন্তু এই ভাষাত ওচৰা-ওচৰিকৈ দুটা 'আ' ধ্বনি থকা দেখা যায়। এই বৈশিষ্ট্য কামৰূপী উপভাষাতো পৰিলক্ষিত হয়।

| মান্য | দেশী | কামৰূপী |
|---|---|---|
| ৰজা | ৰাজা | ৰাজা |
| ক'লা | কালা | কালা |
| টকা | টাকা | তকা / তাকা আদি। |

৫) শ্বাসাঘাতৰ ক্ষেত্ৰত দেশী ভাষাত গোৱালপৰীয়া অন্যান্য কথ্যৰূপৰ লগতে কামৰূপী উপভাষাৰ দৰে শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰে, য'ত মান্যত উপধা অক্ষৰত পৰে।

| | |
|---|---|
| মান্য | দেশী |
| টুকুৰা | টুক্ৰা |
| খুচুৰা | খুচ্ৰা |
| মকৰা | মাক্ৰা আদি। |

৬) স্বৰসংগতি দেশী ভাষাৰ অন্যতম বৈশিষ্ট্য। স্বৰসংগতিৰ ফলত দেশী ভাষাত পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰত থকা নিম্ন স্বৰধ্বনিলৈ অথবা নিম্ন স্বৰ ধ্বনিৰ প্ৰভাৱত উচ্চ স্বৰধ্বনি নিম্ন স্বৰ ধ্বনিলৈ ৰূপান্তৰিত হয়।

| | |
|---|---|
| মান্য | দেশী |
| কাপোৰ | কাপুৰ |
| ছাতি | ছাতা |
| সোণ | শোনা। |

৭) মান্য অসমীয়াৰ দৰে এই কথ্যভাষা ৰূপটিত স্বৰ সংকোচন নহয়।

| | |
|---|---|
| মান্য | দেশী |
| পঢ়ি | পৰিয়া |
| দেখি | দেখিয়া |
| বান্ধি | বান্দিয়া আদি। |

৮) মান্যত থকা আদি 'আ' দেশী ভাষাত লোপ পায় আৰু কেতিয়াবা পদান্তৰ দ্বিস্বৰধ্বনি 'অই / আই' হিচাপে উচ্চাৰিত হয়।

| | |
|---|---|
| মান্য | দেশী |
| আখৈ | খৈ |
| আমৈ | মাৱাই |
| মিঠৈ | মিঠাই আদি। |

৯) মহাপ্ৰাণ স্পৰ্শধ্বনিবোৰ দেশী ভাষাৰ শব্দৰ মধ্যস্থানত অল্পপ্ৰাণ ধ্বনি হিচাপে উচ্চাৰিত হয়। মান্য অসমীয়াত এনে হোৱা পৰিলক্ষিত নহয়।

| মান্য | দেশী |
|---|---|
| বন্ধু | বন্দু |
| শোভা | শোবা |

১০) মান্যত শব্দৰ আদি স্থানত ব্যৱহাৰ হোৱা অল্পপ্ৰাণ ধ্বনি দেশী ভাষাত মহাপ্ৰাণ ধ্বনিৰূপে উচ্চাৰিত হয়।

| মান্য | দেশী |
|---|---|
| বাঁহ | ভাশা |
| কঁথা | খেতা |
| বেশ | ভেশ |

১১) দেশী ভাষাত কেতিয়াবা শব্দত দ্বিত ব্যঞ্জনৰ প্ৰয়োগ হয়।

| মান্য | দেশী |
|---|---|
| কিছু | কিচ্ছু |
| চাপৰ | থাপ্পৰ |
| সৰু | ছোট্ট আদি। |

১২) সমীভৱনৰ ক্ষেত্ৰত দেশী ভাষাত প্ৰগত, পৰাগত আৰু অন্যান্য সমীভৱন হোৱা দেখা পাওঁ।

প্ৰগত ঃ

পদ্ম 〉 পদ্দ

আত্মা 〉 আত্তা

বুদ্ধি 〉 বুদ্দি

পৰাগত ঃ

কৰ্তা 〉 কত্তা

কীৰ্তম 〉কীত্তন

চাৰিটা 〉চাইট্টা

বিসমীভৱণ ঃ

শৰীৰ 〉শৰিল

সাঁচা 〉শাচ্চা

লাডু 〉লাড্ডু

১৩) ধ্বনি বিপৰ্যয়, স্বৰভক্তি এই কথ্যৰূপত সচৰাচৰ ব্যৱহাৰ হৈ থকা দেখা যায়।

ধ্বনি বিপৰ্যয় ঃ

| | |
|---|---|
| স্বামী | ভাতাৰ |
| ডেকচি | ডেচকি |

স্বৰভক্তি ঃ

| | |
|---|---|
| গ্ৰাম | গেৰাম |
| প্ৰাণ | পৰাণ |
| ট্ৰাক | টেৰাক |

১৪) অল্পপ্ৰাণীভৱন দেশী ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য

| | |
|---|---|
| মান্য | দেশী |
| বুধ | বুদ |
| লোভ | লোব |
| দুখ | দুক |

১৫) মান্য অসমীয়াত নোপোৱা কিছু উপাদান দেশী ভাষাত পোৱা যায়। এয়া সম্ভৱত তিব্বত-বৰ্মী ভাষাৰ প্ৰভাৱৰ ফল। বড়ো, ৰাভা ভাষাত পোৱা w (উ') কোনো কোনো অঞ্চলত উচ্চাৰিত হয়। উমৰু,' তুমৰু আদি শব্দৰ উচ্চাৰণত এই উ' ধ্বনিৰ উপস্থিতি অনুভূত হয়।

১৬) আকৌ দেশী ভাষাৰ আন এক ধ্বনিগত বৈশিষ্ট্য হ'ল 'ওঁ' প্ৰত্যয়ৰ সলনি 'ওং /উং'ৰ উচ্চাৰণ। এই ভাষাত অনুনাসিক ধ্বনিৰ অনুপস্থিতিত 'ওঁ'ৰ ঠাইত ওং/উং হিচাপে উচ্চাৰিত

হয়। যেনে ঃ

| মান্য | দেশী | |
|---|---|---|
| লওঁ | নেং | |
| কওঁ | কং | |
| যাওঁ | যাং | আদি। |

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় অসমীয়া ভাষাৰ এক উপভাষিক আঞ্চলিক ৰূপ শালকোচীয়া বা দেশী ভাষাৰ ধ্বনিতত্ত্বত মূল অসমীয়াৰ সৈতে সাদৃশ্যতা আছে যদিও স্বকীয় বৈশিষ্ট্যতা থকাও পৰিলক্ষিত হয়।

**২.২.০ ঃ ভাটীয় ভাষাৰ ধ্বনিতত্ত্ব ঃ**

**২.২.১ ঃ ভাটীয়া ভাষাৰ স্বৰধ্বনি ঃ**

চৰ-চাপৰিত বসবাস কৰা বা অভিবাসী মুছলমান সকৰ কথ্যৰূপটোত ৯টা বিশিষ্ট স্বৰধ্বনি পোৱা যায়। এইবোৰ হ'ল- ই, উ, এ', ও, এ, অ', অ্যা, আ, অ। এই বিশিষ্ট স্বৰধ্বনিসমূহক জিভাৰ অংশ অনুসৰি তিনি ভাগত ভগাব পাৰি-

ক) সন্মুখ

খ) কেন্দ্ৰীয়

গ) পশ্চ

আকৌ জিভাৰ অৱস্থান অনুসৰি চাৰিটা ভাগত ভগাব পাৰি-

ক) উচ্চ

খ) উচ্চ - মধ্য

গ) মধ্য - নিম্ন

ঘ) নিম্ন

তদুপৰি ওঁঠৰ আকৃতি অনুযায়ী তিনি ভাগত ভগাব পাৰি-

ক) সংবৃত্তৌষ্ঠ্য

খ) বিবৃত্তৌষ্ঠ্য

গ) পূৰ্ণ বিবৃত্তৌষ্ঠ্য

জিভাৰ অংশ, অৱস্থান, আকৃতি অনুসৰি তলত দিয়া ধৰণে এখন তালিকা প্ৰস্তুত কৰি দেখুৱাব পাৰি-

| জিভাৰ অংশ<br>ওঁঠৰ আকৃতি<br>জিভাৰ অৱস্থান | সন্মুখ<br>বিবৃত্তৌষ্ঠ্য | কেন্দ্ৰীয়<br>পূৰ্ণ বিবৃত্তৌষ্ঠ্য | পশ্চ<br>সংবৃত্তৌষ্ঠ্য |
|---|---|---|---|
| উচ্চ | ই / $i$ / | | উ / $u$ / |
| উচ্চ-মধ্য | এ’ / e / | | ও / o / |
| মধ্য নিম্ন | এ / E / | | অ’ / ɔ / |
| নিম্ন | অ্যা /æ/ | আ / a / | অ / D / |

এই বিশিষ্ট স্বৰধ্বনি সমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ’ল ঃ

ক) উচ্চ, সন্মুখ, বিবৃত্তৌষ্ঠ ই / $i$ /ঃ এই ধ্বনিৰ উচ্চাৰণত জিভা আলুৰ পিনে দাংখাই উঠে আৰু ওঁঠৰ আকৃতি চেপেটা হৈ বায়ুপ্ৰবাহ বাহিৰলৈ উলিয়াই দিয়া হয়। ভাটীয়া ভাষাত এই ধ্বনি উচ্চাৰিত অজস্ৰ শব্দ পোৱা যায়। যেনে ঃ ইম্মুৰা (ইফালে), ইচ্ছা, বাইওে ( ঘৰত) ইত্যাদি।

খ) উচ্চ-মধ্য সন্মুখ বিবৃত্তৌষ্ঠ্য এ’/e/ ঃ এই ধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ আগ একেবাৰে উচ্চতম অৱস্থানতকৈ সামান্য কেন্দ্ৰৰ পিনে থাকে আৰু ওঁঠৰ আকৃতি চেপেটা হয়। এই ধ্বনি উচ্চাৰিত বিভিন্ন শব্দ আছে। উদাহৰণ স্বৰূপে-এ’গৰে (সিহঁতৰ), কোনে’ (কলৈ), মানে’ (অৰ্থ) ইত্যাদি।

গ) নিম্ন, মধ্য, সন্মুখ বিবৃত্তৌষ্ঠ্য এ /E/ ঃ এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগ সামান্য তললৈ নমাই আনি কেন্দ্ৰৰ ফালে পিছুৱাই লোৱা হয় আৰু ওঁঠ সম্পূৰ্ণ বিবৃত হৈ পৰে। এই ধ্বনিৰ দ্বাৰা গঠিত শব্দ কেইটামানৰ উদাহৰণ এনেধৰণৰ ঃ এতো (ইমান) , এমুন (এনেকুৱা)।

ঘ) নিম্ন, সন্মুখ বিবৃত্তৌষ্ঠ্য অ্যা /æ/ঃ এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগ তললৈ নামি আহে আৰু কেন্দ্ৰৰ ফালে পিছুৱাই যায়। লগতে ওঁঠ সম্পূৰ্ণ বিবৃত হৈ পৰে। এই ধ্বনিৰ দ্বাৰা গঠিত শব্দ কেইটামানৰ উদাহৰণ এনেধৰণৰ - ক্যা (কিয়) খ্যাৰ (খেৰ), প্যালা (পাত্ৰ) ইত্যাদি।

ঙ) নিম্ন, কেন্দ্ৰীয় পূৰ্ণবিবৃত্তৌষ্ঠ্য আ /a/ঃ এই ধ্বনি উচ্চাৰণত জিভা একেবাৰে তললৈ

নামি কেন্দ্রত উচ্চাৰিত হয় আৰু ওঁঠ সম্পূৰ্ণ মেল খাই যায়। এই ধ্বনিৰ দ্বাৰা সৃষ্ট কেইটামান শব্দ এনেধৰণৰ- আংগোৰে (আমাৰ), পাইবা (পাবা), আক্'শ (আকাশ) আদি।

চ) উচ্চ, পশ্চ, সংবৃত্তৌষ্ঠ্য উ /u/ঃ এই ধ্বনি উচ্চাৰণ কৰোঁতে জিভামূল ওপৰলৈ উঠাই ওঁঠৰ আকৃতি ঘোৰ খুবাই লোৱা হয়। এই ধ্বনিৰ দ্বাৰা সৃষ্ট কেইটামান শব্দ এনেধৰণৰ- উজান (উজাই যোৱা) উম্মুৰা (সেইফালে), খামু (খাম) আদি।

ছ) উচ্চ-মধ্য পশ্চ সংবৃত্তৌষ্ঠ ও /o/ঃ এই ধ্বনি জিহ্বামূল অলপ তললৈ নমাই আৰু ওঁঠ গোলাকাৰ কৰি উচ্চাৰণ কৰা হয়। যেনে ঃ ওগো (সিহঁতৰ), যাওগা (যোৱা) আদি।

জ) মধ্য-নিম্ন, পশ্চ সংবৃত্তৌষ্ঠ্য অ' /ɔ/ঃ এই ধ্বনি উচ্চাৰণত জিভা মূল নামি গৈ কিঞ্চিত কেন্দ্রত উচ্চাৰিত হয়, লগতে ওঁঠৰ আকৃতি গোলাকাৰ হয়। এই ধ্বনিৰ দ্বাৰা গঠিত শব্দ কেইটামান হ'ল - অ'মুন (তেনেকুৱা), অলপু' (অলপ) আদি।

ঝ) নিম্ন, পশ্চ, সংবৃত্তৌষ্ঠ অ /D/ঃ এই ধ্বনি উচ্চাৰণত জিভামূল সম্পূৰ্ণ তললৈ নামি আহে আৰু ওঁঠ গোলাকাৰ হৈ পৰে। এই ধ্বনিৰ দ্বাৰা গঠিত শব্দকেইটামান এনেধৰণৰ- অলপু (অলপ), অশময়, (অসময়), মশম (খেতিৰ সময়) ইত্যাদি।

**ভাটীয়া ভাষাত প্ৰাপ্ত বিশিষ্ট স্বৰধ্বনিসমূহৰ বিৰোধ ঃ**

এই কথ্য ভাষাৰূপটিত প্ৰাপ্ত বিশিষ্ট স্বৰধ্বনিসমূহৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য-প্ৰয়োগ পোৱা যায়। উল্লেখিত স্বৰধ্বনিসমূহৰ প্ৰয়োগৰ তলত বিতং আলোচনা দিয়া হ'ল ঃ

| | আদি | মধ্য | অন্ত্য |
|---|---|---|---|
| ইং /i/ঃ | কিৰে (কিহে?) | বাইওে (ঘৰত) | জানি (জানো) |
| | ইচ্ছা | এইহানি (অতি অলপ) | কৰিনাই(কৰা নাই) |
| উ /u/ঃ | উজান (উজাই যোৱা) | বাগুন (বেঙেনা) | কালু (ক'লা) |
| | উম্মুৰা (সেইফালে) | কৰুম (কৰিম) | খালু (মহা) |
| এ' /e/ঃ | এ'গাৰো (এঘাৰ) | ছেৰি (ছোৱালী) | মানে' (অৰ্থ) |
| | এ'গৰে (ইহঁতৰ) | | কোনে' (কলৈ) |
| ও /o/ঃ | ওতি (সেইজন) | খাওগা (খোৱা) | আমাগো (আমাৰ) |
| | ওগো (সিহঁতৰ) | গোল (ঘূৰণীয়া) | চগো/চংগো (মৈ) |

| | | | |
|---|---|---|---|
| এ /E/ঃ | এতো (ইমান) | কৰেন (কৰক) | কবে (কেতিয়া) |
| | এবা (এনেকুৱা) | ধৰেন (ধৰক) | আহনে (আপুনি) |
| অ্যা /æ /ঃ | -- | দ্যাশ (দেশ) | অন্যা (সেইবিলাক) |
| | -- | খ্যাৰ (খেৰ) | ক্যা (কিয়) |
| অ' /ɔ/ঃ | অ'মুন (তেনেকুৱা) | ম'ন (মন) | অলপ' (অলপ) |
| অ /D/ঃ | অশুক (অসুখ) | গৰম | কম (অলপ) |
| | অশময় (অসময়) | মশম (খেতিৰ সময়) | হইব (হ'ব) |
| | অলপু (অলপ) | কশম (শপত) | যাইব (যাব) |
| আ /a/ঃ | আমাৰ (মোৰ) | আকা্শ | যাইবা (যাবা) |
| | আহুন (এতিয়া) | পেছাল (গল্প) | আশ্বা (আহিবা) |

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে মান্য অসমীয়া আৰু দেশী ভাষাত নথকা 'অ্যা' ধ্বনিটো ভাটীয়া উপভাষাত বিদ্যমান। এই ক্ষেত্রত ই বাংলা ভাষাৰ উপভাষা কিছুমানৰ সৈতে সাদৃশ্যতা ৰক্ষা কৰিছে। এই 'অ্যা' ধ্বনিৰ আদ্য প্রয়োগ কিন্তু ভাটীয়া ভাষাত পাবলৈ নাই। আকৌ দেশী ভাষাত নথকা ' অ ' ধ্বনিৰ প্রয়োগ এই কথ্যভাষা ৰূপটোত আছে। ই মান্য অসমীয়াতো পোৱা যায়। মনকৰিবলগীয়া যে কোনো কোনো পণ্ডিতে 'অ্যা' ধ্বনিক বিশিষ্ট স্বৰধ্বনিৰ তালিকাত অন্তর্ভূক্ত নাই যদিও এই ধ্বনিৰ স্পষ্ট প্রয়োগ এই কথ্যভাষাত আছে।

**দ্বিস্বৰধ্বনি ঃ**

দেশী ভাষাত অজস্র দ্বিস্বৰ, ত্রিস্বৰ ধ্বনিৰ প্রয়োগ থকাৰ উপৰিও চতুঃস্বৰ আৰু পঞ্চস্বৰো প্রয়োগ আছে। ভাটীয়া ভাষাৰ ক্ষেত্রত দ্বিস্বৰ ধ্বনিৰ প্রয়োগ আছে যদিও ত্রিস্বৰধ্বনিৰ প্রয়োগ সীমিত ক্ষেত্রত হয়। কথা কোৱাৰ তীব্রতাত অর্থাৎ খৰকৈ কথা কওঁতেহে ত্রিস্বৰধ্বনি উচ্চাৰিত হয়। তলত তেনে দ্বিস্বৰ, ত্রিস্বৰৰ উল্লেখ উদাহৰণ সহ কৰা হ'ল -

**দ্বিস্বৰ ঃ**

ইও দিও (দিবা)

এও- নেও (লোৱা)

আই - মাৱাই (আমৈ)

আও-	খাও (খোৱা)

**ত্রিস্বৰ ঃ**

আইআ - বাইআ (বাওঁহতীয়া)

ইআই- বিআই (তাৰৈ)

**২.২.২ ঃ বিশিষ্ট ব্যঞ্জনধ্বনি ঃ**

ভাটীয়া কথা ভাষা ৰূপত ২৭টা বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু দুটা অৰ্ধস্বৰ পোৱা যায়। এইবোৰ হ'ল- প,ফ, ব, ভ, ত, থ, দ, ধ, ট, ঠ, ড, ঢ, ক, খ, গ, ঘ, চ, ছ, জ, ঝ,ম, ন, ঙ, ল, ৰ, শ, হ আৰু অৰ্ধস্বৰ- ব়, য়।

উক্ত বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান অনুসৰি এইকেইটা ভাগত ভগাব পাৰি-

ক) ঔষ্ঠ্য

খ) দন্ত্য

গ) দন্ত্যমূলীয় মূৰ্ধাণ্য

ঘ) কণ্ঠ্য

ঙ) তালব্য দন্তমূলীয়

চ) দন্তমূলীয়

ছ) কণ্ঠনালীয়

উচ্চাৰণৰ ধৰণ অনুসৰি এনেদৰে ভগাব পাৰি-

ক) স্পৰ্শ

খ) নাসিক্য

গ) কম্পিত

ঘ) ঘৃষ্ট

ঙ) উষ্ম

চ) পাৰ্শ্বিক

ধ্বনিগুণ অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক অঘোষ-সঘোষ, অল্পপ্ৰাণ, মহাপ্ৰাণ আদি ভাগত ভগাব পাৰি।

ভাটীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি সমূহক উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এখন তালিকা প্ৰস্তুত কৰি দেখুৱাব পাৰি ঃ

| উচ্চাৰণ স্থান | | ঔষ্ঠ্য | | দন্ত্য | | দন্তমূলীয় | | মূৰ্ধান্য দন্তমূলীয় | | অলব্য দন্তমূলীয় | | কণ্ঠ্য | | কণ্ঠ্যনালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অ ঃ | স ঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | সঃ | অঃ | স |
| স্পৰ্শধ্বনি | অল্পপ্ৰাণ | প/p/ | ব/b/ | ত/t/ | দ/d/ | | | ট/ʈ/ | ড/ɖ/ | | | ক/k/ | গ/g/ | | |
| | মহাপ্ৰাণ | ফ/ph/ | ভ/bh/ | থ/th/ | ধ/dh/ | | | ঠ/ʈh / | ঢ/ɖh / | | | খ/kh/ | ঘ/gh/ | | |
| ঘৃষ্ট | অপ্লপ্ৰাণ | | | | | | | | | চ/ts/ | জ/dz/ | | | | |
| | মহাপ্ৰাণ | | | | | | | | | ছ/s/ | ঝ/dzh/ | | | | |
| উষ্ম ঃ | | | | স/$x$ | | | | | | | শ/ʃ/ | | | | |
| নাসিক্য ঃ | | | ম/m/ | ন/n/ | | | | | | | | | ঙ/$\eta$/ | | |
| পাৰ্শ্বিক ঃ | | | | | | | ল/l/ | | | | | | | | |
| কম্পিত ঃ | | | | | | | ৰ/℘/ | | | | হ/h/ | | | | |
| অৰ্ধস্বৰ ঃ | | | ৱ/w/ | | | | | | | | য়/y/ | | | | |

(৩৪)

ভাটীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ কেইটামান ধ্বনিৰ বাহিৰে গোটেইবোৰৰে শব্দৰ তিনিও স্থানত প্ৰয়োগ আছে। ‘ঙ’ ধ্বনিৰ আদ্য প্ৰয়োগ পোৱা নাযায়।

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি ব্যঞ্জন ধ্বনিসমূহৰ বিতৰণ তলত দিয়া ধৰণৰ ঃ

প /p/ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, ঔষ্ঠ্য, অঘোষ ব্যঞ্জনধ্বনি। শব্দৰ আদি, মধ্য আৰু অন্ত্য প্ৰয়োগ এনেধৰণৰ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| পুত্তুল (পুতলা) | কেইপটা (কৃপণ) | শাপ (সাপ) |

ফ /ph/ঃ ই স্পৰ্শ, মহাপ্ৰাণ, ঔষ্ঠ্য, অঘোষ, ব্যঞ্জনধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ এনেধৰণৰ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ফুৰুং / ফৰিং (জিএগা পখিলা গোটেই মিলি) | মাফলাৰ | লাফ (জপিওৱা) |

ব /b/ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, ঔষ্ঠ্য সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| বয় (ভয়) | শাবান (চাবোন) | শাহেব (ইতিকিং অৰ্থত) |

ভ/bh/ ঃ ই স্পৰ্শ, মহাপ্ৰাণ, ঔষ্ঠ্য ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ বিৰল।

ত /t/ঃ ই স্পৰ্শ, অল্পপ্ৰাণ, দন্ত্য, অঘোষ ব্যঞ্জন ধ্বনি।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| তৰকাৰী (পাচলি) | তুলতুলা (কোমল) | পাতা (পাত) |

থ /th/ ঃ ই স্পৰ্শ, মহাপ্ৰাণ, দন্ত্য অঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ আদি স্থানত ইয়াৰ প্ৰয়োগ পোৱা যায় যদিও মধ্য আৰু অন্ত্যত প্ৰয়োগ প্ৰায় নাই।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| থালি (থাল) | -- | -- |

দ /d/ঃ ই স্পর্শ, অল্পপ্রাণ, দন্ত্য, ঘোষ ব্যঞ্জনধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| দুগ্‌ল (দুৱৰি বন) | বদ্‌না (লোটা) | বেব্‌দা (বিধৱা) |

ধ/dh/ঃ ই স্পর্শ, মহাপ্রাণ, দন্ত্য, ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ধুলা (ধূলি) | | |

ট/t/ঃ ই স্পর্শ, অল্পপ্রাণ, দন্তমূলীয় মূৰ্ধান্য, অঘোষ ব্যঞ্জনধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| টাক্‌লা (তপামূৰা) | - | - |
| টোক্‌লা (টোপোলা) | | |

ঠ/th/ঃ ই স্পর্শ মহাপ্রাণ, দন্তমূলীয় মূৰ্ধান্য, অঘোষ ব্যঞ্জন ধ্বনি। আদ্য প্ৰয়োগ আছে যদিও মধ্য আৰু অন্ত্য প্ৰয়োগ নাই-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ঠলা (ধানৰ বীজ সাঁচি ৰখা পাত্ৰ) | -- | -- |

ড/ɖ/ঃ ই স্পর্শ, অল্পপ্রাণ, দন্তমূলীয়, মূৰ্ধান্য, সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ | অন্ত্য |
|---|---|---|
| ডালি (খৰাহী) | কাডল (কঠাল) | বডি (মৈদা) |

ঢ /ɖh/ঃ ই স্পর্শ, মহাপ্রাণ, দন্তমূলীয় মূৰ্ধান্য, ঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ পোৱা নাযায়।

ক/k/ঃ ই স্পর্শ, অল্পপ্রাণ, কণ্ঠ্য, অঘোষ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| কলা (কল) | পুশকুনি (খাল) | বইশেক (বহা) |

খ/kh/ঃ ই স্পর্শ, মহাপ্রাণ, কণ্ঠ্য, অঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| খুন্তি | পুখুৰি (পুখুৰি) | - |

গ/g/ঃ ই স্পর্শ, অল্পপ্রাণ, কণ্ঠ্য, ঘোষধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ-

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| গেৰাম (গাওঁ) | বগ্লে (ওচৰত) | বাগ (বাঘ) |

ঘ /gh/ঃ ই স্পর্শ, মহাপ্রাণ, কণ্ঠ্য, ঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ নাই। 'ঘ'ৰ ঠাইত 'গ' ধ্বনিৰহে উচ্চাৰণ কৰা হয়।

চ/ts/ঃ ই ঘৃষ্ট, অল্পপ্ৰাণ, তালব্য দন্তমূলীয়, অঘোষ ধ্বনি। শব্দৰ আদি, মধ্য আৰু অন্ত্য ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| চাইল (চাউল) | পাচুন | পচা (গেলা) |

ছ /s/ঃ ই ঘৃষ্ট মহাপ্ৰাণ, তালব্য দন্তমূলীয়, অঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ছাগল (ছাগলী) | পাছ্ৰে (শেষৰ) | আলাইছ (এলেহুৱা) |

জ /dz/ঃ ই ঘৃষ্ট, অল্পপ্ৰাণ, তালব্য দন্তমূলীয়, ঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ --

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| জাটা (নাৰিকল বা বাঁহেৰে বনোৱা জাৰু) | মাইজলা (মাজৰ ) | খাজা (সৰু ল'ৰা-ছোৱালীৰ কিনি দিয়া বিস্কুট, মিঠাই আদি) |

ঝ/dzh/ঃ ই ঘৃষ্ট, মহাপ্ৰাণ, তালব্য দন্তমূলীয়, ঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ নাই।

ম /m/ঃ ই নাসিক্য, ঔষ্ঠ্য, সঘোষ ব্যঞ্জনধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ।

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| মইশ্না (ম'হে বেছিকৈ খোৱা ঘাঁহ) | কামাই (উপাৰ্জন) | কেৰুম (কেনেকুৱা) |

. /n/ঃ ই নাসিক্য, দন্ত্য, সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| নটা (নোটা) | মন্তৰ (মন্ত্ৰ) | বাগুন (বেঙেনা) |

ঙ / $\eta$ /ঃ ই নাসিক্য, কণ্ঠ্য, সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ আদি স্থানত ইয়াৰ প্ৰয়োগ নাই। মধ্য আৰু অন্ত্য স্থানত ইয়াৰ প্ৰয়োগ-

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| -- | নাঙল | শিঙি |

ল/ $\ell$ /ঃ ই পাৰ্শ্বিক, দন্তমূলীয়, ঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| লেত্ৰা (লেতেৰা) | মলন (মৰণা মৰা) | মেছাল (তিৰোতা) |

ৰ /r/ঃ ই কম্পিত, দন্তমূলীয়, ঘোষ ব্যঞ্জনধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| ৰাহো (লোৱা) | কৰুম (কৰিম) | কুমুৰ (কোমোৰা) |

শ / ʃ /ঃ ই উষ্ম, তালব্য দন্তমূলীয়, সঘোষ ধ্বনি। শব্দৰ তিনিও ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| শৰশ্যা (সৰিয়হ) | আশিন (আহিন মাহ) | নশা (দৰা) |

স / $x$ /ঃ ই উষ্ম, দন্ত্য, সঘোষ ব্যঞ্জন ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ -

| আদি | মধ্য | অন্ত্য |
| --- | --- | --- |
| স'শা (তিয়ঁহ) | -- | -- |

হ /h/ঃ ই উষ্ম, কণ্ঠ্যনালীয়, সঘোষ ব্যঞ্জন ধ্বনি শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| | | |
| --- | --- | --- |
| হাপ্তা (জাৰু) | শাহায্য (সাহায্য) | বেহা (বেঁকা) |

ৱ /w/ঃ ই ঔষ্ঠ্য সঘোষ অৰ্ধস্বৰ ধ্বনি। শব্দৰ আদিত আৰু মধ্যত ইয়াৰ প্ৰয়োগ প্ৰায় নাই যদিও আদিত এটা দুটা শব্দৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা দেখা যায়। অন্ত্য স্থানত প্ৰয়োগ পোৱা যায়।

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| ৱবা (তেনেকুৱা) | -- | গুৱা (তামোল) |

য় /y/ঃ ই তালব্য দন্তমূলীয়, সঘোষ অৰ্ধস্বৰ ধ্বনি। শব্দৰ তিনিও স্থানত ইয়াৰ প্ৰয়োগ ঃ

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| -- | ময়ুৰ (মৰাচৰাই) | কাইয়া (কাউৰী) |

ওপৰৰ আলোচনাৰ পৰা দেখা যাব যে ভাটীয়া কথ্যৰূপটিত বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ শব্দৰ তিনিও স্থানত প্ৰয়োগ পোৱা যায় যদিও কিছুসংখ্যক সীমিত প্ৰয়োগহে হয়। 'ঙ', 'য়' ধ্বনিৰ আদ্য প্ৰয়োগ নাই। ভ, ঢ,ঘ, ঝ ধ্বনিৰ প্ৰয়োগ শব্দৰ তিনিও স্থানত পাবলৈ নাই। আনহাতে ম, ধ, ট, ঠ, খ আদিৰ মধ্য আৰু অন্ত্য প্ৰয়োগ নাই, কাচিৎহে এটা দুটা পোৱা যায়। 'ল', 'ৰ'ৰ আদ্য প্ৰয়োগ শিক্ষিত শ্ৰেণীৰ লোকেহে কৰা দেখা যায়।

**যুক্ত ব্যঞ্জন ঃ**

দেশী ভাষাত থকাৰ দৰে ভাটীয়া কথ্য ভাষাৰূপটিতো যুক্ত ব্যঞ্জনৰ প্ৰয়োগ আছে। এইক্ষেত্ৰত যুক্ত ব্যঞ্জনসমূহৰ প্ৰায় ভাগৰে দেশী ভাষাত প্ৰাপ্ত যুক্ত ব্যঞ্জন সমূহৰ সৈতে একে। তলত তেনে যুক্ত ব্যঞ্জনৰ উদাহৰণ দিয়া হ'ল-

| | |
|---|---|
| গৰ | গেৰাম (গ্ৰাম) |
| পৰ | পৰায় (প্ৰায়) |
| পপ | খাপ্পুৰ (থাপৰ), জাপ্পুইৰা (জোপোহা) |
| বদ | শব্দ, জব্দ |
| মব | জাম্বুৰা (ৰবাব টেঙা) |
| ডড | আড্ডি (হাড়) |
| নজ | মাঞ্জা (কঁকাল) |
| কত | অক্ত (তেজ) |
| লল | নহিল্লা (লেচেৰা), কইল্লা (তিতা কেৰেলা) |

তত		কুত্তা (কুকুৰ)

**শ্বাসাঘাত ঃ**

শ্বাসাঘাত ক্ষেত্ৰত ভাটীয়া ভাষা গোৱালপৰীয়া উপভাষাৰ সৈতে একে বৈশিষ্ট্যযুক্ত। অৰ্থাৎ ভাটীয়া ভাষাতো শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰে। উল্লেখযোগ্য যে ভাটীয়া ভাষাত দুটা অক্ষৰযুক্ত শব্দৰ আদি অক্ষৰত আৰু দুটাতকৈ অধিক অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত শ্বাসাঘাত পৰে। উদাহৰণস্বৰূপে-

কাক্‌ৰা (কেকোঁৰা)

মাক্‌ৰা (মকৰা)

কুম্‌ৰা (কোমোৰা)

কাইক্‌ৰল (ভাত কেৰেলা)

কইৰ্‌বাৰ (কৰিব)

কাউ্‌ন (কণী ধান)

কাইয়া (কাউৰী)

আম্‌ৰা (আমি) আদি।

**মান্য অসমীয়া আৰু ভাটীয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক আলোচনা ঃ**

১) পুৱ বিলাসীপাৰা অঞ্চলৰ ভাটীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি ৯টা পোৱা যায়। মান্য অসমীয়া বা দেশী ভাষাত নথকা 'অ্যা' ধ্বনিৰ ভাটীয়া ভাষাত উচ্চাৰণ আছে। বিশিষ্ট ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত মান্য অসমীয়াত পোৱা ২৩টাৰ ঠাইত ভাটীয়া ভাষাত ৩০ টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। যদিওৱা ৩০টা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ উচ্চাৰণ এই ভাষা-ভাষী লোকৰ মাজত পোৱা যায় তথাপি মূল পূৰ্ববংগীয় বা তৎসম শব্দৰ ক্ষেত্ৰত কেইটামান বিশিষ্ট ব্যঞ্জনৰ উচ্চাৰণ নাই। এইক্ষেত্ৰত মান্য অসমীয়া আৰু ইয়াৰ উপভাষাৰ প্ৰভাৱত কিছুমান ধ্বনিৰ উচ্চাৰণ হোৱা দেখা যায়। এই ভাষাত ধ, ঠ, ঢ, ঘ, ঝ আদি ধ্বনিৰ উচ্চাৰণ পোৱা নাযায় বা থাকিলেও বিৰল।

২) স্বৰৰ অনুনাসিকতা অসমীয়া তথা দেশী ভাষাৰ বিশিষ্ট ধ্বনি। ভাটীয়া ভাষাত কিন্তু স্বৰৰ অনুনাসিতা পোৱা নাযায়।

৩) দেশী বা শালকোচীয়া ভাষাত অজস্ৰ দ্বিস্বৰ, ত্ৰিস্বৰৰ লগতে চতুঃস্বৰ, পঞ্চস্বৰে আছে।

ভাটীয়া ভাষাত দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ আছে যদিও ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগ সীমিত ক্ষেত্ৰত হয়। কথা কোৱাৰ তীব্ৰতাতহে ত্ৰিস্বৰ উচ্চাৰিত হয়। মান্য অসমীয়াতো দ্বিস্বৰ বাদে বাকী ত্ৰিস্বৰ, চতুঃস্বৰৰ অভাৱ পৰিলক্ষিত হয়।

দ্বিস্বৰ ঃ

মান্য অসমীয়া ঃ

আও - যাও, খাও

উই - জুই

ওৱা - লোৱা

দেশী ভাষা ঃ

আই - বাইগন (বেঙেনা), ধাৰাই (ঢাৰি)

আই - দৈ

আও - দাও, ফেলাও (পেলোৱা)

ভাটীয়া ভাষা ঃ

ইও - দিও (দিবা)

আই - মাৱাই (আমৈ)

অই - শইতান

ত্ৰিস্বৰ ঃ

দেশী ভাষা -

আইআ - নাইঅৰ

এওআ - দেওবা

ভাটীয়া শব্দ ঃ

আইআ - কাইয়া (কাউৰী)

ইআই - বিআই

৪) দেশী ভাষাৰ দৰেই ভাটীয়া ভাষাতো ওচৰা-ওচৰিকৈ দুটা 'আ' ধ্বনি থকা দেখা যায়।

| মান্য | দেশী | ভাটীয়া |
|---|---|---|
| ৰজা | ৰাজা | ৰাজা |
| ভজা | ভাজা | বাজা |
| ফাল | ফালা | ফালা |

৫) মান্য অসমীয়াৰ উপধা অক্ষৰত শ্বাসাঘাত পৰাৰ বিপৰীতে ভাটীয়া ভাষাত দেশী ভাষাৰ অনুৰূপে আদি অক্ষৰত শ্বাসাঘাত পৰে।

| মান্য | দেশী | ভাটীয়া |
|---|---|---|
| মকৰা | মাক্ৰা | মাহ্ৰাশা |
| কোমোৰা | কুম্ৰা | কুম্ৰা |
| কেকোঁৰা | কাক্ৰা | কাহ্ৰা |

৬) ভাটীয় ভাষাত ভ〉,ব, ধ 〉দ, ঢ 〉ঢ, ঘ 〉গ ৰূপে উচ্চাৰিত হয়। অৰ্থাৎ মহাপ্ৰাণ ধ্বনিসমূহ অল্পপ্ৰাণ ৰূপে উচ্চাৰিত হয়। যেনে ঃ

ভ 〉ব

ভাল 〉বালো

ভিতৰত 〉বিত্ৰে

ভাত 〉বাত

ধ 〉দ ঃ

ধান 〉 দান

ধৰি 〉দইৰা

ধূলি 〉 দুলা

ঢ 〉ড ঃ

ঢোল 〉 ডোল

ঢিলা 〉 ডিলা

ঢাকোন 〉ডাকোন

ঘ 〉গ ঃ

ঘোঁৰা 〉গোৰা

ঘৰ 〉গৰ

বাঘ 〉বাগ

৭) মান্য অসমীয়াত নথকা ছ, জ, ঝ বিশিষ্ট ধ্বনিসমূহ মৈমনশিঙীয়া ভাষাত আছে। সেই অনুৰূপ ভাটীয়া ভাষাতো এই বিশিষ্ট ধ্বনিসমূহৰ প্ৰয়োগ আছে। মূলত থকা 'ঝ' ধ্বনিটো কেৱল ভাটীয়া ভাষাত 'জ' ৰূপে উচ্চাৰিত হয়।

চ ঃ

আদি - চাকা (পুলি)

মধ্য - বিচোন (বিছনি)

অন্ত্য - কাইচ (কাঁচ)

ছঃ

আদি - ছাল (ছাল)

মধ্য - সাছেৰ (শেষৰ)

অন্ত্য - মাছ

জ ঃ

আদি - জাল

মধ্য - মাইজলা (মাজৰ)

অন্ত্য - খাজা (মিঠাই)

গোৱালপৰীয়া উপভাষা আৰু ইয়াৰ আঞ্চলিক কথ্যৰূপ দেশী ভাষা উভয়তে প্ৰাপ্ত 'ঝ' ধ্বনি ভাটীয়া ভাষাত 'জ' ৰূপে উচ্চাৰিত হয়।

| দেশী | ভাটীয়া |
|---|---|
| ঝোপা (থোক) | জোপা |
| ঝাটা (জাৰু) | জাটা |

৮) মান্য অসমীয়াত প্ৰাপ্ত স ( $x$ ) ধ্বনিৰ উচ্চাৰণ দেশী ভাষাৰ লগতে ভাটীয়া ভাষাতো

'শ' ধ্বনিৰূপে উচ্চাৰিত হয়।

| মান্য | ভাটীয়া | দেশী |
|---|---|---|
| সকলো | শবি | শবে / শব |
| ষাঁড় | শাৰ | শাৰ |
| শ'ল | শৌল / শল | শৈল |
| বস | ৰশ | ৰশ আদি। |

৯) চৰাঞ্চলত বাস কৰা লোকসকলে কিছুমান শব্দৰ উচ্চাৰণত 'শ'ৰ উচ্চাৰণ 'হ' ৰূপে কৰা দেখা যায়।

| মান্য | ভাটীয়া |
|---|---|
| শুকান | হুকনে |
| শাক | হাক |
| শিয়াল | হিয়াল আদি। |

১০) মান্য অসমীয়াত থকা অন্ত্য 'হ' ধ্বনি কেতিয়াবা 'শ' ৰূপে উচ্চাৰিত হয়।

| মান্য | ভাটীয়া |
|---|---|
| বাঁহ | বাশ |
| হাঁহ | হাশ |
| মাহ | মাশ আদি। |

আদ্য স্থানৰ 'হ' ধ্বনিৰ ক্ষেত্ৰত চৰাঞ্চলৰ লোকে বিশেষকৈ মহিলা সকলে 'অ' উচ্চাৰণ কৰে।

| মান্য | ভাটীয়া |
|---|---|
| হাঁহ | আশ |
| হাত | আত |
| হাতী | আত্তি |

১১) 'ৰ' ধ্বনিৰ ক্ষেত্ৰতো আদ্য আৰু মধ্য স্থানত 'অ' ৰূপে উচ্চাৰিত হয়।

| | | |
|---|---|---|
| আদ্য | মান্য | ভাটীয়া |
| | ৰাতি | আইত |
| | ৰজা | আজা |

মধ্য ঃ ৰ 〉ই

| | |
|---|---|
| মান্য | ভাটীয়া |
| ঘৰত | বাৰিতে 〉বাইত্তে |
| জলকীয়া | মইচ |
| শৰীৰ | শৰীল 〉শইল |

কিন্তু সকলো ক্ষেত্রত এনে নহয় ঃ

| | | |
|---|---|---|
| মান্য | দেশী | ভাটীয়া |
| গৰম | গৰম | গৰম |
| লাজ | শৰম | শৰম |
| কোমল | নৰম | নৰম |

১২) আদ্য স্থানত থকা 'ল' ধ্বনি কেতিয়াবা 'ন' ধ্বনিৰূপে উচ্চাৰিত হয়।

| | |
|---|---|
| মান্য | ভাটীয়া |
| লাও | নাই |
| ৰঙা | লাল 〉লাল |
| লোন | নুন আদি। |

১৩) এই ভাষাত স্বৰ সংগতি হোৱা দেখা যায়।

| | |
|---|---|
| মান্য | ভাটীয়া |
| ক'লা | কালা |
| সোণ | শোনা |
| চকা | চাকা |
| কাপোৰ | কাপুৰ ইত্যাদি। |

১৪) এই ভাষাত সমীভৱন হোৱাও পৰিলক্ষিত হয় ঃ

পৰ্দা 〉 পদ্দা

জৰ্দা 〉 জদ্দা

শৰীল 〉 শৰিল / হৰিল

আঠটা 〉 আড্ডা

১৫) ধ্বনি বিপৰ্যয়, স্বৰভক্তি এই ভাষাত অজস্ৰ হোৱা দেখা যায়।

ধ্বনি বিপৰ্যয় ঃ

কুকুৰা 〉 কুৰ্‌কা

ধৰি 〉 দইৰা

কাটি 〉 কাইটা

বহি 〉 বইশা

স্বৰভক্তি ঃ

গ্ৰাম 〉 গেৰাম

ধৰ্ম 〉 দৰম

ট্ৰাং (বাকচ) 〉 টেৰাঙ আদি।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় মৈমনশিঙীয়া মূলৰ হ'লেও অসমত বসতি লোৱা অভিবাসী মুছলমানৰ শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰত ধ্বনি প্ৰয়োগ কিছুক্ষেত্ৰত মূলৰ সৈতে একে আছে যদিও বেছিভাগ ক্ষেত্ৰতে মান্য অসমীয়া আৰু ইয়াৰ উপভাষা সমূহৰ ওচৰ চাপি গৈছে। পূব বিলাসীপাৰা অঞ্চলৰ বসবাস কৰা অভিবাসী লোক সকলৰো ধ্বনি উচ্চাৰণত মান্য অসমীয়াৰ লগতে গোৱালপৰীয়া উপভাষাৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। এই অঞ্চলৰ ভাটীয়া লোকসকলৰ ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ অনুধাৱন কৰিলে দেখা যায় কিছুমান ধ্বনিতাত্ত্বিক বৈশিষ্ট্য মান্য অসমীয়াৰ সৈতে প্ৰায় একেই। তদুপৰি গোৱালপৰীয়া বা শালকোচীয়া দেশী ভাষাৰ সৈতে অধিক সামজস্যতা দেখা যায়।

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়
# পূৰ বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ
# ৰূপতত্ত্ব

৩.০.০ ঃ ৰূপ বা প্ৰাকৃতি (morpheme) হ'ল ৰূপতাত্ত্বিক আলোচনাৰ মূল একক। "ভাষা এটাৰ ৰূপ (morpheme), ৰূপৰ সংযোগ আৰু তেনে সংযোগৰ ফলত সৃষ্ট নতুন অৰ্থবাচক শব্দ বা পদগঠনৰ পৰ্যালোচনাই হৈছে সেই ভাষাটোৰ ৰূপতত্ত্ব।" [১] ৰূপতত্ত্বৰ মূল আধাৰ এই প্ৰাকৃতিৰ পৰাই প্ৰাতিপাদিক বা নাম প্ৰকৃতি, ধাতু প্ৰকৃতি, অব্যয় প্ৰকৃতি পোৱা যায়। লগতে প্ৰাকৃতিৰ পৰা সৰ্গ (affix) আৰু এই সৰ্গৰ পৰা। বিভক্তি (inflectives) আৰু প্ৰত্যয় (derivatives) নিৰ্ণিত হয়। আমাৰ আলোচ্য অধ্যায়ত দেশী ভাষা আৰু ভাটীয়া ভাষাৰ কথ্যৰূপৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ বিতং বিশ্লেষণ আগবঢ়োৱা হ'ব।

**৩.১.০ ঃ দেশী ভাষাৰ ৰূপতত্ত্ব ঃ**

শালকোচীয়া বা দেশী কথ্য ভাষাৰূপটিৰ শব্দ সাধন আৰু ৰূপান্তৰৰ উপাদান সমূহ দুই ভাগত ভগাব পাৰি-

ক) শব্দসাধনমূলক সৰ্গ

খ) বিভক্তিমূলৰ সৰ্গ

শব্দসাধনমূলক সৰ্গক তিনিটা ভাগত ভগাব পাৰি -

ক) কৃৎ

খ) তদ্ধিত

গ) উপসৰ্গ

আকৌ বিভক্তিসমূহক দুটা ভাগত ভগাব পাৰি-

ক) শব্দ বিভক্তি

খ) ক্ৰিয়া বিভক্তি

গঠনমূলক প্ৰত্যয় ঃ

ক) কৃৎ প্ৰত্যয় ঃ দেশীভাষাত কৃৎপ্ৰত্যয়ৰ সংযোগত বিশেষ্য, ক্ৰিয়াবাচক বিশেষ্য

আৰু বিশেষণ পদ গঠিত হয়।

তলৰ তেনে কেইটামান উদাহৰণ দাঙি ধৰা হ'ল-

**– আ ঃ**

কৰ্ - আ - কৰা

থ্ - আ - থওআ (থোৱা)

ঢাল্ - আ- ঢালা (বাকি দিয়া)

ঝাল্ - আ- ঝালা (জলা)

ঢাক্- আ- ঢাকা (ঢাকি ৰখা)

জা - আ জাওআ (যোৱা)

খা - আ খাওআ (খোৱা)

**-- আও ঃ**

কৰ - আ - কৰা

থ্ - আ- থওআ (থোৱা)

ঢাল্ - আ- ঢালা (বাকি দিয়া)

ঝাল্ - আ ঝালা (জলা)

ঢাক্- আ ঢাকা (ঢাকি ৰখা)

জা- আ জাওআ (যোৱা)

খা - আ খাওআ (খোৱা)

**– আও ঃ**

কৰ্ - আও - কৰাও (কৰোৱা)

ধৰ্ - আ - ধৰাও (ধৰাই দিয়া)

উঠ্- আও - উঠাও (উঠাই দিয়া)

ঢেক্কা - আও-ঢেক্কাও (ঠেলি দিয়া)

চৰ্ - আও - চৰাও (চৰ মৰা)

– আনি ঃ

ধু - আনি - ধুৱানি (ধুওৱা)

খাৱা - আনি- খাৱানি (খুওৱা)

ঘিৰ - আনি - ঘিৰানি (বেষ্টনী)

লেপ্ - আনি - লেপানি (লেপি লোৱা)

– আইয়া ঃ

কৰ্ - আইয়া - কৰাইয়া (কৰোঁতা)

ধৰ্ - আইয়া - ধৰাইয়া (ধৰোঁতা)

দে - আইয়া - দেৱাইয়া (দিওঁতা)

শুন্ - আইয়া - শুনাইয়া (শুনোতা)

দেখ্ - আইয়া - দেখাইয়া (দেখোতা)

– আৰু ঃ

জুৱা - আৰু - জুৱাৰু (জুৱা খেলা লোক)

ডুব - আৰু - ডুবাৰু

– ইয়া ঃ

কৰ্ - ইয়া - কৰিয়া (কৰি)

পৰ্ - ইয়া- পৰিয়া (পড়ি / পৰি যোৱা)

ধৰ্ - ইয়া - ধৰিয়া (ধৰি)

লৰ্ - ইয়া - লৰিয়া (লৰচৰ কৰি)

**খ) তদ্ধিত প্ৰত্যয় ঃ** দেশী ভাষাত তদ্ধিত প্ৰত্যয়ৰ সংযোগত ভিন্ন অৰ্থবাচক নতুন নতুন শব্দৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে ঃ

– আ ঃ

হলধি - আ - হালধিয়া (হালধীয়া)

মাটি - আ - মাটিয়া (মটীয়া)

ভাটি - আ - ভাটিয়া (ভাটীয়া)

– উৰা ঃ

মাছ - উৰা - মাছুৰা (মাছমৰীয়া)

ধাৰ্ - উৰা - ধাৰুৰা (ঋণী)

গাছ্ - উৰা - গাছুৰা (গছত হোৱা /থকা)

– ইয়া ঃ

ফল্ - ইয়া - ফুলিয়া (ফুটি উঠা)

কালা - ইয়া - কালিয়া (ক'লা)

**নির্দ্দিষ্টতাবাচক প্রত্যয় ঃ**

কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ বিশেষ্য বিশেষণ সৰ্বনাম আৰু সংখ্যাবাচাক শব্দৰ পিছত কিছুমান প্রত্যয় যুক্ত হয়। এইবোৰক নিৰ্দিষ্টতাবাচক প্রত্যয় বোলা হয়। দেশী ভাষাত প্ৰাপ্ত তেনে নিৰ্দিষ্ট তাবাচক প্রত্যয়সমূহ এনে ধৰণৰ ঃ

-- হাতা - কলাহাতা (কল আখি)

-- টা - বস্তুটা, আপেলটা

-- খান - কাগজখান (কাগজখন), চান্দৰখান (চাদৰখন)

-- খিনি - ধানখিনি, ছাৱাখিনি (সৰু ল'ৰাজন / সৰুছোৱালীজনী)

-- মুঠা - শাকমুঠা, পাণমুঠা।

-- কোছা - চুল / ছুলি কোছা, চাবি কোছা।

-- ঝোপা - আমেৰঝোপা।

-- থোপা - ফুলেৰথোপা, বাশেৰথোপা।

-- টুক্ৰা - মাছটুক্ৰা, কাঠেৰ টুক্ৰা

-- লাদা - গোবৰলাদা

-- বাৰী - বাগানবাৰী

-- গিলা - কাউআগিলা (কাউৰীবোৰ) মান্শিগিলা (মানুহবোৰ)

-- চাকা - আমেৰ চাকা, মাছেৰ চাকা (আমচকল, মাছ টুকুৰা)

-- গিটি - আপিগিটি (ছোৱালীজনী)

-- ঝাক - পখিৰঝাক, বগলীৰঝাক (চৰাইৰ জাক, বগলীৰ জাক)

-- বেলা - শইন্ধ্যাবেলা (সন্ধিয়া) একবেলা

-- ঘৰ - মানশিঘৰ

-- চিট্‌কা - একচিট্‌কা নুন / নিমখ (অলপমান নিমখ)

-- শাজ - একশাজ (এসাজ)

**অনিদিষ্টবাচক প্ৰত্যয় ঃ**

-- মান /-মানা - কয়টামান (কেইটামান) খানিমানা (অলপমান)

-- কয়েক - মাশকয়েক কয়েকটা মান্‌শি, কয়েকদিন।

-- দুই এক - দুই একটা কাম, দুই একে আনিব / আইন্‌ব।

-- চাইট্টা - দুই চাইট্টা, চাইট্টাভাত।

-- খানিক - মাশখানিক, কামখানিক।

-- খানি-মিনি- খানিমিনি বস্তু (অলপমান বস্তু), কামখানি-মিনি।

**উপসৰ্গ ঃ**

**অ ঃ**

অ - কাম - অকাম

অ - শুক - অশুক (অসুখ)

অ - কৰ্মা - অকৰ্মা (কাম কৰিব নজনা)

অ - ভদ্ৰ - অভদ্ৰ

অ - মিল - অমিল ইত্যাদি।

প্ৰায় প্ৰতিটোৱে নঞাৰ্থক অৰ্থত ব্যৱহৃত হয়।

**কু ঃ**

কু- কৰ্ম - কুকৰ্ম

কু - লক্ষী - কুলক্ষী

কু - শাইত - কুশাইত (অমঙ্গলীয়া)

নঞাৰ্থক অৰ্থত ব্যৱহাৰ হয়।

**বে ঃ নঞাৰ্থক অৰ্থত ঃ**

বে - আইনী - বেআইনী

বে - শৰম -বেশৰম (নিলাজ)

বে - দখল - বেদখল

বে - কায়দা - বেকায়দা (বিষমভাৱে)

বে - আদব - বেয়াদব (অভদ্ৰ)

বে - শুৰা - বেশুৰা (বেসুৰীয়া)

**শু – ঃ**

শু - গন্ধ - শুগন্ধ (সুগন্ধ)

শু - নাম - শুনাম (খ্যাতি)

**নি – ঃ**

নি - লজ্যা - নির্লজ্য (নিলাজ)

নি - শংগ - নিশ্শংগ (নিসংগ)

নি - কৰ্মা - নিশ্কৰ্মা (কাম নজনা)

নঞাৰ্থক অৰ্থত ব্যৱহৃত হয়।

**৩.১.১. ঃ বচন ঃ**

গোৱালপৰীয়া দেশী ভাষাত মান্য অসমীয়াৰ দৰেই বচন দুই প্ৰকাৰ- একবচন আৰু বহুবচন। এই কথ্যৰূপটোত বচন ব্যাকৰণগত নহয়।

**একবচন ঃ**

| বচন নিৰপেক্ষৰূপ | একবচনৰ প্ৰত্যয় | একবচন |
|---|---|---|
| মান্শি | -- টা | মান্শিটা |
| গাৰি | -- খান | গাৰিখান (গাড়ীখন) |
| গাছ | -- টা | গাছটা (গছটো) |
| কাঠল | -- টা | কাঠলটা (কঁঠালটো) |

বহুবচন ঃ

এই কথ্যৰূপত একবচনৰ পৰা বহুবচন কৰিবলৈ তিনিটা উপায় অৱলম্বন কৰা হয়। যথা-

ক) সংখ্যাবাচক শব্দৰ সংযোগত।

খ) শব্দৰ পুণৰাবৃত্তিৰ দ্বাৰা।

গ) বহুবচনাত্মক প্ৰত্যয়ৰ সংযোগত।

এই কথ্যৰূপত মান্য অসমীয়াৰ বহুবচনাত্মক প্ৰত্যয়বোৰৰ ৰূপ কিছু পৰিবৰ্তিত ৰূপত আৰু কিছুক্ষেত্ৰত সম্পূৰ্ণ সুকীয়া ৰূপত ব্যৱহৃত হোৱা দেখা যায়।

ক) সংখ্যাবাচক শব্দ শব্দৰ আগত বা পিছত ব্যৱহাৰ কৰি বচন নিৰ্ণয় কৰা হয়। এই ক্ষেত্ৰত 'দুই' শব্দৰ ব্যৱহাৰ দুটা বুজোৱাৰ লগতে বহুবচনতো প্ৰয়োগ হয়। উদাহৰণস্বৰূপে দেখুৱাব পাৰি দেশী ভাষাত 'দুইটা /দুইটে' শব্দই দুটা বুজোৱাৰ লগতে 'অলপ সংখ্যক'ত বুজায়।

দুইটা / দুইটে গৰু - দুটা অৰ্থত।।

'দুইটা / দুইটে ৰুগৰী পাৰি দেতো গাছেৰ থাকি।' (গছৰ পৰা কেইটামান ৰুগৰী পাৰি দিয়াচোন) --বহুবচন অৰ্থত।

**খ) শব্দৰ পুণৰাবৃত্তিৰ দ্বাৰা ঃ**

কিছুমান শব্দৰ পুণৰাবৃত্তি ঘটাই বহুবচন কৰাৰ উদাহৰণ দেশী ভাষাত আছে।

ঘৰে ঘৰে

বাজাৰে বাজাৰে (বজাৰে বজাৰে)

কি কি

কায় কায় (কোনে কোনে)

ঝোপা ঝোপা (থোকে থোকে)

থোপায় থোপায় ( থোকে থোকে)

জায় জায় (যিসকলে)

**গ) বহুবচনাত্মক প্ৰত্যয়ৰ সংযোগত ঃ**

বহুবচনাত্মক প্ৰত্যয়ৰ সংযোগতো বহুবচন কৰা হয়।

- গুলা / - গুলে / - গুলান (মান্য 'বোৰ') ঃ

- গুলা - মানশিগুলা (মানুহবোৰ)

- গুলে - মানুশগুলে

- গুলান - চেংৰাগুলান (ল'ৰাবোৰ)

- গিলা /- গিলান ঃ

ছাওৱাগিলা (ল'ৰা-ছোৱালীবোৰ)

এইগিলান (এইবোৰ)

- ঘৰ /- হৰ ঃ

বন্ধুঘৰ / হৰ (বন্ধুহঁত)

আতাহৰে / ঘৰে (ককাহঁতৰ)

- ৰা ঃ

আম্‌ৰা / আমিৰা (আমি)

উম্‌ৰা / উমিৰা (সিহঁত)

- লা ঃ

মান্‌শিলা (মানুহবোৰ)

গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ৰূপ হেতুকে উপভাষাটোত শব্দৰ আগত সমষ্টিবোধক পদ ব্যৱহাৰ কৰি বহুবচন কৰাৰ দৰে, দেশী ভাষাতো তেনে সমষ্টিবোধক শব্দৰ প্ৰয়োগ আছে। এইবোৰ এনেধৰণৰ-

মেলা ঃ

মেল্লা গুৱা (বহুতো তামোল)

মেল্লা ছাৱা (বহু ল'ৰা-ছোৱালী)

শোগ / শোউগ ঃ

শোগগিলা ফুল (সকলোবোৰ ফুল)

শোউগগুলা আপি (সকলোবোৰ ছোৱালী)

শগায় / শগাই / শবাই ঃ

শগায় / শবায় আইশ্‌বো (সকলোৱে আহিব)

তুম্ৰা / তুমি শগাই / শগায় মিলি নে। (তোমালোক সকলোৱে ভগাই লোৱা) ইত্যাদি।

**৩.১.২ ঃ লিংগ ঃ**

লিংগ প্ৰকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত দেশী ভাষা মান্য অসমীয়াৰ সৈতে বৰ বেছি পাৰ্থক্য থকা দৃষ্টিগোচৰ নহয়। মান্য অসমীয়াত যি তিনিপ্ৰকাৰ নিয়মৰ দ্বাৰা লিংগ নিৰ্ণয় কৰা হয় সেই একেই নিয়মৰ মাধ্যমত দেশী ভাষাৰ লিংগ নিৰ্ণয় কৰা হয়। কেৱলমাত্ৰ এইবোৰৰ ৰূপৰ কিছু পাৰ্থক্য মান্যৰ সৈতে থকা পৰিলক্ষিত হয়।

এইকথ্যৰূপৰ লিংগ নিৰ্ণয়ৰ বিধি তিনিটা হ'ল ঃ

১। শব্দৰ আগত মতা-মাইকী শব্দ প্ৰয়োগ কৰি-

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| আপা মান্শি (ল'ৰা) | আপি মান্শি (ছোৱালী) |
| মাত্ৰা হাশ (মতা হাঁহ) | মাত্ৰি হাশ (মাইকী হাহ) |
| বেটা ছাৱা (মতা মানুহ) | বেটী ছাৱা (মাইকী মানুহ) |
| মাত্ৰা কাউআ (মতা কাউৰী) | মাত্ৰি কাউআ (মাইকী কাউৰী) |

২) বেলেগ-বেলেগ শব্দ ব্যৱহাৰ কৰি -

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| বলদ (বলধ) | গাই |
| দাদা (ককাইদেউ) | বৌ (নবৌ) |
| ভিনি (ভিনিদেউ) | বাই (বাইদেউ) |
| পাঠা (মতা ছাগলী) | পাঠি (মাইকী-ছাগলী) |
| বুৰা (বুঢ়া) | বুৰি (বুঢ়ী) |

৩) স্ত্ৰী প্ৰত্যয়ৰ সংযোগ ঘটাই -

দেশী ভাষাৰ ক্ষেত্ৰত-ই - নি - এনি - ইনি আদি স্ত্ৰী প্ৰত্যয়ৰ সংযোগ ঘটাই লিংগ পৰিবৰ্তন কৰা হয়।

-- ই ঃ

| পুংলিংগ | স্ত্রীলিংগ |
|---|---|
| আপা (ল'ৰা) | আপী (ছোৱালী) |
| পাৰ' (মৰা পাৰ) | পাৰি (মাইকী পাৰ) |
| ঝগৰু (মুখচোকা লোক) | ঝগৰি (মুখচোকা মহিলা) |
| চেঙ্ৱা (ল'ৰা) | চেঙ্ৰি (ছোৱালী) |

-- নি ঃ

| পুংলিংগ | স্ত্রীলিংগ |
|---|---|
| নাউআ (নাপিত) | নাউআনি (নাপিতী) |
| ভূত | ভুতনি |
| ডাক্‌টাৰ | ডাক্‌তাৰনি (ডাক্তৰনী) |
| কুত্তা (মতা কুকুৰ) | কুত্তানি (মাইকী কুকুৰ- গালি অৰ্থত) |

- ইনি ঃ

| পুংলিংগ | স্ত্রীলিংগ |
|---|---|
| ৰাক্ষশ (ৰাক্ষস) | ৰাক্ষশিনি (ৰাক্ষসিনী) |
| পিশাচ | পিশাচিনি (পিশাচনী) |

- আনি ঃ

| পুংলিংগ | স্ত্রীলিংগ |
|---|---|
| ঠাকুৰ | ঠাকুৰাণী |
| চাকোৰ (চাকৰ) | চাকোৰানি |
| মালিক | মালিকানি      আদি। |

উল্লেখিত সমূহ উদাহৰণৰ উপৰিও দেশী ভাষাত কিছুমান শব্দ কেৱল পুৰুষবাচক, কিছুমান স্ত্রীবাচক আৰু কিছুমান উভয়লিংগসূচক শব্দ দেখিবলৈ পোৱা যায়। যেনে ঃ

পুৰুষবাচক শব্দ - মদাৰু (মদাহী) ঘটক (ঘটক)।

স্ত্রীবাচক শব্দ - শতিন/শতিনি (সতিনী),শতমাও/শতিয়ামা (মাহীমা) পেত্তানি (প্ৰেতৰ

স্ত্ৰীলিংগ) আদি।

**৩.১.০ ঃ কাৰক আৰু শব্দ বিভক্তি ঃ**

ৰূপতত্ত্বৰ অন্তৰ্গত এক বিশিষ্ট অংগ হ'ল কাৰক। 'বাক্যৰ অন্তৰ্গত ক্ৰিয়াপদৰ লগত অন্য নামপদৰ যি সম্বন্ধ, সেই সম্বন্ধকে কাৰক বোলা হয়।' [২] অৰ্থাৎ ক্ৰিয়াৰ লগত অন্বয় ঘটাবোৰেই কাৰক। আকৌ "কাৰক আৰু সম্বন্ধপদৰ 'বোধ' জনাবলৈ অথবা কাৰক আৰু সম্বন্ধপদৰ অৰ্থ প্ৰকাশ কৰিবলৈ কিছুমান সৰ্গ আছে। এই সৰ্গবোৰকে শব্দ বিভক্তি বা কাৰক বিভক্তি বোলা হয়।" [৩]

মান্য অসমীয়াত পোৱাৰ দৰেই শালকোচীয়া দেশী ভাষাতো ৬ টা কাৰক পোৱা যায়..........

| | |
|---|---|
| ১। কৰ্তা কাৰক | (৪) নিমিত্ত কাৰক |
| ২। কৰ্ম কাৰক | (৫) অপাদান কাৰক |
| ৩। কৰণ কাৰক | (৬) অধিকৰণ কাৰক। |

এই কথ্যৰূপটিত সম্বন্ধ কাৰক নাই। ইয়াৰ পৰিবৰ্তে সম্বন্ধপদ আছে। সম্বন্ধ পদকে আদি কৰি দেশী ভাষাত প্ৰাপ্ত সাতোটা কাৰকৰ অৰ্থপ্ৰকাশক বিভক্তি কিন্তু চাৰিটাহে পোৱা যায়। এই বিভক্তি চাৰিটা হ'ল-

প্ৰথমা - এ, ই

দ্বিতীয়া - ক, অক

ষষ্ঠী - ৰ, এৰ

সপ্তমী - ত

তৃতীয়া, চতুৰ্থী আৰু পঞ্চমী বিভক্তিৰ ব্যৱহাৰ নাই। কাৰক আৰু সম্বন্ধপদ অনুসৰি দেশীভাষাৰ বিভক্তি আৰু অনুপদবোৰৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল -

| কাৰক | বিভক্তি | বিভক্তিৰ চিন | | অনুপদ |
|---|---|---|---|---|
| | | স্বৰান্ত | ব্যঞ্জনান্ত | |
| কৰ্তা | শূণ্য বিভক্তি<br>১মা | - ০<br>- এ | - ০<br>- এ, ই | |
| কৰ্ম | শূণ্য বিভক্তি<br>২য়া | - ০<br>- ক | - ০<br>- অক | |
| কৰণ | ২য়া<br>ষষ্ঠী | -ক<br>- ৰ | - অক<br>- ৰ | দিয়া, দি<br>দাৰা |
| নিমিত্ত | ষষ্ঠী<br>দ্বিতীয়া | - ৰ<br>- ক | - এৰ<br>- অক | বাদে, জইন্নে, |
| অপাদান | ষষ্ঠী | - ৰ, - ঠে | - এৰ | থাকি, থাকিয়া |
| সম্বন্ধ পদ | ষষ্ঠী | - ৰ | - এৰ | |
| অধিকৰণ | সপ্তমী<br>ষষ্ঠী | - ত,<br>- ঠে | - অত | |

কৰ্তাকাৰক -

কৰ্তাকাৰকত শূন্য বিভক্তি আৰু ১মা - এ, - ই বিভক্তি যোগ হয়। যেনেঃ

শূণ্য বিভক্তি - গোৰু ঘাশ খায়।

১মা বিভক্তি - মোহনে কামটা কৰ্‌ছে (মোহনে কামটো কৰিছে)

কৰ্মকাৰক -

শূন্য বিভক্তি আৰু ২য়া বিভক্তি - ক, - অক যোগ হয়। যেনেঃ

শূন্য বিভক্তি -

মিনায়ে মাছ কাট্‌বা / কাটিবা লাগছে (মীনাই মাছ কাটি আছে)

তুই ভাত খাইশ (তুমি ভাত খোৱা)

২য়া বিভক্তি - ক -

মাষ্টাৰে ছাত্রক পৰাবা লাগছে (শিক্ষকে ছাত্রক পঢ়াই আছে)

মুই বাইক দেখুং নাই (মই বাইদেউক দেখা নাই)

করণ কাৰক -

করণ কাৰক কৰিবলৈ কেতিয়াবা ষষ্ঠী বিভক্তি - ৰ, - এৰ যোগ দি তাৰ পিছত দাৰা, দিয়া, হাতে, অনুসৰ্গ যোগ দিয়া হয়। উদাহৰণ ঃ

প্রাঞ্জলেৰ দাৰা কামটা কৰাও (প্রাঞ্জলৰ দ্বাৰা কামটো কৰোঁৱা)

হাতুৰ দিয়া গজাল / গজালটা মাৰ (হাতুৰীৰে গজাল মাৰি দিয়া)

দ্বিতীয়াৰ -ক, -অক, বিভক্তি যুক্ত হ'লে শেষত 'দিয়া' অনুসৰ্গ যোগ হয়। উদাহৰণ ঃ

ভইশক দিয়া টানাও (ম'হেৰে টানি)

প্রাঞ্জলক দিয়া কামটা কৰাও (প্রাঞ্চলৰ দ্বাৰা কামটো কৰোঁৱা)

আকৌ কেতিয়াবা কোনো বিভক্তি যুক্ত নহোৱাকৈ কেৱল দি, দিয়া, দাৰা অনুসৰ্গ যোগ হৈও কৰণকাৰক হয়। উদাহৰণ ঃ

হাত দিয়া নালাৰবি (হাতেৰে নুছুৱা)

দাওখান লোহাদি বানোৱা (দাখন লোৰে বনোৱা)

**নিমিত্তকাৰক ঃ**

ষষ্ঠী বিভক্তি - ৰ, -এৰ যোগ কৰি তাৰ পিছত 'বাদে', 'জইন্নে' অনুসৰ্গ যোগ কৰি নিমিত্ত কাৰক কৰা হয়। উদাহৰণ ঃ

গুষ্টিৰ জইন্নে চা বানাও (আলহীৰ কাৰণে চাহ বনোৱা)

মোৰ বাদে খুৰ্মা আনিশ (মোৰ কাৰণে খুৰমা আনিবা)

দ্বিতীয়া ক বিভক্তি যোগ হৈও নিমিত্ত কাৰক হয়। যেনে ঃ

আমাক খাবা দিছে (আমাক খাবলৈ দিছে)

ছাৱাটাক চক্‌লেট কিনি দিবিতো (সৰু ল'ৰা / ছোৱালীটোক চকলেট কিনি দিবাচোন)

কেতিয়াবা বিভক্তি যুক্ত নহোৱাকৈ, কেতিয়াবা 'বুলি' শব্দ প্রয়োগ কৰি নিমিত্তকাৰক হয়। যেনে ঃ

আনিল বাৰি বুলি গেইল ঃ(অনিল ঘৰলৈ গ'ল)

**বিভক্তিহীন ৰূপত ঃ**

দাদা গুহাটী গেছে (ককাইদেউ গুৱাহাটীলৈ গৈছে)

জোক্ দেখি মোৰ খুব /বিৰাট ভয় লাগে (জোকলৈ মোৰ বৰ ভয় লাগে)

**অপাদান কাৰক ঃ**

অপাদান কাৰকৰ ভাৱ প্ৰকাশ কৰিবলৈ ষষ্ঠী বিভক্তি - 'ৰ' যোগ কৰি পিছত 'থাকি', 'থাকিয়া' অনুসৰ্গ যোগ কৰা হয়।

গাছেৰ থাকি ডাল ভাঙি পৰ্‌ছে (গছৰ পৰা ডাল ভাঙি পৰিল)

শইশ্যাৰ থাকি মিঠাতেল হয় (সৰিয়হৰ পৰা মিঠাতেল হয়)

বিপদেৰ থাকিয়া কুনোমতে বাছ্লুং / বাছিলুং (বিপদৰ পৰা কোনোমতে ৰক্ষা পৰিলে)

উমাৰঠে পাৰা আনিলুং (সিহঁতৰ পৰা আনিলো)

**সম্বন্ধ পদ ঃ**

ষষ্ঠী - 'ৰ', - 'এৰ' বিভক্তি যুক্ত হৈ সম্বন্ধ পদ কৰা হয়। উদাহৰণ সহ ঃ

এইখান মোৰ ছাইকেল (এইখন মোৰ চাইকেল)

গাছেৰ ডালত মেল্লা আম (গছৰ ডালত বহুত আম)

**অধিকৰণ কাৰক ঃ**

সপ্তমী - 'ত', - 'অত' বিভক্তি যোগ হৈ অধিকৰণ কাৰক হয়। উদাহৰণ ঃ

পানিত মাছ আছে (পানীত মাছ আছে)

অয় বিৰাট / খুব ঝামেলাত পৰছে ( সি বৰ বিপদত পৰিছে)

**৩.১.৪ ঃ বিশেষ্য ঃ**

যিবোৰ শব্দৰ পিছত শব্দ বিভক্তি যোগ হয়, তেনেবোৰ শব্দ বিশেষ্য শব্দ। মূল শব্দ আৰু শব্দবিভক্তিৰ মাজত বচন আৰু লিংগবাচক প্ৰত্যয়, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, পুৰুষবাচক নিৰ্দিষ্টতা বাচক প্ৰত্যয় যুক্ত হ'ব পাৰে। উদাহৰণস্বৰূপে ঃ মান্‌শিটা (মানুহজন), কাপুৰদুইখান (কাপোৰদুখন), মান্‌শিচাইৰজান (মানুহ চাৰিজন) আদি। এই বিশেষ্য শব্দবোৰ স্বৰান্ত নাইবা ব্যঞ্জনান্ত দুয়োবিধ হ'ব

পাৰে।

### ৩.১.৫ ঃ বিশেষণ ঃ

সাধাৰণতে বাক্য একোটাত বিশেষ্য বা আন নামপদৰ আগত বহি বিশেষ্য অথবা নামপদটোৰ লগত এক বিশেষ সম্পৰ্ক স্থাপন কৰা শব্দবোৰেই বিশেষণ শব্দ।

মান্য অসমীয়াৰ দৰেই শালকোচীয়া বা দেশী ভাষাত ব্যৱহৃত হোৱা বিশেষণবোৰক চাৰিটা ভাগত ভগাব পাৰি ঃ

ক) বিশেষ্যৰ বিশেষণ।

খ) বিশেষণৰ বিশেষণ।

গ) সৰ্বনামৰ বিশেষণ।

ঘ) ক্ৰিয়া বিশেষণ।

**বিশেষ্যৰ বিশেষণ ঃ**

বিশেষ্যৰ গুণ, দোষ, অৱস্থা, পৰিমান, সংখ্যা বুজোৱা শব্দবোৰ বিশেষ্যৰ বিশেষণ। এনে অজস্ৰ শব্দ দেশী ভাষাত পোৱা যায়। যেনে ঃ ভাল, বেয়া, কম, বেছি, বৰো (ডাঙৰ), উছ্য (ওখ), নিছ্য (তল), লম্বা / দীঘ্লা (দীঘল), খাটো (চাপৰ), চিকণ / শোৰু (ক্ষীন), ছটো (সৰু), চেপ্টা, পাত্লা (পাতল), মোটা (শকত), ওশাৰ (বহল), অল্পো (অলপ), পাইতোল / পাইতাল (পথালি), মিঠা, তিতে / তিতা, কশ্টা (কেঁহা), টেঙা, পুৰৈঠ / পুঠ্ঠা (পুৰঠ), কোন্না (কেঁচা), ঠাণ্ডা, গৰম, কুশুম (কুহুমীয়া) শাদা / বগা, কালা, কাল্শা (ক'লাৰ নিচিনা), লাল (ৰঙা), লাইল্শা (ৰঙাৰ নিচিনা), হালদিয়া / হাইলধা (হালধীয়া), মাটীয়া (মটীয়া), শবুজ / পাতা (সেউজীয়া), শ, হাজাৰ, দুই লাখ, একহাত, পাচবিঘে, অন্ধ, টশা (কলা), কানা (কণা), টাক্‌লা (তপামূৰা), থোতলা, নেংৰা / লেংৰা (কৰা), তাজা (সতেজ), পাগ্লা-পাগ্লী, ভেব্লা-ভেব্লী (অকৰা-আঁকৰী), মেল্লা (বহুত), শক্তো (টান) ইত্যাদি।

**বিশেষণৰ বিশেষণ ঃ**

বিশেষণ শব্দক বিশেষকৈ বুজাবলৈ কিছুমান শব্দ আছে, সিবোৰ হ'ল বিশেষণীয় বিশেষণ। তেনে বহু শব্দ দেশীভাষাত আছে। উদাহৰণস্বৰূপে ঃ

টক্‌টকা / টিক্‌টিকা লাল / লাল টিক্‌টিকা / টক্‌টকা

কুট্‌কুটা কালা / কালা কুট্‌কুটা

ঘুট্‌ঘুটা আন্ধাৰ / (ঘোপমৰা আন্ধাৰ)

ফট্‌ফটা বগা / শাদা

ফুল্‌ফুলা বগা (ধপধপীয়া বগা)

ঠশ্‌ঠশা কাপ (ঠুনুকা কাপ)

খুত্‌থুৰা বুৰা (একেবাৰে বুঢ়া)

কুছ্‌কুছা কালা ছুলি / ছুল (আতি ক'লা চুলি)

শেই ঝাল (বৰজলা)

খুব জোৰে (বৰ জোৰকৈ)

শেল্‌শেলা ঝোল (পাতল সোৱাদহীন জোল)

ছাৱাটা শেল্‌শেলা লাগ্‌ছে (ল'ৰাটো শেতা / নিশকতীয়া হৈছে)

**সৰ্বনামীয় বিশেষণ ঃ**

সৰ্বনামৰ গুণ, দোষ, অৱস্থা বুজোৱা সৰ্বনামীয় বিশেষণ দেশী ভাষাত পোৱা যায়-

অই সেই শয়তান ( সি বৰ বদমাচ)

আমিৰা / আম্‌ৰা শবায় মূৰ্খ / গাধা (আমি মূৰ্খ / বুৰ্বক)

এই দশা / অৱস্থা

কিছুমান সৰ্বনাম / সৰ্বনাম শব্দমূলৰ পৰা কিছুমান গুণবাচক আৰু পৰিমাণবাচক বিশেষণশব্দ পাব পাৰি।[৫] যেনেঃ এমন, শেমন, কেমন, কিংকা (কেনেকুৱা), তেমন, জেমন, জিংকা (যেনেকুৱা), এ'তো, অতো (ইমান), কতো (কিমান), জতো / জেতো (যিমান), ততো (সিমান), এইল্লা (এইবোৰ), কুনটা (কোনটো) ইত্যাদি।

ক্ৰিয়া বিশেষণ ঃ

দেশী ভাষাত লক্ষণবাচক, কালবাচক, স্থানবাচক ক্ৰিয়া বিশেষণ পোৱা যায়। উদাহৰণ স্বৰূপে ঃ

**লক্ষণবাচক ঃ** এ'মনে / এ'মন কৰি (এনেকৈ), জে'মনে / জে'মন কৰি (যেনেকৈ), কে'মনে /

কে'মন কৰি (কেনেকৈ), অ'মনে / অ'মন কৰি (তেনেকৈ), আছ্‌তে (লাহে) আদি।

**কালবাচক ঃ** আজি / আইজকা (আজি), আজিকালি /আইজকেল (আজিকালি), এলা / এলায় (এতিয়া), শেলা / তেলা (তেতিয়া), আগোত (আগত), কালি / কাইল্‌কা (কালি), পৰশুদিন / পশশু (পৰহি), উদিন্‌কা (পৰহি), কালি (অহাকালি), কুনবেলা (কেতিয়া), কুনোবেলা (কেতিয়াবা), ৰাতি / ৰাইত, শকাল (পুৱা), দুপৰ / দুফৰবেলা (দুপৰীয়া), বিকালে / ভাটিবেলা / বেলাভাটি / শন্ধা (আবেলি / সন্ধিয়া), দিনে- দিনে, মাশে-মাশে, বছৰে-বছৰে, তাৰাতাৰি (সোনকালে), চট্‌কৰি / পট্‌কৰি (তৎক্ষণাত), দেৰিকৰি (পলমকৈ) ইত্যাদি।

**স্থানবাচক ঃ** এত্তি / এটি / এইঠে (ইয়াত), কুতি / কুটি / কুনঠে (ক'ত), অত্তি / আটি / অইঠে (তাত), জেত্তি / জেইঠে (য'ত), শেত্তি / শেইঠে (সেইতাত), জেটি-শেটি / জেত্তি-তেত্তি (য'ত-ত'তে), এদি / এইদি (এইফালেদি), এত্তি-অত্তি (ইফাল - সিফাল), আশে-পাশে (ওচৰে-পাজৰে), বাহিৰে-ভিতৃৰে, তলে-উপ্‌ৰে ইত্যাদি।

**বিশেষণৰ তুলনা ঃ**

শালকোচীয়া বা দেশী ভাষাৰ কথ্যৰূপত বিশেষণৰ তুলনাৰ ক্ষেত্ৰত মান্য অসমীয়াত সপ্তমী-ত বিভক্তি যোগ হোৱাৰ দৰে ইয়াতে ' ত ' বিভক্তি যোগ হোৱাৰ লগতে, ষষ্ঠী 'ৰ' বিভক্তিও যুক্ত হয়। মান্যত বিভক্তিৰ পিছত 'কৈ' যুক্ত হোৱাৰ ঠাইত দেশীভাষাৰ ছাই / ছাইতে, থাকি / থাকিয়া যোগ হয়। যেনে ঃ

সীতাত থাকি / থাকিয়া গীতা লম্বা (সীতাতকৈ গীতা ওখ)

নাই মামাৰ থাকি কানা মামায় ভাল।

মোৰ ছাই / ছাইতে অয় মোটা (মোতকৈ তাই শকত)

বহুতৰে মাজত এজনক তুলনা বা শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ 'শগ' শব্দৰ লগত ষষ্ঠী-ৰ, সপ্তমী-ত বিভক্তি যোগ হোৱাৰ পিছত থাকি / থাকিয়া যোগ হয়।

মদন শগাইত থাকি বৰো (মদন সকলোতকৈ ডাঙৰ)

অই শগাৰে থাকিয়া শুন্দৰি (তাই সকলোতকৈ ধুনীয়া)

দুজনৰ মাজত তুলনা বা বৈসাদৃশ্য দেখুৱাওতে সপ্তমী-ত বিভক্তি যোগ হয়। যেনে ঃ

এই দাওটাত থাকি অইটাৰ ধাৰ বেছি।

তুই মোত থাকি খাটা / খাটো (তুমি মোতকৈ চাপৰ)

দেশী ভাষাত মান্য অসমীয়াৰ ব্যৱহৃত হোৱাৰ দৰে কেইবাটাও বিশেষ্য একাধাৰে ব্যৱহাৰ শেষৰটোৰ সম্বন্ধপদৰ ৰূপৰ পিছত 'ভিতৰত' শব্দ ব্যৱহাৰ তুলনা কৰা হয়। যেনে ঃ

আম, কাঠল, কলাৰ, ভিতৰত মই আমে বেছি ভাল পাং।

আকৌ দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰি বিশেষণৰ তুলনা কৰা হয়। যেনে ঃ

ভালৰো ভাল, কালৰো কাল, গৰমেৰো গৰম, ঠাণ্ডাৰো ঠাণ্ডা ইত্যাদি।

**৩.১.৬ ঃ সৰ্বনাম ঃ**

দেশী ভাষাত কেইবাপ্ৰকাৰৰ সৰ্বনাম আছে। এই কথ্যভাষা ৰূপটোত বচন আৰু কাৰক অনুসৰি সৰ্বনামৰ পৰিবৰ্তন হয়। লিংগভেদে সৰ্বনামৰ কোনো পৰিবৰ্তন নহয়।

তলত বিভিন্ন শ্ৰেণীৰ সৰ্বনামৰ তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল ঃ পুৰুষবাচক সৰ্বনাম ঃ

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | মুই (মই) | আমি / আমিবা / আম্‌বা (আমি) |
| তুচ্ছাৰ্থত<br>২য় পুৰুষ<br>মান্যাৰ্থত | তুই<br>(তুমি)<br>তুম্‌বা / তুমিবা | তুম্‌বা / তুমিবা (তোমালোক) |
| ৩য় পুৰুষ | অয় (সি, তেওঁ, তাই) | উমবা / উমিবা (সিহঁত তেওঁলোক,<br>তেখেত সকল) |

**নিশ্চয়বাচক সৰ্বনাম ঃ**

| | একবচন | বহুবচন |
|---|---|---|
| নিকটবৰ্তী | তুচ্ছ-ই/এই/ইআ (এই)<br>মান্য-ইমি /ইম্‌বা /ইমিবা (এওঁ)<br>এইটা/ইটা/ইটে (এইটো) | ইম্‌বা / ইমিবা / ইম্‌বাগিলা /ইম্‌বাগুলে<br>(ইহঁত / এওঁলোক)<br>এইগিলা/এইগুলা/এগুলে (এইবোৰ) |
| দূৰবৰ্তী | ওয় / উই (সৌজন/তেওঁ)<br>এইটা / উটা (সৌটো) | ওইগিলা / উগুলা / ঐগুলা /ঐগিলা<br>(সেইবোৰ / সৌবোৰ) |

**সম্বন্ধবাচক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| জা /জায়/জ্যাই (যি) | জায় জায় / জাই জাই (যি যি) |
| জিটা / জেইটা (যিটো) | জিগিলা /জেগুলা /জিগুল্যা (যিবোৰ) |

**প্রশ্নবোধক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| কায় / কাই (কোন) | কায় কায় / কাই কাই (কোন কোন) |
| কি (কি ) | কি কি (কি কি ) |
| কাক (কাক) | কাক কাক |
| কাৰ (কাৰ) | কাৰ কাৰ |

**অনির্দিষ্টতাবাচক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| কায় / কাই (কোন) | কাই কাই / কায় কায় (কোন কোন) |
| কায়বা (কোনোবা | কায়বা কায়বা (কোনোবা কোনোবা) |
| কায়ো (কোনো) | কিছু (কোনো) |

**নিজবাচক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| নিজ /নিজে (নিজ) | নিজ নিজ / নিজে নিজে (নিজ নিজ) |

সৰ্বনামবোৰে বিভিন্ন বিভক্তিৰ চিন গ্রহণ কৰিব পাৰে। উদাহৰণস্বৰূপে ঃ

**'মুই' ১ম পুৰুষৰ সৰ্বনাম শব্দ ঃ**

| কাৰক | একবচন | বহুবচন |
|---|---|---|
| কর্তা | মুই | আম্‌ৰা / আমিৰা |
| কর্ম | মো-ক | আমা-ক |

| কাৰক | একবচন | বহুবচন |
|---|---|---|
| কৰণ | মো-ৰ দাৰা | আমা-ৰ দাৰা |
| | মো-ক দিয়া | আমা-ক দিয়া |
| নিমিত্ত | মো-ৰ জইন্নে /বাদে | আমা-ৰ জইন্নে / বাদে |
| অপাদান | মো-ৰ থাকি | আমা-ৰ থাকি |
| | মো-ঠে পাৰা | আমা-ঠে পাৰা |
| সম্বন্ধপদ | মো-ৰ | আমা-ৰ |
| অধিকৰণ | মো-ত | আমা-ত |

৩.১.৭ ঃ ক্ৰিয়া ঃ

কোনো কাম কৰা, হোৱা বা ঘটা বুজোৱা পদবোৰেই ক্ৰিয়াপদ।[১] ক্ৰিয়াপদৰ আলোচনা কৰোঁতে ধাতু, পুৰুষ, কাল, ভাৱ আৰু বাচ্য আদিৰ আলোচনাৰ সাঙুৰি লোৱা হয়।

ক্ৰিয়াৰ মূলেই ধাতু। মান্য অসমীয়াত প্ৰাপ্ত তিনিপ্ৰকাৰ ধাতুৰ অনুৰূপ দেশী ভাষাতো তিনিপ্ৰকাৰ ধাতু ৰূপ দেখিবলৈ পোৱা যায়। ইবোৰ তলত দিয় ধৰণৰ ঃ

**১। মৌলিক ধাতু ঃ**

দেশী ভাষাত স্বয়ংসিদ্ধ মৌলিক ধাতুবোৰ হ'ল-

কৰ, বশ (বহ) দেখ, শুণ, পৰ (পঢ়), মৰ, উঠ, উৰ, ধৰ, খা, নে (ল), যা, ফাল, ভাশ (ভাঁহ), চল, ঘিৰ (বেৰি দিয়া) ইত্যাদি।

**২। সাধিত ধাতু ঃ**

দেশী ভাষাত মূল ধাতু বা নামপদৰ পিছত প্ৰত্যয় যুক্ত হৈ হোৱা সাধিত ধাতুবোৰ এনেধৰণৰ -

পৰ + আও = পৰাও (পঢ়োৱা)

খা + আ = খায়া (খাই)

দেখ + আ = দেখা

কৰ + এক = কৰেক (কৰা)

ধৰ + ই = ধৰি

মাৰ + ইয়া = মাৰিয়া (মাৰি) ইত্যাদি।

৩। যৌগিক ধাতু ঃ

দেশী ভাষাত যৌগিক ধাতু প্ৰয়োগ বহুলৰূপত পোৱা যায়। যেনে ঃ হাল বাও, নাম কৰ, বৰোকৰ (ডাঙৰ কৰ), শেশ কৰ, ভাল কৰ, বেয়া কৰ, ভাত বানাও, নিয়াযা (লৈ যা), খায়া থ (খাই পেলা), বশি থাক, কয়া দেখ (কৈ চা), খাবা পাইশ (খাব পাৰ), কবা পাইশ (কব পাৰ), ধৰিবা পাইশ (ধৰিব পাৰ), ধৰা পৰ, আশা জাৱা কৰ (অহা যোৱা কৰ), ৰান্ধিবা ধৰ (ৰান্ধিব লাগ), পৰিবা বশ (পঢ়িবলৈ বহ) ইত্যাদি।

**ক্ৰিয়াৰ কাল ঃ**

কাল প্ৰধানকৈ তিনিপ্ৰকাৰ ঃ

ক) বৰ্তমান কাল।

খ) ভৱিষ্যত কাল।

গ) অতীত কাল।

বৰ্তমান কাল নিৰ্দেশক ভাৱৰ দুটা ৰূপ পোৱা যায়- নিত্য বৰ্তমান আৰু তাৎকালিক বৰ্তমান। উদাহৰণস্বৰূপে দেখুৱাব পাৰি 'মই ভাত খাং'। এইটো এটা নিত্য বৰ্তমান কালৰ ৰূপ। এই বাক্যটিয়ে আকৌ চলিত বৰ্তমান (Present continous tense) কালৰ ৰূপো হ'ব পাৰে। ইয়াত 'ভাত খাং' (ভাত খাওঁ) এ সদায় খোৱা কাৰ্য বুজোৱাৰ লগতে 'ভাত খাং', এ ভিন্ন অৰ্থত খাই থকা কাৰ্য চলি আছে বা আৰম্ভ হৈছেও বুজায়।

ভৱিষ্যত কাল বুজাবলৈ দেশী ভাযাত পুৰুষ ভেদে একবচন আৰু বহুবচনত ৰূপ বেলেগ বেলেগ হয়।

| | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | -ইম | -ইম/-মো |
| ২য় পুৰুষ | -বি /-বু | -বি /-বেন |
| ৩য় পুৰুষ | -ব/-বে | -ব /-বে |

যেনে ঃ

| | | |
|---|---|---|
| ১ম পুৰুষ | মই কৰিম | আমি /আম্‌ৰা কৰিম /কৰমো |

| | | |
|---|---|---|
| ২য় পুৰুষ | তুই কৰ্‌বি /কৰবু | তুম্‌ৰা /তুমিৰা কৰ্‌বি /কৰ |
| ৩য় পুৰুষ | অয় /অই কৰব<br>/কৰবে | উম্‌ৰা /উমিৰা কৰিব/কৰৱ/কৰিবে |

ক্ৰিয়াৰ অতীত কালৰ ক্ষেত্ৰত তাৎকালিক অতীত, পূৰ্ণঅতীত সাম্ভাব্য অতীত আদি ৰূপ পোৱা যায়। ক্ৰিয়াৰ কাৰ্য এইমাত্ৰ শেষ হোৱা বুজোৱাক তাৎক্ষনিক অতীত কাল বোলে। যেনে ঃ মই কামটা কৰলুং / কৰিলুং। সেইদৰে খালুং / খাইলুং আশিলুং, গেলুং আদি এই অতীত ৰূপৰ উদাহৰণ। কোনো কাৰ্য বহু আগতে সম্পাদিত হৈছে অৰ্থত পূৰ্ণঅতীত কাল হয়। যেনে ঃ মুই ওক্তিৰ থাকি আশিচুং।

আম্‌ৰা / আমিৰা ভাত খাইছুং আদি।

তেনেদৰে সাম্ভাব্য অতীত কালৰ উদাহৰণ হ'ল-

মুই গেলুং হয় (মই গ'লো হয়),

উমৰা আশিল হয় (সিহঁত আহিলহেতেঁন)

তুই কৰ্‌লি হয় (তুমি কৰিলাহেঁতেন) আদি।

**ক্ৰিয়াৰ ভাৱ ঃ**

দেশী ভাষাৰ ক্ৰিয়াৰ ভাৱ দুটা -

ক) নিৰ্দেশক ভাৱ

খ) অনুজ্ঞা ভাৱ।

**নিৰ্দেশক ভাৱ ঃ**

'খা' ধাতুৰ বৰ্তমান, অতীত, ভৱিষ্যত কালৰ ৰূপ তলত তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল

বৰ্তমান কাল

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ ম পুৰুষ | খাং | খাং |
| ২য় পুৰুষ | খা /খাও | খা /খাও |
| ৩য় পুৰুষ | খায় | খায় |

অতীত কাল ঃ

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ ম পুৰুষ | খালুং | খাইলু /খালুং |
| ২য় পুৰুষ | খালি /খাইছি | খাইছি /খাইছেন |
| ৩য় পুৰুষ | খাইল / খাইছে | খাইল / খাইছে |

ভৱিষ্যত কাল ঃ

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ ম পুৰুষ | খাইম | খাইম |
| ২য় পুৰুষ | খাবি /খাবু | খাবি /খাবেন |
| ৩য় পুৰুষ | খাব / খাবে | খাব/ খাবে |

অনুজ্ঞা ভাৱ ঃ

ক্রিয়াৰ অনুজ্ঞা ভাৱ বিশেষকৈ বৰ্তমান কালত প্ৰযোজ্য হয়। অৱশ্যে কেতিয়াবা ২য় পুৰুষৰ ক্ষেত্ৰত ভৱিষ্যত কালতো অনুজ্ঞাভাৱ প্ৰযোজ্য হয়। যেনে ঃ

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ ম পুৰুষ | মই খাং | আমি খাং /আম্‌ৰা খাং |
| ২য় পুৰুষ | তুই খা /তোমৰা খান | তুম্‌ৰা খা /তোম্‌ৰা খান |
| ৩য় পুৰুষ | অয় / উই খাউক | উম্‌ৰা খাউক |

ভৱিষ্যত কালৰ ক্ষেত্ৰত ঃ

তুই কৰবি　　　　তুম্‌ৰা / তুমিৰা কৰবি / কৰবেন

ক্রিয়া বিভক্তি ঃ ধাতুৰ পিছত কিছুমান পদ সংযুক্ত হৈ বিভিন্ন কালৰ নিৰ্দেশ কৰে, এইবোৰেই ক্রিয়া বিভক্তি। তলত বিভিন্ন কাল, পুৰুষ আৰু বচন অনুযায়ী দেশী ভাষাৰ ক্রিয়া বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল ঃ

| | | স্বৰান্ত | | ব্যঞ্জনান্ত | |
|---|---|---|---|---|---|
| কাল | পুরুষ | একবচন | বহুবচন | একবচন | বহুবচন |
| বর্তমান | ১ম পুঃ | -ঙ | -ঙ /ই | -উঙ /-অঙ | -অঙ |
| নির্দেশক ভাৱ | ২য় পুঃ তুচ্ছ | -ইশ | -ইশ /ন | -ইশ | -এন/ইশ্ |
| | মান্য | -ন | -ন | -এন | -এন |
| | ৩য় পুঃ | -এ | -এ | -এ | -এ |
| অনুজ্ঞাভাৱ | ১ম পু ঃ | -ঙ | -ঙ /-ই | -অঙ্ /উঙ | -অঙ্ / -ই |
| | ২য় পুঃ তুচ্ছ | শূণ্য বিভক্তি | শূণ্য বিভক্তি | শূন্য বিভক্তি | শূন্য বিভক্তি |
| | মান্য | -ন | -ন | -এন | -এন |
| | ৩য় পুঃ | -উক | -উক | -উক | -উক |
| পূর্ণ বর্তমান | ১ম পুঃ | -ইছুঙ /ইছঙ | -ছি | -ছুঙ্ /ইছুঙ্ | -ছি /ইছি |
| কাল | তুচ্ছ | -ইছিশ্ | -ইছিশ্ | -ছিশ/ইছিশ্ | -ছেন /ইছেন |
| | ২য় পুঃ মান্য | -ইছেন | -ইছেন | -ছেন /ইছেন | -ছেন/-ইছেন |
| | ৩য় পুঃ | -ইছে | -ইছে | -ছে | -ছে |
| পূর্ণ | ১ম | -ইছিলুঙ্/ইছিলঙ | -ইছিলুঙ/ইছিলঙ্ | -ছিলুঙ্ | -ছিলুঙ্ |
| ভূত কাল | তুচ্ছ | -ইছিলি/-ইছিলু | -ইছিলি/ইছিলেন | -ছিলু/-ছিলি | -ছিলেন |
| | ২য় পুঃ মান্য | -ইছিলেন | -ইছিলেন | -ছিলেন | -ছিলেন |
| | ৩য় পুঃ | -ইছিল | -ইছিল | -ছিল | -ছিল |
| ভূতকাল | ১ম পুঃ | -লুঙ/ইলুঙ্ /ইলঙ | -লুঙ/ইলুঙ্ /ইলঙ | লুঙ/ইলুঙ্ /ইলঙ | লঙ/ইলুঙ্ /ইলঙ |
| | তুচ্ছ | -লি/-লু | -লি/ইলেন | -লি/-লু | লি/ইলেন |
| | ২য় পুঃ মান্য | -লি/ইলেন | -ইলেন | -লেন/-ইলেন | -ইলেন |
| | ৩য় পুঃ | -ইল/-ইলেক | -ইল/-ইলেক | -ইল/-ইলেক | -ইল/-ইলেক |
| ভৱিষ্যত | ১ম পুঃ | -ইম | -ইম | -ইম | -মো |
| কাল | ২য় পুঃ তুচ্ছ | -বি/-বু | -বি/-ইবেন | -বি/-বু | -বি/-বেন |
| | মান্য | -বি/-ইবেন | -বি/-ইবেন | -বেন | -বেন |
| | ৩য় পুঃ | -ইব/-ইবে | -ইব/-ইবে | -ব/-বে | -ব/-বে |

**ক্রিয়াৰ নাস্ত্যাৰ্থক ৰূপ ঃ**

দেশী ভাষাত ক্রিয়াৰ নাস্ত্যাৰ্থক ৰূপ কৰিবলৈ সদৰ্থক ৰূপৰ আগত 'না' যোগ কৰা হয়। যেনে ঃ

না - কৰুং = নাকৰুং (নকৰোঁ)

না - দেখুং = নাদেখুং (নেদেখো)

না - দেং = নাদেং (নিদিওঁ)

না - পায় = নাপায় (নোৱাৰে)

না - শুনুং = নাশুনুং (নুশুনো)

না - যায় = নাযায় (নাযায়)

না - বশিশ = নাবশিশ (নবহা) আদি।

**অসমাপিকা ক্রিয়া ঃ**

ক্রিয়াৰ যি ৰূপে কাৰ্যৰ অসম্পূৰ্ণতা অৰ্থ প্ৰকাশ কৰে সিয়েই অসমাপিকা ক্রিয়া। দেশী ভাষাৰ এনে ক্রিয়াৰ ৰূপ এনে ধৰণৰ- দেখিয়া (দেখি), শুনিয়া (শুনি), বুজিয়া (বুজি), কৰিয়া (কৰি), পৰিয়া (পঢ়ি), লেখিয়া (লেখি), ধৰিয়া (ধৰি), বশিয়া (বহি), উঠিয়া (উঠি), দৌৰিয়া (দৌৰি), কান্দিয়া (কান্দি), খায়া (খাই), পাইলে (পালে), আশ্‌লে/আশিলে (আহিলে), গেলে / গেইলে (গ'লৈ) ইত্যাদি।

**৩.১.৮ ঃ অব্যয় ঃ**

দেশী ভাষাৰ অব্যয়সমূহ এনেধৰণৰ ঃ

সংযোজক অব্যয় ঃ

মুই আৰু তুই যাইম (মই আৰু তুমি যাম)

শাক আৰ ডাইল দি ভাত (শাক আৰু দাইলেৰে ভাত)

অতো কইলুং তাও নাআশ্‌লি (ইমান মাতিলো তথাপি নাহিলা)

অয় কোৰা জইন্যে কৰলুং (সি কোৱা হেতুকে কৰিলো)

উপৰোক্ত বাক্যবোৰত থকা 'আৰ', 'তাও', 'জইন্যে' আদি সংযোজক অব্যয়।

**বিয়োজক অব্যয় ঃ**

দুইটা বা তিনটা মান্‌শি আইশ্‌বো (দুজন বা তিনিজন মানুহ আহিব)

কামটা কৰলুং কিন্তু ঠিক হইলনা (কামটো কৰিলো কিন্তু ভাল নহ'ল)

**সন্দেহবোধক অব্যয় ঃ**

জুদি তুই আশিশ মুই নাযাং (যদি তুমি নাহা মই নাযাওঁ)

পাছে অই তোৰ কথাগিলা পাশ্‌ৰি / ভুলি যায় ( যদি সি তোমাৰ কথাবোৰ পাহৰি যায়)

কামটো হব কিজানি (কামটো হ'ব কিজানি)

আজি / আজ্‌কা ঝৰি আশে নেকি (আজি জানোচা বৰষুণ হয়)

ইয়াত 'জুদি', 'পাছে', 'কিজানি', 'নেকি / নাকি' আদি শব্দই সন্দেহবোধক অব্যয় হিচাপে ব্যৱহৃত হৈছে।

**ভাৰবোধক অব্যয় ঃ**

হায় হায় / হায়ৰে, মোৰ পুৰা কপাল।

ছিঃ ছিঃ কি বেয়া গোন্ধ।

বাপৰে, তোৰ এতো শাহোশ।

ইশ্‌ৰে, কি দুক্‌খো পাইলুং।

**সম্বোধনবোধক অব্যয় ঃ**

ঐ আপি কুতি জাইশ (ঐ ছোৱালী কলৈ যোৱা)

হে হৰি কি কুৰং এলা (হে হৰি কি কৰো এতিয়া)

অ' মা মোক ভাত দেতো (অ'মা মোক ভাত দিয়াচোন)

**প্ৰশ্নবোধক অব্যয় ঃ**

তুই কি জানিশ? (তুমি কি জানা)

কামটা কেম্‌নে / কেমন কৰি কৰে? (কামটো কেনেকৈ কৰিব পাৰি?)

অয় বোলে গুহাটি গৈছে? ( সি হেনো গুৱাহাটীলৈ গৈছে?)

**সমিধানবোধক অব্যয় ঃ**

তুই বিয়াত জাবিনা?

হ / ই, যাইম

তুই জাবিনা?

উহুক / উহু, নাজাং

ইয়াত 'হ', 'ই', 'উহু', 'উহুক' আদি সমিধানবোধক অব্যয়।

**৩.২.০. ঃ ভাটীয়া ভাষাৰ ৰূপতত্ত্ব ঃ**

অসমীয়া আৰু ইয়াৰ উপভাষা সমূহৰ লগত পূৰ্ববংগীয় মূলৰ ভাটীয়া ভাষা ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰত কেতিয়াবা কিছুমান সাদৃশ্যতা আৰু কেতিয়াবা বৈসাদৃশ্যতা পৰিলক্ষিত হয়। ভৌগলিক তথা সমাজ ৰাজনৈতিক কাৰণবশত মৈমনশিঙীয়া উপভাষাৰ অসমীয়াৰ সৈতে মিল থকা দেখা যায়। তদুপৰি এই ভাষা-ভাষী লোকসকল অসমলৈ আহি নিগাজীকৈ বসতি লোৱাৰ লগতে অসমীয়া ভাষাক মান্য ভাষাৰূপে গ্ৰহণ কৰাত অসমীয়া ভাষাৰ প্ৰভাৱ পুষ্ট হৈ বহু ক্ষেত্ৰত সাদৃশ্যতা লাভ কৰিছে। বৰ্তমান এই সদৃশ্যতা অসমীয়া আৰু ইয়াৰ উপভাষাসমূহ প্ৰধানকৈ গোৱালপৰীয়া উপভাষাৰ সৈতে অধিক পৰিলক্ষিত হয়। ৰূপতত্ত্বৰ ক্ষেত্ৰতো এই সাদৃশ্যতা বিদ্যমান। তলত এই উপভাষাটিৰ ৰূপতত্ত্বৰ এক সম্যক আলোচনা দাঙি ধৰা হ'ল ঃ

**৩.২.১ ঃ ভাটীয়া ভাষাৰ কথ্যৰূপটিত শব্দসাধন আৰু ৰূপান্তৰৰ উপাদানক দুটা ভাগত ভগাব পাৰি-**

১। শব্দ সাধনৰ সৰ্গ।

২। বিভক্তি মূলক সৰ্গ।

শব্দসাধনমূলক সৰ্গ তিনি প্ৰকাৰ পাব পাৰি-

১। কৃৎ

২। তদ্ধিত

৩। উপসৰ্গ

তেনেদৰে বিভক্তিমূলক সৰ্গবোৰক দুটা ভাগত ভগাব পাৰি-

১। শব্দ বিভক্তি

২। ক্ৰিয়া বিভক্তি

গঠনমূলক প্ৰত্যয় ঃ

কৃৎ প্ৰত্যয় ঃ

-ইআ ঃ

কৰ্ + ইআ = কইৰ্‌া (কৰি)

ধৰ্ + ইআ = দইৰ্‌া (ধৰি) (ধ 〉দ)

খা + ইআ = খাইআ (খাই)

জা + ইআ = জায়া (গৈ)

কাট্ + ইআ = কাইটা (কাটি)

ভাঙ্ + ইআ = বাইঙ্‌গা (ভাঙি) (ভ 〉ব)

লব্ + ইআ = নবাইআ (লৰচৰ কৰি)

শব্দসমূহত ধ্বনি বিপৰ্যয়ৰ ফলত 'ই' ধ্বনিৰ আগম হয়।

- ও ঃ

কৰ্ + ও = কৰো (কৰা)

বশ্ + ও = বইশো (বহা)

ক + ও = কও (কোৱা)

ঢাল + ও = ডালো (বাকি দিয়া) ( ঢ 〉 ড)

পিন্দ + ও = পিন্দো (পিন্ধা)

থ + ও = থও (থোৱা)

-আও ঃ

দু + আও = দুৱাও (ধুৱাই দিয়া) ( ধ 〉দ)

দেখ + আও = দেহাও (দেখোৱা) ( খ 〉হ)

কৰ+ আও = কৰাও (কৰোৱা)

-আ ঃ-

কৰ + আ = কৰা

দৰ + আ = দইৰা (ধৰি দিয়া) ( ধ 〉দ)

উঠ + আ = উড়ায়া (উঠাই দিয়া) ( ঠ 〉ড)

ঠেল + আ = ঠেলা (ঠেলি দিয়া)

নাছ + আ = নাছা

-ইনা ঃ

ঘিৰ + ইনা = গিৰাইনা (বেৰি দিয়া) ('আ' শ্ৰুতিৰ আগম)

নেপ + ইনা = নেপুইনা (লেপি দিয়া) ('উ' শ্ৰুতিৰ আগম)

কৰ + ইনা = কৰুইনা (কৰোঁতা) ('উ' শ্ৰুতিৰ আগম)

ধৰ + ইনা = ধৰুইনা (ধৰোঁতা) ( 'উ' শ্ৰুতিৰ আগম)

শুন + ইনা = সুনোইনা (শুনোৱা) ('ও' শ্ৰুতিৰ আগম)

- আৰু ঃ

জুৱা + আৰু = জুৱাৰু

লেখ + আৰু = লেখাৰু

গপ্প + আৰু = গপ্পাৰু (কথা চহকী লোক)

**তদ্ধিত প্ৰত্যয় ঃ-**

- আ ঃ

আলদি + আ = আইলদা (হালধীয়া)

মাটি + আ = মাইটা (মটীয়া) (ধ্বনি বিপৰ্যয়)

ভাটি + আ = বাইটা (ভাটীয়া) (জ 〉ব, ধ্বনি বিপৰ্যয়)

- উৱা ঃ

মাছ + উৱা = মাছুৱা

গাছ + উৱা = গাছুৱা

- ইয়া ঃ

ফুল + ইয়া = ফুইলা (ধ্বনি বিপৰ্যয়)

কালা + ইয়া = কালিয়া

পানী + ইয়া = পানীয়া।

**নির্দিষ্টতাবাচক প্ৰত্যয় ঃ**

কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ ভাটীয়া ভাষাতো কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ আছে। তেনে প্ৰত্যয়সমূহ তলত দিয়া ধৰণৰ ঃ

- ডো - জিনিশডো (বস্তুটো, চিয়াৰডো (চকীখন)

- হানি - এইহানি (এইখিনি), এইহানি তাটা (এইখিনিতাটা)

-জাল্লা-এইজাল্লা (এইখিনি)

-মুটা - পানেৰ মুটা /একমুটা পাণ (এমুঠা পাণ)

-থোপা - ফুলেৰথোপা, দানেৰথোপা

-জোপা - আমেৰজোপা

-টুক্ৰা - কাডেৰটুক্ৰা, মাছেৰটুকুৰা

-হাতা - একহাতা কলা (এক আখি কল)

-গুলা / -গণা - মানুহগালা (মানুহবোৰ) কাইআগুলা (কাউৰীবোৰ)

-বাগান - ফুলেৰ বাগান, গুৱেৰ বাগান (তামোলৰ বাগিচা)

-চাহা- আমেৰ চাহা (আমৰ চকল)

- জাক- চৰাইৰ জাক (চৰাইৰ জাক)

-বেলা - শকালবেলা, দুহুৰবেলা (ৰাতিপুৱা, দুপৰীয়া)

-বাইওে- ওগোবাইওে, এই বাইওে (সিহঁতৰ ঘৰত, এই ঘৰত)

- দুক্কা - একদুক্কা নুন (অকনমান নিমখ)

-শন্দা - একশন্দা (এসাজ)

- অলপো - অলপো চাইল (অলপ চাউল)

**অনির্দিষ্টতাবাচক প্ৰত্যয় ঃ**

-কয়ডো - অলপো কয়ডো (কেইটামান)

-কয়েক - কয়েকমাশ, কয়েকদিন

- কয়েকটা - কয়েকটা কাম, কয়েকটা জিনিশ

- খানিক - বছৰখানিক, মাশখানিক

- দুল্লুসানি - দুল্লুসানি ভাত (অকনমান ভাত)

**উপসৰ্গ ঃ**

অ ঃ

অ - কাম অকাম

অ - মিল অমিল

অ - বুজ অবুজ

অ - শভ্য অশভ্য

অ - শুক অশুক

অ - ন্যায় অন্যায়

প্ৰতিটো শব্দই নঞাৰ্থক ৰূপত ব্যৱহৃত হয়।

কু - ঃ

কু - কৰ্ম কুকৰ্ম

কু - লক্ষী কুলক্ষী

কু - শনি কুশনি

বে ঃ

বে - শৰম বেশৰম

বে - দখল বেদখল

বে - আইনী বেয়াইনী

বে - আদব বেদব

বে - শৰম বেশৰম

বে - কায়দা বেকায়দা

**৩.২.২ ঃ বচন ঃ**

ভাটীয়া ভাষাত বচন দুই প্ৰকাৰ- একবচন আৰু বহুবচন। এই কথ্যৰূপটোত বচন

ব্যাকৰণগত নহয়। এইক্ষেত্ৰত ই-মান্য অসমীয়া আৰু গোৱালপৰীয়া উপভাষাৰ সৈতে একে।

একবচন ঃ

| বচননিৰপেক্ষৰূপ | একবচনৰ প্ৰত্যয় | একবচন |
|---|---|---|
| মানুশ | টো | মানুশটো |
| গৰু | ডো | গৰুডো |
| গাছ | ডো | গাছডো |

মান্য অসমীয়াৰ দৰেই এই কথ্যৰূপটিতো একবচনৰ পৰা বহুবচন কৰিবলৈ তিনিটা ৰীতি অৱলম্বন কৰা হয়।

**১। সংখ্যাবাচক শব্দৰ সংযোগত ঃ**

বচন নিৰপেক্ষ ৰূপ বা একবচনৰ আগত বা পিছত সংখ্যাবাচক শব্দৰ প্ৰয়োগ কৰি বহুবচন কৰা হয়।

গৰু দুইডো খেতেৰ থাইকা নিয়া আইশো।

(গৰু দুটা পথাৰৰ পৰা লৈ আহা)

চাইডডো কাডল গাছেৰ থাইকা পাইৰা নেও।

(গছৰ পৰা চাৰিটা কঁঠাল পাৰি লোৱা)

**২। শব্দৰ পুনৰাবৃত্তিৰ দ্বাৰা ঃ**

শব্দ একোটাৰ পুণঃ প্ৰয়োগৰ দ্বাৰাও বহুবচন বুজোৱা হয়।

ঘাটায় ঘাটায় (বাটে বাটে)

হাটে হাটে (বজাৰে বজাৰে)

আইটা আইটা (খোজকাঢ়ি)

জোপা জোপা (থোক)

কেডো কেডো (কোনে কোনে)

ফুলে ফুল।

৩। বহুবচনাত্মক প্ৰত্যয়ৰ সংযোগত ঃ

দেশী ভাষাৰ দৰে ভাটীয়া ভাষাটো বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। এই প্ৰত্যয়সমূহৰ সৈতে দেশী ভাষাত ব্যবহৃত প্ৰত্যয়ৰ মিল দেখা যায়। তদুপৰি ভাটীয়া ভাষাত বৰ বেছি বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ নাই। সীমিত সংখ্যক প্ৰত্যয়ৰ দ্বাৰাই বহুবচন কৰা হয়। বাংলাৰ দৰে এই উপভাষাটো বহুবচনত (-ৰা ) আৰু (--গুলা / --গুলি /--গুলী) ৰ প্ৰয়োগ আছে। [৭]

-ৰা ঃ

তুম্‌ৰা (তোমালোক)

মামাৰা (মামাহঁত)

গেদিৰা (ছোৱালীহঁত)

মাৰা (মাঁহত)

-গুলা /-গুলি / - গুলী ঃ

মানুশগুলি (মানুহবোৰ)

জিনিশগুলা (বস্তুবিলাক)

- গণা /-গুণে ঃ

পোলা-পানগনা (ল'ৰা-ছোৱালীবোৰ)

গৰুগুনে (গৰুবোৰ)

বাৰিগনা (ঘৰবোৰ)

বইগুনা (কিতাপবোৰ)

-গো ঃ

আংগোৰে (আমাৰ)

বাইগোৰে (ভাইহঁতৰ)

তুম্‌গো (তোমালোকৰ)

ওগো (সিহঁতৰ)

**-ডি ঃ**

ধানডি (ধানবিলাক)

এইডি (এইবিলাক)

দাওডি (দাওবিলাক)

গাছডি (গছবোৰ)

সাধাৰণতে শব্দ একোটা স্বৰান্ত হ'লে 'ডি' প্ৰয়োগ হয়। যদি ব্যঞ্জনান্ত হয় তেতিয়া 'ডি' '-টি' হয় (Generally if the steam is ended with vowel then -di is added, if it is ended with consonant then 'di' changed to 'DI') [৮]

এইসমূহ বহুবচনাত্মক প্ৰত্যয়ৰ উপৰিও মান্য অসমীয়াত ব্যৱহৃত হোৱা প্ৰত্যয় কিছুমানৰো প্ৰয়োগ এই কথ্যভাষা ৰূপটিত পোৱা যায়। তেনে কেইটামান উদাহৰণ তলত দিয়া ধৰণৰ -

-দল - মানুশেৰ দল (মানুহৰ দল)

-গণ- মুৰব্বীগণ (মুখীয়াল সকল)

- পাল - গৰুৰ পাল

তদুপৰি সচৰাচৰ ব্যৱহাৰ হোৱা কিছুমান বহুবচন বুজোৱা শব্দ হ'ল-

বহুত /মেল্লা - বহুত /মেল্লা মানুশ

অনেক - অনেক কাম, অনেক মাছ

বিৰাট - বিৰাট শবা (ডাঙৰ সভা) ইত্যাদি।

**৩.২.৩ ঃ লিংগ ঃ**

লিংগ প্ৰকৰণ বিধিৰ ক্ষেত্ৰত ভাটীয়া ভাষা দেশী ভাষা আৰু মান্য অসমীয়াৰ সৈতে একেই। কেৱলমাত্ৰ এইবোৰৰ কিছুমান ৰূপ মান্য অসমীয়াৰ সৈতে কিছু পৃথক আৰু কামৰূপ-গোৱালপৰীয়াৰ ভাষাৰ সৈতে মিল থকা দেখা যায়।

এইকথ্যভাষাটিত লিংগ নিৰ্ণয়ৰ বিধিসমূহ হ'ল-

**১। কোনো শব্দৰ আগত 'মতা-মাইকী' শব্দ প্ৰয়োগ কৰি ঃ**

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| মৰদা হাশ (মতা হাঁহ) | মাগি ছাশ (মাইকী হাঁহ) |
| বেটাছাল (পুৰুষ) | মেছাল (মহিলা) |
| বেটা মানুশ (ল'ৰা) | বেটি মানুশ (ছোৱালী) |
| মৰদা কইতৰ (মতা পাৰ) | মাগি কইতৰ (মাইকী পাৰ) |

**২। বেলেগ বেলেগ শব্দৰ প্ৰয়োগ কৰি ঃ**

| <u>পুংলিংগ</u> | <u>স্ত্ৰীলিংগ</u> |
|---|---|
| বাবা /আব্বা (দেউতা) | মা (আই) |
| বাই (ককাইদেউ) | বাবি (নবৌ) |
| বোন /বুন (বাইদেউ) | মিঞাবাই / দুলাবাই (ভিনিদেউ) |
| দাম্ৰা (দমৰা) | বহন (গাই) |
| পাঠা (মতা ছাগলী) | বুৰানী (মাইকী ছাগলী) |

**৩। স্ত্ৰী প্ৰত্যয়ৰ সংযোগ ঘটাই ঃ**

-ই, - নি, -আনি, -এনী আদি স্ত্ৰী প্ৰত্যয়ৰ সংযোগত ভাটীয়া ভাষাত লিংগ পৰিবৰ্তন কৰা হয়। উদাহৰণস্বৰূপে ঃ

**-ই, - ঈ ঃ**

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| ছেৰা (ল'ৰা) | ছেৰী (ছোৱালী) |
| গেদা (ল'ৰা) | গেদি (ছোৱালী) |
| নানা (ককা) | নানী (আইতা) |
| কানা (কনা) | কানি |
| কাক্কা (খুৰা) | কাক্‌কি (খুৰী) |

**- আনি ঃ**

| | |
|---|---|
| চাকৰ | চাক্‌ৰানি |
| ফকিৰ (ভিখাৰী) | ফইক্‌ৰানি (ভিক্ষাৰীনি) |

- এনী ঃ

| পুংলিংগ | স্ত্রীলিংগ |
|---|---|
| আজী (হাজী) | আইজেনী (হাজীৰ পত্নী) / হজ কৰি অহা মহিলা) |
| বাইদ্যা | বাইদ্যেনি |

- নি ঃ

| | |
|---|---|
| নাতি | নাত্নি |
| চোৰ | চুন্নি |
| ভূত | ভূত্নি |
| বান্দৰ | বান্দৰ্নি |
| মাষ্টাৰ | মাষ্টাৰ্নি |

ওপৰোক্ত উদাহৰণবোৰৰ উপৰিও এনে কিছুমান শব্দ আছে যিবোৰ নির্দিষ্টকৈ কেৱল এটা লিংগক বুজাবলৈ ব্যৱহৃত হয়। তেনে শব্দ কেইটমান হ'ল -

অকল মাইকী বুজোৱা - বাজী, ৰান্দুনি (ৰান্ধনি), ধাইয়েনি (ধাই), পেত্নি, পোৱাতী, মাৰানী ইত্যাদি।

অকল পুৰুষ বুজোৱা - কাম্‌লা, ভাতাৰ, অটকুৰে আদি।

**৩.২.৪ ঃ কাৰক আৰু শব্দ বিভক্তি ঃ**

কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত পোৱা সাতোটা কাৰকৰ অর্থপ্রকাশক ৪টা বিভক্তিৰ অনুৰূপে ভাটীয়া ভাষাতো চাৰিটা বিভক্তি পোৱা যায়। এইক্ষেত্রত এই ভাষাৰ বাংলাৰ সৈতেও সাদৃশ্য আছে। এই উপভাষাত প্রাপ্ত বিভক্তি কেইটা হ'ল-

| | |
|---|---|
| প্রথমা | - এ, - ই |
| দ্বিতীয়া | - ৰে |
| ষষ্ঠী | - ৰ |
| সপ্তমী | - ত |

কাৰক আৰু সম্বন্ধ পদ অনুসৰি ভাটীয়া ভাষাত বিভক্তি আৰু অনুপদবোৰৰ এখন

তালিকা প্ৰস্তুত কৰা হয় ঃ

| কাৰক | বিভক্তি | বিভক্তিৰ চিন | অনুপদ |
|---|---|---|---|
| কৰ্তা | শূন্য বিভক্তি, ১ম | ০, -এ, - ই | |
| কৰ্ম | শূন্য বিভক্তি, ২য়া | ০, -ৰে | |
| কৰণ | ২য়া | -ৰে, ৰ | দিয়া |
| নিমিত্ত | ২য়া, শূন্য বিভক্তি | -ৰে, ০ | নইগা, জইন্যে |
| অপাদান | ৭মী | -ত | অইতে, থইকা |
| সম্বন্ধপদ | ষষ্ঠী | -ৰে, - ৰ | |
| অধিকৰণ | ৭মী | - ত | |

এই কথ্যৰূপটিৰ বিভক্তিৰ সংখ্যা সীমিত। কৰ্তাকাৰকৰ ক্ষেত্ৰত মান্য অসমীয়া আৰু দেশী ভাষাৰ সৈতে একেই। সম্প্ৰদান কাৰকৰ ক্ষেত্ৰত বিভক্তিৰ প্ৰয়োগ সুকীয়া। উক্ত কাৰকৰ বাবে বিভক্তি নাই, ২য়া বিভক্তিৰ ৰূপে ইয়াতো প্ৰয়োগ হয়। মৈমনশিক্ষীয়াত প্ৰাপ্ত, '-ৰ'ৰ সৈতে ই মিলে। অপাদান কাৰকৰ ক্ষেত্ৰত ৭মী '-ত' ৰ পিছত 'অইতে', 'থাইকা' অনুপদযুক্ত হয়। কৰণ কাৰকৰ বিভক্তি নাই, '-ৰ', '-ৰে' ৰ পিছত জইন্যে, 'নইগা' অনুপদ যুক্ত হয়। তলত এই ভাষাত ব্যৱহাৰ হোৱা কাৰক আৰু শব্দবিভক্তিসমূহৰ উদাহৰণ দাঙি ধৰা হ'ল-

**কৰ্তা কাৰক ঃ**

কৰ্তাকাৰকত শূন্য বিভক্তি আৰু ১মা-ই, -এ বিভক্তি যোগ হয়। উদাহৰণস্বৰূপে ঃ

শূন্য বিভক্তি - গৰু গাশ খায় (গৰু ঘাঁহ খায়)

মীনা মাছ কাটতাইছে (মীনা মাছ কাটে)

১মা বিভক্তি- মধুএ কামডো কৰে (মধুএ কামটো কৰে)

**কৰ্ম কাৰক ঃ**

শূন্য বিভক্তি আৰু ২য়া বিভক্তি '-ৰে' যুক্ত হয়। উদাহৰণ ঃ

তুমি বাত খাও (তুমি ভাত খোৱা)

মাষ্টাৰ ছাত্ৰৰে পৰাইতাছে (মাষ্টৰে ছাত্ৰক পঢ়াইছে)

আমি ওৱে দেহি নাই (মই তাক দেখা নাই)

**কৰণ কাৰক ঃ**

কৰণকাৰক কৰোঁতে 'দিয়া' অনুপদ আৰু কেতিয়াবা ইয়াৰ -ৰে, -ৰ বিভক্তি যোগ দিয়াৰ পিছত দিয়া অনুপদ যোগ হয়। যেনে ঃ

অক দিয়া কামডো কৰাও (তাৰ দ্বাৰা কামটো কৰোঁৱা)

চামুচ দিয়া ভাত বাইৰে দে (হেতাৰে ভাত দিয়া)

কাম্‌লাৰে দিয়া কামডো কৰাইয়া নেও (বনকৰা মানুহ লৈ কামখিনি কৰাই লোৱা)

**নিমিত্ত কাৰক ঃ**

নিমিত্ত কাককত ২য়া বিভক্তিৰ '-ৰ, -ৰে' পিছত জইন্যে, নইগা যোগ হয়। যেনে ঃ

তাৰে যাইতে দেও (তাক যাবলৈ দিয়া)

পোলাডোৰ নাইগা চকলেট আইনো (ল'ৰাটোৰ কাৰণে চকলেট আনিবাচোন)

বুনেৰ জইন্যে চুৰি নিয়া যামু (ভন্টীৰ কাৰণে খাৰু লৈ যাম)

**অপাদান কাৰক ঃ**

৭মী '-ত' বিভক্তিৰ পিছত - থাইকা, আইতে অনুপদ যুক্ত হৈ অপাদান কাৰক হয়। যেনে ঃ

মাটেত থাইকা গৰুগলা আনি (পথাৰৰ পৰা গৰুবিলাক লৈ আহো)

তাৰাৰ কাছ থাইকা শুইনা আইশো (সিহঁতৰ ওচৰৰ পৰা শুনি আহা)

বিপদ আইতে বাছলাম (বিপদৰ পৰা ৰক্ষা পৰিলোঁ)

হাৰিত থাইকা বাত বাইৰা খাও (চৰুৰ পৰা ভাত লৈ খোৱা)

**সম্বন্ধ পদ ঃ**

ষষ্ঠী-ৰ বিভক্তি যুক্ত কৰি সম্বন্ধ পদ কৰা হয়। যেনে ঃ

এইডে আমাৰ কলম (এইটো মোৰ কলম)

পাগাৰেৰ মদ্যে মেল্লা মাছ (ডোং / খালত বহুতো মাছ আছে)

তোৰ কতা আমি শুনুম্‌না (তোমাৰ কথা মই নুশুনো)

**অধিকৰণ কাৰক ঃ**

১মা - এ, ৭ম -ত, ২য়া -ৰ, বিভক্তি যুক্ত অধিকৰণ কাৰক কৰা হয়। যেনে ঃ

গৰে মানুশ নাই (ঘৰত মানুহ নাই)

গাছত মেল্লা বান্দৰ (গছত বহুতো বান্দৰ আছে)

গেলাসতোৰ মইদ্দে ৰাহো (গিলাচটোত ৰাখা)

**৩.২.৫ ঃ বিশেষ্য ঃ**

নাম বুজোৱা পদবোৰেই বিশেষ্য পদ। এই পদসমূহৰ পিছত শব্দ বিভক্তি যুক্ত হয়। মূল শব্দ আৰু শব্দ বিভক্তিৰ মাজত বচন, লিংগবাচক প্রত্যয়, নির্দিষ্টতাবাচক প্রত্যয়, পুৰুষবাচক, নির্দিষ্টতাবাচক প্রত্যয়যোগ হয়। উদাহৰণস্বৰূপে - গৰু, গৰুডো, আমদুইডো, মানুশকয়জন ইত্যাদি।

৩.২.৬ ঃ বিশেষণ ঃ

ভাটীয়া ভাষাত প্রাপ্ত বিশেষণ সমূহক তলত দিয়া ধৰণে তিনিটা ভাগত ভগাব পাৰি-

১। ভাটীয়া ভাষাত থকা কিছুমান বিশেষণ শব্দ মৈমনশিঙীয়া ভাষাত পোৱা যায় অসমীয়া আৰু ইয়াৰ উপভাষাবোৰত পোৱা নাযায়। এনে বিশেষণ শব্দবোৰ মূলৰ সৈতে একে।

২। মান্য অসমীয়াত নথকা কিন্তু গোৱালপৰীয়া উপভাষাত থকা কিছুমান বিশেষণ শব্দ এই ভাষাত পোৱা যায়।

৩। এই কথ্যভাষাটিতপ্রাপ্ত কিছুমান বিশেষণ শব্দ মান্য অসমীয়াৰ প্রভাৱত আহিছে। এই তিনিও প্রকাৰ বিশেষণ সমূহৰ উল্লেখ তলত আগবঢ়োৱা হ'ল ঃ

**বিশেষ্যৰ বিশেষণ ঃ**

বিশেষ্যৰ গুণ, দোষ, অৱস্থা, পৰিমাণ, সংখ্যা বুজোৱা অজস্র শব্দ এই কথ্যভাষাৰূপটিত আছে। উদাহৰণ স্বৰূপে বালো (ভাল), খাৰাপ (বেয়া), কম, বেশি, বৰো (ডাঙৰ), ছটো (সৰু), উচা (ওখ), ছাপৰ (চাপৰ), নিচা (তল) দীগ্‌লা (দীঘল), খাটো (চাপৰ), মগা (ক্ষীণ), পাতলা (পাতল), মোটা (শকত), ওশাৰ (বহল), অল্‌পো (অলপ), পাথাইলা (পথালি), মিঠে, তিতে, কশটা (কেঁহা), চুহা / চুক্কা (টেঙা), পুঠ্‌ঠা (পুৰঠ), কোম্‌লা (কেঁচা), দলা (বগা), কালা, কালটি, কাইলটা (কিট কিটা ক'লা), নাল (ৰঙা), অইলদা (হালধীয়া), মাইটা (মটীয়া), শেম্‌লা (সেউজীয়া),

এক লাক (এক লাখ), দুই আত (দুহাত), বিগে (বিঘা), খোত্‌লা, খোৰা/ নেংৰা, অঁজা (সতেজ), মেল্লা, শকতো /সকতো (টান), পাগলা-পাগলী, বেঅলা, দুলালু (আলসুৱা) ইত্যাদি।

**বিশেষণৰ বিশেষণ ঃ**

বিশেষণ শব্দক বিশেষকৈ বুজাবলৈ অসংখ্য শব্দ এই ভাষাত আছে। উদাহৰণস্বৰূপে ঃ

টিক্‌টিহে নাল (টিকটিকীয়া ৰঙা)

কালা কুট্‌কুটা / কুছ্‌কুছা কালা (কিটকিটিয়া ক'লা)

গুদ্‌গুদা আন্দাৰ (ঘোপমৰা আন্ধাৰ)

দলা ফত্‌ফতা (ফট্‌ফটীয়া বগা)

ফৰ্‌ফৰা দলা (বেছি বগা-ছোৱালী / কাপোৰ বুজোৱা অৰ্থত)

ঠশ্‌ঠশা (ঠুনুকা)

খুন্‌খুনা / খুনখুনী (অতি বেছি বৃদ্ধ)

টক্‌টকা জাল (বেছি জলা)

জোৰে জোৰে

সেৰুম জোৰে (বৰ জোৰকৈ)

তেল্‌তেলা / টেল্‌টেলা (পাতল / পনীয়া - জোলৰ ক্ষেত্ৰত)

**সৰ্বনামীয় বিশেষণ ঃ**

সৰ্বনামৰ গুণ, দোষ, পৰিমাণ আদি বুজোৱা সৰ্বনামীয় বিশেষণ শব্দৰ উদাহৰণ হ'ল ঃ

এবা (এনেকুৱা), কেবা (কেনেকুৱা), এ'তো (ইমান), অতো (ইমান), কতো (কিমান), জত /জেতো (যিমান), সতো /সেতো (সিমান), ইল্লা /ইন্না (এইবোৰ), কোনডো (কোনটো) ইত্যাদি।

**ক্ৰিয়া বিশেষণ ঃ**

এই ভাষাত পোৱা ক্ৰিয়া বিশেষণবোৰক লক্ষণবাচক, কালবাচক, স্থানবাচক আদি ৰূপত পোৱা যায়। উদাহৰণস্বৰূপে -

**লক্ষণবাচক ঃ**

এবা কৈৰা (এনেকৈ), জেবা কৈৰা (যেনেকৈ), কেবা কৈৰা (কেনেকৈ), ওবা কৈৰা

(তেনেকৈ), আছ্তে / লাহে লাহে (লাহে লাহে) আদি।

**কালবাচক ঃ**

আইছ্কা (আজি), কাইলকা (কালি), এহন / আহুন (এতিয়া), তহন (তেতিয়া), আগে (আগত) উদিনকা / পশশু (পৰহি), আগামিকাল (অহাকালি), কহুন (কেতিয়া), কহনবা (কেতিয়াবা), ৰাইত /আইত (ৰাতি), বেনা (ৰাতিপুৱা), দুহুৰ (দুপৰীয়া) বাটিবেলা / শন্দা বেলা (সন্ধিয়া), ফটাফট (তৎক্ষণাত), দেৰিকৈৰা (পলমকৈ), মাশে মাশে ইত্যাদি।

**স্থানবাচক ঃ**

এহানে (ইয়াত), কোনে (ক'ত), অহনে / অটাই (তাত), ঐ অহানে / অটাই (সেই তাত), জেহানে-তেহানে (য'তে-ত'তে), জেটাই-শেটাই, এনে দিয়া (এই ফালেদি), এম্মুৰা-অম্মুৰা (ইফাল-সিফাল), বগলে-বাগলে (অচৰে-পাজৰে), বাইৰে-বিত্ৰে (বাহিৰে-ভিতৰে), তলে-উহুৰে (তলে-ওপৰে) আদি।

**বিশেষণৰ তুলনা ঃ**

ভাটীয়া ভাষাত বিশেষণৰ তুলনাৰ ক্ষেত্ৰত শালকোচীয়া বা দেশী আৰু মান্য অসমীয়াৰ দৰেই '-ত' বিভক্তি যুক্ত হয়। বিভক্তিৰ যোগৰ পিছত 'থাইকা', 'থিকা' যুক্ত হয়। যেনে ঃ

ইডোত থাইকা ওডো উচা (এইটোতকৈ সিটো ওখ)

মীৰাত থাইকা মীনা কালো (মীৰাতকৈ মীনা কলা)

বেহেত থিকা ও দলা (তাতকৈ সি বগা) ইত্যাদি।

বহুতৰ মাজত এজনক শ্ৰেষ্ঠ বা তুলনা কৰা অৰ্থত 'বেকটি' শব্দৰ লগত সপ্তমী '-ত' বিভক্তি যোগ হোৱাৰ পিছত 'থাইকা / থিকা' যোগ হয়। উদাহৰণ ঃ

ৰাতুল বেক্টিত থাইকা ছটো (ৰাতুল সকলোতকৈ সৰু)

ও বেকটিত থাইকা শুন্দৰ (তাই সকলোতকৈ ধুনীয়া)

দুজনৰ মাজত তুলনা দেখুৱাওতেও সপ্তমী-ত বিভক্তি যোগ হয়।

এইডেত থাইকা ওডেৰ দাৰ বেছি।

তুমি আমাত থাইকা ছাপৰ।

দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰিও বিশেষণৰ তুলনা কৰা হয়। উদাহৰণ ঃ

ঠাণ্ডাত থাইকা ঠাণ্ডা, কালোৰ কালো, নাৰে নাল, শইতানেৰ শইতান, দনীৰ দনী (ধনীৰ ধনী) ইত্যাদি।

### ৩.২.৭ ঃসৰ্বনাম ঃ

ভাটীয়া ভাষাত কেইবাপ্রকাৰৰ সৰ্বনাম পোৱা যায়। এই ভাষাটোত বচন আৰু কাৰক অনুসৰি সৰ্বনামৰ পৰিবৰ্তন হয়। লিংগভেদে সৰ্বনামৰ কোনো পৰিবৰ্তন নহয়। তলত বিভিন্ন শ্ৰেণীৰ সৰ্বনামৰ তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল ঃ

**পুৰুষবাচক সৰ্বনাম ঃ**

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | আমি | আম্‌ৰা |
| তুচ্ছাৰ্থত | তুই | তোৰা |
| ২য় পুৰুষ | | |
| মান্যাৰ্থত | তুমি / আপনে | তুমৰা / আপনাৰা |
| ৩য় পুৰুষ | ও/উনি/ইনি | ওৰা/উনাৰা/ইনাৰা |

**নিশ্চয়বাচক সৰ্বনাম ঃ**

| | একবচন | বহুবচন |
|---|---|---|
| নিকটবৰ্তী | উই (এই) | ইন্ন (এইবোৰে) |
| | এতি (এইজন) | এৰাই (ইহঁত) |
| দূৰৱৰ্তী | ওইডো (সেইটো) | উন্না /সেইবোৰ) |
| | ওতি (সেইজন) | ওৰাই (সিহঁত) |

**সম্বন্ধবাচক সৰ্বনাম ঃ**

| | একবচন | বহুবচন |
|---|---|---|
| | জে (যে) | জাৰা (যিযি), জাৰা |
| | যেডো (যিটো) | জাৰা (যিয়ে যিয়ে) |
| | | জিল্লা / জিন্না (যিবোৰ) |

**প্রশ্নবোধক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| কি (কি) | কি কি |
| কেৰো (কোন) | কেৰো কেৰো |
| কাক | কাক কাক |
| কাৰ | কাৰ কাৰ |

**অনির্দিষ্টতাবাচক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| কেৰো (কোন) | কেৰা কেৰা / কাৰা কাৰা |
| কেৰোবানি (কোনোবা) | কাৰাকাৰাবানি / কেৰোকোৰাবানি |
| কেই (কোনো) | কিছ্ছুই (কোনো) |

**নিজবাচক সৰ্বনাম ঃ**

| একবচন | বহুবচন |
|---|---|
| নিজেৰ | নিজেৰা নিজেৰা |

সৰ্বনাম পদবোৰে বিভিন্ন বিভক্তিৰ চিহ্ন গ্ৰহণ কৰি ব্যৱহৃত হোৱাৰ উদাহৰণ এখন তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল ঃ

'আমি' ১ম পুৰুষৰ সৰ্বনাম শব্দ ঃ

| কাৰক | একবচন | বহুবচন |
|---|---|---|
| কর্তা | আমি | আম্‌ৰা |
| কর্ম | আমাক | আংগেইৰে |
| কৰণ | আমাক দিয়া | আংগেৰ দিয়া |
| নিমিত্ত | আমাৰ জইন্যে | আংগেৰ জইন্যে |
| অপাদান | আমাৰ থাইকা | আংগেৰ থাইকা |
| সম্বন্ধপদ | আমাৰ | আংগেৰ |
| অধিকৰণ | আমাত | আংগেত |

৩.২.৫ ঃ ক্রিয়া ঃ

ক্রিয়াপদৰ আলোচনাত ধাতু, পুৰুষ, কাল, ভাব আৰু বাচ্যৰ আলোচনা সংযুক্ত হৈ থাকে। ভাটীয়া ভাষাৰ ক্রিয়াপদৰ আলোচনা কৰোঁতে মান্য অসমীয়া আৰু দেশী ভাষাত প্রাপ্ত তিনি প্রকাৰ ধাতুৰ অনুৰূপ এই ভাষাতো তিনি প্রকাৰ ধাতুৰ ৰূপ দেখিবলৈ পোৱা যায়। তলত এইবোৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল-

**১। মৌলিক ধাতু ঃ**

ভাটীয়া ভাষাৰ স্বয়ংসিদ্ধ মৌলিক ধাতুবোৰ হ'ল- কৰ, খা, ৰাখ,ধৰ, বইশ, দেহা (দেখ), শুন, পৰ, মৰ, উড (উঠ), যা, নে (ল), বাশ (ভাঁহ), চল, যা ইত্যাদি।

**২। সাধিত ধাতু ঃ**

নামপদৰ পিছত প্রত্যয় যুক্ত হৈ হোৱা সাধিত ধাতুসমূহ এনেধৰণৰ ঃ

খা + ইয়া = খাইয়া (খাই)

দেখ + ইয়া = দেইহা (দেখি)

পৰ + আও = পৰাও (পঢ়োৱা)

উড + ই = উডি (উঠি)

কৰ + ও = কইৰো (কৰা)  ইত্যাদি

**যৌগিক ধাতু ঃ**

ভাটীয়া ভাষাত ব্যৱহৃত হোৱা যৌগিক ধাতুসমূহ এনেধৰণৰ- আল বোৱা (হাল বোৱা), বৰো কৰা (ডাঙৰ কৰা), শেশ কৰা, বালো কৰ (ভাল কৰ), খাৰাপ কৰ, কলশে কইৰা পানী আন, নিয়া যা, খায়া থ, বইশা থাক, কয়া দেখ (কৈ চোৱা), খাইবাৰ চাশ (খাব বিচৰা), কইবাৰ পাও (ক'ব পাৰা), বইশপাৰ পাও (বহিব পাৰা), আশা-জাৱা কৰ, আন্দিতাইছে(ৰান্ধিব লাগ) পৰতাইছে(পঢ়িব ধৰ) ইত্যাদি।

**ক্রিয়াৰ কাল ঃ**

কাল প্রধানকৈ তিনিটা ঃ

১। বৰ্তমান কাল

২। অতীত কাল

৩। ভৱিষ্যত কাল

বৰ্তমান কাল নিৰ্দেশক ভাৱৰ দুটা ৰূপ-নিত্য বৰ্তমান কাল আৰু স্বৰূপ বৰ্তমান। আকৌ ভৱিষ্যত কাল বুজাবলৈ পুৰুষভেদে এই ভাষাত একবচন আৰু বহুবচনৰ ৰূপ ভিন্ন হয়।

| | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | -ইমু | - ইমু |
| ২য় পুৰুষ | -বি /- বি /-বেন | -বা /-বি /-বেন |
| ৩য় পুৰুষ | -ব | -ব |

উদাহৰণস্বৰূপে ঃ

| | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | আমি কৰমু | আম্‌ৰা কৰমু |
| ২য় পুৰুষ | তুই কৰবি | তৰা কৰবি |
| | তুমি কৰবা | তুম্‌ৰা কইৰবা |
| | আপনে কৰবেন | আপ্‌নেৰা কৰবেন |
| ৩য় পুৰুষ | ও কৰব | ওৱা কইৰবো |

ক্ৰিয়াৰ অতীত কালৰ ক্ষেত্ৰত তৎকালিক অতীত, পূৰ্ণ অতীত, সাম্ভাব্য অতীত আদি ৰূপ পোৱা যায়। কাৰ্য মাত্ৰ শেষ হোৱা বুজালে তৎকালিক অতীত হয়। যেনে ঃ আমি কামডো কইৰ লাম। কাৰ্য বহু আগতে হোৱা বুজালে পূৰ্ণ অতীত হয়। যেনে ঃ আমি ওগোৰে বাইত থাইকা আশলাম। অতীতত সাম্ভাব্যতা বুজাওতে সাম্ভাব্য অতীত হয়। যেনে ঃ ওৰা আইশলোনি (সিহঁত আহিল্‌হেঁতেন)

আমি কইৰলামনি (মই কৰিলোহেতেঁন) ইত্যাদি

**ক্ৰিয়াৰ ভাৱ ঃ**

এইকথ্যৰূপত ক্ৰিয়াৰ দুই প্ৰকাৰ ঃ

১। নিৰ্দেশক ভাৱ

২। অনুজ্ঞা ভাৱ।

**নিৰ্দেশক ভাৱ ঃ**

'কৰ' ধাতুৰ বৰ্তমান, অতীত, ভৱিষ্যত কালৰ ৰূপ তলত তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল-

**বৰ্তমান কাল ঃ**

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | কৰি | কৰি |
| ২য় পুৰুষ | কৰ /কৰো /কৰেন | কৰ /কৰো /কৰেন |
| ৩য় পুৰুষ | কৰে | কৰে |

**অতীত কাল ঃ**

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | কৰছিলাম | কৰছিলাম |
| ২য় পুৰুষ | কৰছিলা /কৰছিলেন | কৰছিলা /কৰছিলেন |
| ৩য় পুৰুষ | কৰছিলো | কৰছিলো |

**ভৱিষ্যত কাল ঃ**

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | কৰমু | কৰমু |
| ২য় পুৰুষ | কইৰবা | কইৰবেন |
| ৩য় পুৰুষ | কইৰব | কইৰব |

**অনুজ্ঞা ভাৱ ঃ**

সাধাৰণতে ক্ৰিয়াৰ অনুজ্ঞাভাৱ বৰ্তমান কালৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। যেনে ঃ

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| ১ম পুৰুষ | আমি কৰি | আম্ৰা কৰি |
| ২য় পুৰুষ | তুই কৰ/তুমি কৰো | তোম্ৰা কৰো |
| | আপনে কৰেন | আপনাৰা কৰেন |
| ৩য় পুৰুষ | ও কৰুক /উনি কৰুক | ওৰা কৰুক / ওনাৰা কৰুক |

**ক্ৰিয়া বিভক্তি ঃ**

ক্ৰিয়া বিভক্তিসমূহ ধাতুৰ পিছত সংযুক্ত হৈ বিভিন্ন কাল নিৰ্দেশ কৰে। তলত বিভিন্ন কাল, পুৰুষ আৰু বচন অনুসৰি ভাটীয়া ভাষাৰ ক্ৰিয়া বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল ঃ

| কাল | পুৰুষ | একবচন | বহুবচন |
|---|---|---|---|
| বৰ্তমান | ১ম পুৰুষ | - ই | - ই |
| নিৰ্দেশক | ২য় পুৰুষ তুচ্ছ | ০, -ও | -ও |
| ভাৱ | মান্য | -এন | -এন |
| | ৩য় পুৰুষ | -এ | -এ |
| অনুজ্ঞা | ১ম পুৰুষ | - ই | - ই |
| ভাৱ | ২য় পুৰুষ তুচ্ছ | ০, -ও | -ও |
| | মান্য | -এন | -এন |
| | ৩য় পুৰুষ | -উক | -উক |
| পূৰ্ণ বৰ্তমান | ১ম পুৰুষ | -ছি | --ছি |
| কাল | ২য় পুৰুষ তুচ্ছ | -আশ | -আশ |
| | মান্য | -ও/ -এন | -ও /-এন |
| | ৩য় পুৰুষ | -এ | -এ |
| পূৰ্ণ ভূত | ১ম পুৰুষ | -ইছিলাম | -ইছিলাম |
| কাল | ২য় পুৰুষ তুচ্ছ | -ইছিলি | -ইছিলি |
| | মান্য | -ইছিলা/ -ইছিলেন | -ইছিলা /-ইছিলেন |
| | ৩য় পুৰুষ | -ইছিলো | -ইছিলো |
| ভূত | ১ম পুৰুষ | -ইলাম | -ইলাম |
| কাল | ২য় পুৰুষ তুচ্ছ | -ইলি | -ইলি |
| | মান্য | -ইলা/ -ইলেন | -ইলা /-ইলেন |
| | ৩য় পুৰুষ | -ইলো | -ইলো |
| ভৱিষ্যত | ১ম পুৰুষ | -মু | -মু |
| কাল | ২য় পুৰুষ তুচ্ছ | -বি | -বি |
| | মান্য | -বা/ -বেন | -বা /-বেন |
| | ৩য় পুৰুষ | -ব | -ব |

**ক্রিয়াৰ নাস্ত্যাৰ্থক ৰূপ ঃ**

ভাটীয়া ভাষাত ক্ৰিয়াৰ নাস্ত্যাৰ্থক ৰূপ কৰিবলৈ সদৰ্থক ৰূপৰ পিছত 'না' যোগ কৰা হয়। যেনেঃ

কৰমু- না = কৰমুনা

ধৰমু - না = ধৰমুনা

খেলামু - না = খেলামুনা

ছাৰমু - না = ছাৰমুনা

ছাৰবি - না = ছাৰবিনা

পায় - না = পায়না

খায় - না = খায়না

যায় - না = যায়না    আদি।

**অসমাপিকা ক্ৰিয়া ঃ**

ভাটীয়া ভাষাত প্ৰাপ্ত অসমাপিকা ক্ৰিয়াৰ ৰূপবোৰ এনেধৰণৰ - দেইহা (দেখি), শুইনা (শুনি), বুইজা (বুজি), বাইৰা (বাৰি), পইৰা (পৰি), লেইহা (লিখি), আশ্‌লি (আহিলে), বইলে /বশলি (বহিলে), গেলি (গ'লে), কাইন্দা (কান্দি), উইৰা (উৰি), খায়া (খাই) ইত্যাদি।

**৩.২.৮ ঃ অব্যয় ঃ**

ভাটীয়া ভাষাৰ অব্যয়সমূহ এনেধৰণৰ ঃ

**সংযোজক অব্যয় ঃ**

কাপোৰ আৰ কিতাপ দুইডাই আইনো।

(কাপোৰ আৰু কিতাপ দুয়ো আনিবা)

ওতো কইৰলাম তাও নাম পাইলামনা।

(ইমান কৰিলো তথাপি নাম নাপালো)

ওৰ জইন্যে আমি পাইলামনা।

(তাৰ কাৰণে মই নাপালো)

ইয়াত 'আৰ', 'তাও', 'জইন্যে' সংযোজক অব্যয়।

**বিয়োজক অব্যয় ঃ**

দুইজন বা তিনজন আইশপো (দুই বা তিনিজন আহিব)

মানুশটা খুব বালো কিন্তু মদ খায় (মানুহজন বৰ ভাল কিন্তু সুৰাপান কৰে)

**সন্দেহবোধক ঃ**

ও জদি আইশে আমি জামুনা (সি যদি আহে মই নাযাওঁ)

পাছেবান বুইলা জাশ? (পাহৰি যোৱা পিছে?)

আমি কি জানি খাইছিলাম সেইৰুম শাদ নাইগছে।

(মই কিবা খাইছিলো বৰ সোৱাদ লগা)

এইবাৰ দান বালো হবোনা নাহি, তাত থাইকা গমি বালো অবো (এইবাৰ ধান খেতি ভাল নহব চাগে, তাতকৈ গমধানৰ খেতি ভাল হ'ব)

**ভাৰবোধক অব্যয় ঃ**

হাইৰে, এতো শুন্দৰ ছেৰি।

ইশ্‌ৰে, কি কষ্ট।

ছিঃ ছিঃ এতো বেশৰম মানুশ।

**সম্বোধনবোধক অব্যয় ঃ**

ঐ গেদি, কোনে জাশ।

ও কাক্‌কা কোনে জাও? (ও খুৰা কলৈ যোৱা?)

অ' মা আমাক কিছু খাইবাৰ দেও (অ' মা, মোক কিবা অলপ খাবলৈ দিয়া)

এ আল্লা, এইডো কি কৰতাইছো (হে আল্লাহ, এয়া কি কৰি আছা)

**প্ৰশ্নবোধক অব্যয় ঃ**

তুমি কি খাও? (তুমি কি খোৱা)

এডো কি? (এইটো কি)

তুই এই কামডো কেবা কইৰা কৰবি? (তুমি কামটো কেনেকৈ কৰিবা)

এই মাশটো কেবা কইৰা যে চলুম? (এই মাহটো কেনেকৈ চলিম?)

**সমিধানবোধক অব্যয় ঃ**

তুমি বিয়াত জাইবা কি?

হে জাম / না, জামুনা

তুমি কি জাইবা ?

হে জামু / না জাম্‌না

তুই কি কৰতাইছাশ ?

আমি বাত খাইতাছি

তুই খাবি কি?

না, খাম্‌না।

প্ৰসঙ্গটীকা ঃ

১। শইকীয়া বৰা, লীলাৱতী ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, ২০১১, পৃঃ ২

২। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৯১

৩। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৯২

৪। চৌধুৰী, ৰঘুনাথ ঃ 'ৰাজবংশী ভাষাৰ এটি চমুবৈয়াকৰনিক আভাষ' পৃঃ ৯৭ স্মৃতিগ্ৰন্থ-চক্ৰশীলা-চম্পাৱতী, অসম সাহিত্য সভাৰ উনসপ্ততিতম, চাপৰ অধিবেশন, ২০০৭

৫। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৯৮

৬। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১২০

৭। হাকাচাম, উপেন ৰাভা ঃ অসমীয়া আৰু অসমৰ ভাষা-উপভাষা, পৃঃ ২২১

৮। Rahman, Azizur : A study on the Socio cultural life of the East Bengal Origin Assamese Muslims, P. 172

# চতুর্থ অধ্যায়

# চতুৰ্থ অধ্যায়

## পূব বিলাসীপাৰা অঞ্চলৰ শব্দগত আৰু বাক্যতাত্ত্বিক আলোচনা

**৪.০০ঃ শব্দ সম্ভাৰ ঃ**

কোনো এটা ভাষাক সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত সেই ভাষাটোৰ শব্দ সম্ভাৰৰ ভূমিকা অনন্য। যি ভাষাৰ বৈচিত্ৰ্যপূৰ্ণ শব্দ ভাণ্ডাৰ যিমানে বেছি সেই ভাষা সিমানে ঐশ্বৰ্যপূৰ্ণ বুলি বিবেচিত হয়। ভাষাৰ প্ৰকাশিকা শক্তি শব্দৰ মাজতে নিহিত থাকে। "আৰ শব্দৰাজি যে শুধু ভাৱপ্ৰকাশেৰই উপাদান, তা নয় এ যেন এক বাতায়ন, যার মধ্য দিয়ে এক একটা জাতির আচার আচরণ, গতিবিধি, সভ্যতা ও সংস্কার-এক কথায় তার প্ৰাণৰহস্যেৰ সন্ধান পাওয়া যায়।" [১]

আমাৰ নিৰ্বাচিত অধ্যয়নৰ ক্ষেত্ৰখন হৈছে বিলাসীপাৰা মহকুমাৰ পূব অঞ্চলৰ কথিত ভাষাৰূপ। এই অঞ্চলত মান্য অসমীয়াৰ এটি অন্যতম উপভাষা গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক কথ্যৰূপ শালকোচীয়া বাদেশী ভাষা আৰু ভাটিয়া ভাষা প্ৰচলিত। গোৱালপৰীয়া উপভাষা পশ্চিম শাখাৰ অন্তৰ্গত। শালকোচীয়া কথ্যৰূপটি স্বকীয় বৈশিষ্ট্যৰে বৈশিষ্ট্যপূৰ্ণ। মূলৰ সৈতে ভাষাতাত্ত্বিক ক্ষেত্ৰত প্ৰায় একে হৈও সুকীয়া গুণসম্পন্ন। শব্দৰ ক্ষেত্ৰত এই বিশিষ্টতা বেছি স্পষ্টৰূপত দৃষ্টিগোচৰ হয়। তদুপৰি অভিবাসী মুছলমানসকলে তেওঁলোকৰ মাজত মাতৃভাষা 'ভাটিয়া' ব্যৱহাৰ কৰে। এই ভাষাৰ মূল পূৰ্ব্ববংগীয় মৈমনশিঙীয়া ভাষা। সেয়ে ইয়াত মূলৰ লগত স্বাভাৱিকতে সামঞ্জস্য বিদ্যমান কিন্তু অসমীয়া আৰু ইয়াৰ উপভাষাসমূহৰ প্ৰভাৱত এই ভাষা কিছু ক্ষেত্ৰত মূলৰ পৰা আঁতৰি আহিছে। গতিকে শব্দভাণ্ডাৰৰক্ষেত্ৰত বৈচিত্ৰ্যতা আহি পৰিছে। এই কথ্যভাষাটিত মান্যঅসমীয়া আৰু ইয়াৰ উপভাষা সমূহৰ পৰা বিভিন্ন শব্দ সোমাই পৰিছে আৰু কিছুমান শব্দৰ ক্ষেত্ৰত প্ৰভাৱ পুষ্ট হৈ নতুন ৰূপ লাভ কৰিছে। মুঠতে শালকোচীয়া ভাষা আৰু ভাটীয়া ভাষাৰ শব্দভাণ্ডাৰ বিশাল পৰিসৰৰ।

প্ৰত্যেক ভাষাৰ শব্দভাণ্ডাৰ দুটা উৎসৰ পৰা সৃষ্টি হয়। এই উৎস দুটা হ'ল-মূলোদ্ভৱ বা মৌলিক আৰু আমদানিকৃত শব্দ। দেশী ভাষা আৰু ভাটীয়াৰ শব্দভাণ্ডাৰৰ ক্ষেত্ৰতো এই দুই

ভাগৰ শব্দ পোৱা যায়। মৌলিক বা মূলোদ্ভৱ শব্দসমূহক তিনিটা ভাগত ভগোৱা হয়-

১। তৎসম বা অবিকৃত শব্দ

২। অৰ্ধতৎসম বা অৰ্ধবিকৃত শব্দ

৩। তদ্ভৱ

আকৌ ঋনকৃত শব্দসমূহক এনেদৰে ভগাব পাৰি-

১। বিদেশী শব্দ

২। অন্যান্য ভাষাৰ পৰা অহা শব্দ

**৪.০.১ ঃ তৎসম শব্দঃ**

তৎসম অৰ্থাৎ তাৰ সম। মূলৰ পৰা কোনো পৰিবৰ্ত্তন নোহোৱাকৈ বা বিকৃত নোহোৱাকৈ গ্ৰহণ কৰা শব্দসমূহেই তৎসম শব্দ। গোৱালপৰীয়া উপভাষাৰ মূল অসমীয়া আৰু দেশী ভাষাটো গোৱালপৰীয়া উপভাষাৰ এটি আঞ্চলিক ৰূপ। সেইহেতু দেশী ভাষাৰো মূল গোৱালপৰীয়া উপভাষাৰে সৈতে একেই অসমীয়া ভাষা। অসমীয়াৰ পৰা কোনো পৰিবৰ্ত্তন বা বিকৃত নোহোৱাকৈ প্ৰয়োগ হোৱা শব্দ বোৰেই দেশী ভাষাত একো পৰিবৰ্ত্তন নোহোৱাকৈ বৰ্ত্তমান সময়লৈকে ব্যৱহাৰ হৈ আহিছে। তলত দেশী ভাষাৰ কেইটামান তৎসম শব্দৰ উদাহৰণ দিয়া হ'ল-

| দেশী ভাষা | অসমীয়া | |
|---|---|---|
| চন্দ্ৰ | চন্দ্ৰ | |
| শুৰ্জ্য | সূৰ্য্য | |
| শুন্দৰ | সুন্দৰ | |
| বৰ্শা | বৰ্ষা | |
| ধৰ্ম | ধৰ্ম | |
| কৰ্ম | কৰ্ম | |
| ৰূপ | ৰূপ | |
| প্ৰাণ | প্ৰাণ | ইত্যাদি। |

আনহাতে ভাটীয়া ভাষাৰ মূল পূববংগীয় মৈমনশিঙীয়া উপভাষা। মৈমনশিঙীয়া উপভাষা বাংলা ভাষাৰ এটি উপভাষা। গতিকে মৈমনশিঙীয়াৰ লগতে ভাটীয়া ভাষাৰো মূল বাংলা

ভাষা। মূল বাংলাৰ পৰা কোনো পৰিবৰ্তন নঘটাকৈ ব্যৱহাৰ হোৱা শব্দসমূহেই ভাটীয়া তৎসম শব্দ। তলত তেনে শব্দ কেইটামানৰ উদাহৰণ আগবঢ়োৱা হ'ল-

| ভাটীয়া ভাষা | বাংলা |
|---|---|
| বান্ধব | বান্ধৱ |
| চন্দ্র | চন্দ্র |
| গর্ভ | গৰ্ভ |
| দৃষ্টি | দৃষ্টি |

**৪.০.২ঃ অৰ্ধতৎসম ঃ**

অৰ্ধতৎসম শব্দৰ অৰ্থ আধা তাৰ সম। মূলৰ পৰা অহা যিবোৰ শব্দ দেশী ভাষাত ব্যৱহৃত হওঁতে উচ্চাৰণৰ বৈশিষ্ট্যতাৰ বাবে সামান্যভাৱে উচ্চাৰণত বিকৃতি ঘটি ব্যৱহাৰ হয় সেইবোৰ শব্দকে দেশী ভাষাৰ অৰ্ধতৎসম শব্দ বোলে। এনে কেইটিমান শব্দৰ উদাহৰণ এনেধৰণৰ -

| দেশী ভাষা | মুল |
|---|---|
| পদ্দ | পদ্ম |
| ধৰম | ধৰ্ম |
| কৰম | কৰ্ম |
| দাত | দন্ত |
| পিৰিতি | প্ৰীতি |

ভাটীয়া ভাষাৰ ক্ষেত্ৰতো মূল বাংলাৰ পৰা আহোঁতে অৰ্ধ বিকৃত হৈ ব্যৱহাৰ হোৱা শব্দবোৰক ভাটীয়া ভাষাৰ অৰ্ধতৎসম শব্দ বোলা হয়। তলত তেনে শব্দৰ উদাহৰণ দিয়া হ'ল ঃ

| ভাটীয়া ভাষা | বাংলা |
|---|---|
| চান | চন্দ্র |
| ছাতা | ছত্ৰ |
| সোৱামি | স্বামী |
| পৃষ্টে | পৃষ্ঠা |
| দাত | দন্ত |

| | |
|---|---|
| পুতুল | পুত্তলিকা |
| গাঠি | গ্ৰন্থি আদি। |

৪.০.৩ ঃ **তদ্ভৱ শব্দ ঃ**

মূলৰ পৰা উদ্ভূত শব্দ সমূহ পৰিবৰ্তন লাভ কৰি সম্পূৰ্ণ নতুন ৰূপ লাভ কৰিলে তেনে শব্দক তদ্ভৱ শব্দ বোলা হয়। তদ্ভৱ মানে 'তাৰ পৰা হোৱা'। দেশী আৰু ভাটীয়া ভাষাত এনে মূল ভাষাৰ পৰা সম্পূৰ্ণভাবে বিকশিত হোৱা তদ্ভৱ শব্দৰ অজস্ৰ উদাহৰণ আছে। তলত তেনে কেইটমান শব্দৰ উদাহৰণ দিয়া হ'ল-

| দেশী ভাষা | মূল |
|---|---|
| পুখুৰী | পুষ্কৰিনী |
| আচল | অঞ্চল |
| আজি | অদ্য |
| হলদি | হৰিদ্ৰা |
| কুণ্ডা | কুক্কুৰ |
| উট | উষ্ট্ৰ |

ভাটীয়া ভাষাৰ ক্ষেত্ৰতো অজস্ৰ তদ্ভৱ শব্দ পোৱা যায়। তেনে কেইটামান উদাহৰণ তলত দিয়া ধৰণৰ ঃ

| ভাটীয়া ভাষা | মূল |
|---|---|
| কুজে | কুব্জ |
| গাইড | গ্ৰন্থি |
| নাঙল | লাঙল |
| মুড | মুঠি |
| বুঢ়ে | বৃদ্ধ |
| শাজ | সন্ধ্যা |
| কুৰ্কা | কুক্কুট |

কাছিম　　　　　　কচ্ছপ　　ইত্যাদি

তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দসমূহৰ উপৰিও অজস্ৰ মূল বহিৰ্ভূত শব্দ দেশী আৰু ভাটীয় ভাষাত পোৱা যায়। তেনে শব্দ সমূহৰ উদাহৰণ তলত আগবঢ়োৱা হ'ল ঃ

**৪.০.৪ ঃ বিদেশী শব্দ ঃ**

**ইংৰাজী ভাষাৰ পৰা অহা ঃ**

অফিচ

গৱৰ্মেণ্ট (গভাৰ্ণমেন্ট)

এমেলে (এম.এল.এ.)

ৰেডিঅ'

কাৰেন (কাৰেন্ট)

চাইকেল

মাষ্টাৰ (মাষ্টৰ)

পিনছিপাল (প্ৰিঞ্চিপাল)

শাৰ্ট-পেন (চাৰ্ট পেণ্ট)

ডাক্তাৰ (ডক্তৰ)

পেছকিপছন (প্ৰেছক্ৰিপশ্বন)

ইস্কুল (স্কুল)

টেৰাক (ট্ৰাক)

ইছটিশন (ষ্টেচন)

বেঞ্চি (বেঞ্চ)　　ইত্যাদি

**পৰ্তুগীজ ভাষাৰ পৰা অহা শব্দ ঃ**

আলমাৰি

বাল্টি

গুদাম / বুতাম

বৈয়াম / ভিয়াম (বৈয়াম)

ইস্তিৰি (ইস্ত্ৰী)

শ্বাবান (চাবোন)

কেৰানী

শ্বাগু / হাগু (চাগু)

মস্কৰা (ঠাট্টা)

আলকাতৰা

চাবি ইত্যাদি।

**আৰবী পাৰ্চী ভাষাৰ পৰা অহা শব্দ ঃ**

আৰবী পাৰ্চী ভাষাৰ বেলিকা দেশী মুছলমান আৰু ভাটীয়া মুছলমান লোকসকলে তেওঁলোকৰ ধৰ্মীয় ক্ষেত্ৰত ব্যৱহাৰ কৰা শব্দসমূহ প্ৰায় একে ধৰণৰ হয়। এনে শব্দ সমূহ এনেধৰণৰ ঃ

দুনিয়া (পৃথিৱী)

দৰিয়া (সাগৰ)

দৰদ (মৰম)

দোজক (নৰক)

বেহেস্তো (নৰক)

তশবি (তচবিহ)

মুৰ্শিদ (পথ প্ৰদৰ্শক)

দোৱা

কলেমা (কলিমা)

ছুন্নত (ছুন্নত)

গুনা (গুনাহ)

দৰগা (দৰগাহ)

পয়গম্বৰ (ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ)

ফেৰেস্তা (ফিৰিস্তা)

আৰবী পাৰ্চী ভাষাৰ পৰা অহা ধৰ্ম নিৰপেক্ষ শব্দ কিছুমান আছে যিবোৰ দেশী আৰু ভাটীয় মুছলমান লোকসকলে ব্যৱহাৰ কৰাৰ লগতে ৰাজবংশী বা অন্যান্য জনগোষ্ঠীৰ লোকসকলৰ মাজতো বহুল প্ৰচলন আছে। তেনে শব্দসমূহ হ'ল ঃ

জমিদাৰ

তালাশ

দৰখাস্ত

কলম

আয়না (আইনা)

পায়জামা

পৰ্দা

তোশক (তোচক)

হালুৱে (হালোৱা)

চাট্নি

তৰমুজ (তৰমুজ)

কাৰবাৰ

দালান (প্ৰাসাদ)

চেহাৰা

দাৰাই

বৰফি

জিলেপি / জিলেংগি (জিলাইপী) ইত্যাদি

**৪.০.৫ঃ প্ৰাদেশীক ভাষাৰ শব্দ ঃ**

দেশীয় ভাষাৰ শব্দ কিছুমানো শালকোচীয়া আৰু ভাটীয়া ভাষাত পোৱা যায়। এনে শব্দ হ'ল **হিন্দীৰ পৰা অহা-**

খৈনী

শাদা

ঘুগ্‌নি

ঝাণ্ডা

ধর্ণা

মুস্কিল

টুপী

ধুতি

পাঞ্জাবী ইত্যাদি।

**বাংলা ভাষাৰ পৰা অহা শব্দ ঃ**

ৰসোগোল্লা

মিষ্টি (মিঠাই)

কহ্‌ন (ভাটীয়া শব্দ) (কখন)

জহ্‌ন ( „ ) (যখন)

তহ্‌ন ( „ ) (তখন)

বাতাশা

কুৰি (বিছ)

গোণ্ডা ইত্যাদি।

**নৃগোষ্ঠীয় উপভাষাৰ পৰা অহা শব্দ ঃ**

ডিমাছা ঃ

ঝাকি (জাকৈ)

পলো (প'ল)

লাফা (লফা)

জালা (কুমলীয়া) চেপা (চেফা)

**বড়ো-**

ভাংনা (ভাঙন মাছ)

চেং (চেঙেলি মাছ)

হুদুম / গুদুম (হুদুম চৰাই)

**আহোম -**

চং (ভাটীয়াত ব্যৱহৃত হয়)

লিংলাং (সম্পৰ্ক নোহোৱা)

এই আলোচনাত দেশী ভাষা আৰু ভাটীয়া ভাষাৰ শব্দ ভাণ্ডাৰ সম্পৰ্কে এটি সম্যক আলোচনা কৰা হল। দেশী ভাষাৰ লগতে ভাটীয়া ভাষাতো মূলোদ্ভৱ তথা অন্যান্য বিভিন্ন প্ৰাদেশীক, নৃগোষ্ঠীয় উপভাষাৰ পৰা অহা অজস্ৰ শব্দৰ সম্ভেদ পোৱা যায়। এই দুয়ো কথ্য ভাষাৰূপ শব্দভাণ্ডাৰৰ ক্ষেত্ৰত অতিকৈ চহকী আৰু এই কথাৰ প্ৰমাণ আমাৰ ওপৰোক্ত আলোচনাই প্ৰমাণিত কৰিছে। তলত এই দুয়ো কথ্যভাষাত প্ৰাপ্ত বিভিন্ন শব্দসমূহৰ তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল-

**শাক পাচলি ঃ**

| অসমীয়া | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| আলু | আলু | আলু |
| বেঙেনা | বাগুণ / বাইগন | বাগুন |
| তিয়ঁহ | শমাশ / শেৱাশ | সশা |
| ভেণ্ডি | ভেণ্ডি | বেণ্ডি |
| ভোল | ভোল / নিলাজী | পোল্লা / উস্তা |
| ৰঙালাউ | মিঠালাউ | বিলাতি |
| পালেং | পালং | পালং |
| লফা | লাফা | লাফা |
| কোমোৰা | কুম্‌ৰা | কুমুৰ |
| জাতিলাও | পানীলাউ | জ্যাত নাই |
| জলকীয়া | ঝালুক | মইচ |
| ধনিয়া | ধনিয়া | গুডিসচ |
| সৰিয়হ | শইশ্যা | শৰশ্যা |
| পুদিনা | পুদিনা | পুদিনা |

| | | |
|---|---|---|
| ঢেকীয়া | ঢেকীয়া | ঢেকীয়া |
| বতুৰা | বতুৰে | বাইতে সাক |
| ভাতকেৰেলা | কাকিৰল | কাইকৰল/কাহৰল |
| তিতাকেৰেলা | তিতাকল্লা | কইল্যা/উস্তা |
| ফুলকবি | ফুলকবি | ফুলকবি |
| বন্ধাকবি | বান্ধাকবি | পাতাকবি |
| উৰহী | ছিমা/ওশ্‌শি | আনাইচ |

**চৰাই-চিৰিকতিৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| কাউৰী | কাউৰা | কাইয়া |
| ঘৰচিৰিকা | ঘৰ চমকা | চৰোই |
| শালিকা | শৰো/শাৰো পখি | হালিক |
| কুলি | কুলি | কুলি |
| বগলী | বগলী | বক |
| পখিলা | পখিলা | ফুৰুং |
| ফেঁচা | ফেচা | পেইচ্‌কা |
| হাঁহ | হাস | হাশ/আশ |
| কুকুৰা | মুৰ্গী | কুৰ্‌কা |
| পাৰ | কবিতৰ/পাৰ | কইতৰ |
| মৰাচৰাই | ময়ুৰ | ময়ুৰ |
| ভাটৌ | টিয়া | টিয়া |
| চিলনী | চিলে/চিলা | চিল |
| ডাউক | ডাউকি | ডাইক |
| বাদুলী | বাদুল | বাদুৰ |
| মাছৰোকা | মাছৰোকা | মাছৰাঙা |

| | | |
|---|---|---|
| হাড়্গিলা | হাৰগিলা | আৰং |

**জীৱ জন্তুৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| গৰু (বলধ-গাই) | গোৰু (বলদ-গাই) | গোৰু (বলদো-গাই) |
| ছাগলী | ছাগল | ছাইগল |
| বাঘ | বাঘ | বাগ |
| ভালুক | ভালুক | ভাল্লুক |
| সিংহ | শিংহ | শিংহ |
| হৰিণা | হৰিণ | হৰিণ |
| হাতী | হাতী | হাত্তী-আত্তী |
| শিয়াল | শিয়াল | শিয়াল |
| বান্দৰ | বান্দৰ | বান্দৰ |
| ভেৰা | ভেৰা | বেৰা |
| ভেকুলী | বেং | বেং |
| সাপ | শাপ | শাপ |
| শহা | শাশা | ---- |
| কুকুৰ | কুত্তা | কুত্তা |
| মেকুৰী | বিলাই | বিলাই |
| এন্দুৰ | এন্দুৰ | এন্দুৰ |
| কের্কেটুৰা | কের্কেটুৰা | ---- |
| গাহৰি | শুৱৰ | শুৱৰ |
| ঘৰিয়াল | ঘৰিয়েল | কুমিৰ |
| ঘোঁৰা | ঘোৰা | গোৰা |
| কাছ | কাছো | কাচিম |
| সিহু | শিশু | হিশুৰ |

**পোক-পৰুৱাৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| জেঠী | জেঠী | টিকটিহি |
| পিপৰা | পিপ্ৰা | পিপ্ৰা |
| উঁইচিৰিঙা | উচুংগা | উচুংগা |
| উৰহ | ওৰশ | ছাই পুহা |
| ওকনি | উকুন | উকুন |
| জোক | জোক | জোক |
| মহ | মশা / ম'শ | মশা |
| মাখি | মাছি | মাছি |
| মকৰা | মাক্ৰা | মাহৰাশা |
| কেঁচু | চেৰা / চেৰু | চেৰা |
| বৰল | বল্লা | হাইৰা বোল্লা |
| ঘুণপোক | ঘুণঘুণী পোকা | -- |
| পইতাচোৰা | তেলচোৰা | তেলচাইটা / তেলকুডা |
| ভোমোৰা | ভোমোৰা | বোম্ৰা / বুম্ৰা |
| জোনাকী পৰুৱা | জোনাকী পোকা | জুনি / হলক পুহা |
| মৌমাখি | মৌমাছি | মৈ মাচি |
| কেঁকোৰা | কাক্ৰা / কাকোৰ | কাহৰা |
| শামুক | শামুক / ঘোঙা | হামুক |

**মাছৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| আৰি | আইৰ | আইৰ |
| ইলিচ | ইল্শা | ইল্শা |
| গৰৈ | গৰাই | চাইতান |

| | | |
|---|---|---|
| শিঙি | শিঙি | শিঙি/ শিংমাছ |
| বৱালী | বৱাল | বইল/কেইল |
| বৰালী | বৰলী | বইৰেলি |
| চেঙেলী | চেং | চেং |
| পুঠি | পুঠি | পুডি |
| চন্দা | চান্দা | চান্দা |
| খলিহনা | খইল্‌শা | খইল্‌শা |
| কুচিয়া | কুচিয়ে | কুইচা |
| মিৰিকা | মিৰ্‌কা | মিৰকা |
| মিছামাছ | ইছে / ইছ্‌লা | ইচা |
| ৰৌ | ৰৌ | ৰৌ |
| শ'ল | শৈল /শৌল | শইল |
| মোৱা | মঙা মাছ | মোৱা |
| শিঙৰা | টেংনা / টেগেনা | টেংৰা |

**ফল-মুলৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| আম | আম | আম |
| অমিতা | মধুফল / পাপিয়া | পিপা |
| কঁঠাল | কাঠল | কাডল |
| কল | কলা | কলা |
| সুমথিৰা | কম্‌লা | কম্‌লা |
| আপেল | আপেল | আপেল |
| ৰবাব টেঙা | জাম্বুৰা | জাম্বুৰা |
| জলফাই | জলফাই | জলপই |
| আমলখি | আমলক্ষি | আমলক্ষি |

| | | |
|---|---|---|
| কৰ্দৈ | কৰ্দৈ / কাম্ৰাঙা | কামেৰাঙা |
| মধুৰিআম | শুপাৰি | শুৰপি / সৱৰি |
| লেচু | লেচু | লেচু |
| কুঁহিয়াৰ | কুশাৰ / কুশিয়াৰ | কুইশেল |
| নেমু | লেবু | লেবু-কাগজি |
| লেতেকু | লেটকে | লটকনা |
| শিলিখা | শিলিখা | হৰতকি |
| বগৰী | বগৰী | বৰোই |
| তৰমুজ | তৰমুজ | তৰমুচ |
| খেজুৰ | খেজুৰ | খাইজৰ |
| মাটি কঁঠাল | আনাৰশ | আনাৰশ |
| আতলচ | আতাফল | আতাফল |
| নাৰিকল | নাৰিকল | নাৰকল |
| বাদাম | বাদাম | বাদাম |
| কিচমিচ | কিছমিছ | কিচমিচ |

**ফুল-গছ-গছনিৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| গোলাপ | গোলাপ | গোলাপ |
| নাৰ্জী | গেন্ধা | গেন্দা |
| ধতুৰা | ধুতুৰা | ধুত্‌ৰা |
| পদুম | পদুম | পদুম |
| মদাৰ | মাদাৰ | মাদাৰ |
| শিমলু | শিম্‌লা | হেমল |
| জবা | জবা | জবা |
| সূৰ্যমুখী | শুৰ্জমূখী | সুৰ্জমুখী |

| | | |
|---|---|---|
| শেৱালী | শেৱালী / শেপালী | শেপালী |
| কদম | কদম | কদম |
| বট | বট | বট |
| নাৰিকল গছ | নাৰিকল গছ | নাবকল গছ |
| তামোল | গুৱা গাছ | গুৱা গাছ |
| গমাৰী | গামাৰি | গামাৰী |
| শাল | শাল | শাল |
| চেগুন | শেগুন | শেগুন |
| তেঁতেলি | তেতুল গাছ | তেতুল গছ |
| শিশু | শিশু গাছ | শিশু গাছ |
| দুবৰিবন | দুগ্‌লা ঘাশ | দুব্‌লা গাশ |
| তুলশী | তুল্‌শী | তুল্‌শী |
| পদিনা | পুদিনা | পুদিনা |
| জেতুকা | জেতুকা | মেন্দি |
| নিলাজীবন | লজ্জাপতি | লজ্জাপতি |
| সোনাৰু | শোনাৰু | বান্দৰনাড়ি |
| জাম | জাম | জাম |
| পনিয়ল | পানিয়াল | পাইনেল |

**অংগ-প্রত্যংগৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| মূৰ | মাথা | মাথা |
| হাত | হাত | আত |
| ডিঙি | গলা | গাল |
| ভৰি | ঠেং | পাৱ |
| নাক | নাক | নাক |

| | | |
|---|---|---|
| কাণ | কাণ | কান |
| হাতৰ তলুৱা | হাতেৰ তালা | আতেৰ তাইলা |
| হাড় | হাড্ডি | হাড্ডি |
| বুকু | বুক | বুক |
| পেট | পেট | পেট |
| চকু | চকু / চোক | চইক |
| চুলি | চুল | চুল |
| আঙুলি | নখু | নইক/ ন'ক |
| কঁকাল | কোমৰ | মাঞ্জা |
| কলিজা | কইলজা | কলজে |
| গাল | গাল | গাল |
| ঠুতৰি | ঠতুৰি / হতাৰি | থোতা |
| নখ | পাথৰি / আইশটা | চাৰা |
| তেজ | ৰক্ত | অক্ত |

**সম্বন্ধবাচক শব্দ ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| বন্ধু | বন্ধু | দোস্ত |
| মা | মা | মা |
| দেউতা | বাবা | বাবা / আব্বা |
| আইতা (মাকৰ ফালৰ) | নানী / আবু | নানী |
| আইতা (দেউতাকৰ ফালৰ) | দাদী / আবু | দাদী |
| ককা (মাকৰ ফালৰ) | নানা / আতা | নানা |
| ককা (দেউতাকৰ ফালৰ) | দাদা / আতা | দাদা |
| খুৰা | কাকা | চাচা / কাকা |

| | | |
|---|---|---|
| খুৰী | কাকী | চাচী / কাক্কী |
| বৰদেউতা | জেঠা | কাক্কা |
| বৰমা | জেঠী | কাক্কী |
| দাদা | দাদা | বাই |
| বাইদেউ | বাই | বু |
| মাহী | মাহী / মাশি | খালা |
| মহা | মহা / খালু | খালু |
| পেহী | পিশি / পেই / ফুবু | ফুবু |
| পেহা | পিশা / ফুবা | ফুবা |
| মামা / মামী | মামা / মামী | মামু / মামানী |
| খুলশালী | শালী | শালী |
| ননদ | ননন | ননদ |
| স্বামী / স্ত্রী | স্বামী /স্ত্রী | জামাই / বই |
| ভাগিন | ভাইগনা | ভাইগনা |
| ভতিজা | ভাতিজা | ভাইচ্‌তা |
| নাতিন / নাতিনী | নাতি / নাতিনী | নাতিন / নাত্‌নী |
| জোঁৱাই | জামাই | জামাই / দামান |
| বৌ | বৌ / ভাবি | ভাবি |
| সতিনী | শতিনী | শতিন |

**সা-সঁজুলিৰ নাম ঃ**

| <u>অসমীয়া ঃ</u> | <u>দেশী ভাষা</u> | <u>ভাটীয়া ভাষা</u> |
|---|---|---|
| চোতাল | ছোতাল | উডান |
| চালনী | চাইলন | চালুন |
| খৰাহী | ডালি | ডালি |
| পাচি | পাছি | পাইচা |

| | | |
|---|---|---|
| ডলা | ডালা | ডাহী |
| কুলা | কুলা | কুলা |
| দা | দাও | দাও্ |
| কটাৰী | কটাৰী / ছুৰি | ছোট দাও |
| মৈদা | বটি | বডি দাও |
| উৰল | উৰুন | |
| কোৰ | কোদাল | কোদাল |
| ঢেকী | ঢেকী | ডেহী |
| নাঙল | নাঙল | নাঙল |
| হাল | হাল | হ্যাল |
| মৈ | মৈ | চ'গ' |
| পঘা | পাঘা | পাগা |
| নাও | নাও | নাও |
| জাল | জাল | জালি |
| জুলুকি | ঝকা | পলো |
| নঙলামুখ | আদ্দোৰ | নাইংলে |
| খেতিপথাৰ | খেত | খেতবাৰী |
| ডাঙৰি | ধানেৰ আটি | দানেৰ বোজা |
| বাগিছা | ফুলবাৰী | ফুলবাৰী |

**মাহৰ নাম ঃ**

| <u>অসমীয়া ঃ</u> | <u>দেশী ভাষা</u> | <u>ভাটীয়া ভাষা</u> |
|---|---|---|
| ব'হাগ | বৈশাগ | বৈশাগ |
| জেঠ | জেঠ | জোশ্টি |
| আহাৰ | আশাৰ | আশাৰ |

| | | |
|---|---|---|
| শাওন | শাওন | শাওন |
| ভাদ | ভাদৰ | বাদোৰ |
| আহিন | আশিন | আশিন |
| কাতি | কাতি | কাতি |
| আঘোন | আঘোন | আগোন |
| পুহ | পুশ | পুশ |
| মাঘ | মাঘ | মাগ |
| ফাগুন | ফাগুন | ফাগুন |
| চ'ত | চৈত | চৈত |

**বাৰৰ নাম ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| সোমবাৰ | সোমবাৰ | সোমবাৰ |
| মঙ্গলবাৰ | মঙ্গলবাৰ | মঙ্গলবাৰ |
| বুধবাৰ | বুধ / বুদবাৰ | বুদবাৰ |
| বৃহস্পতিবাৰ | বৃহস্পতি / বিশ্শোদবাৰ | বিশ্শুদবাৰ |
| শুক্ৰবাৰ | শুকুৰ / শুক্ৰবাৰ | শুক্ৰবাৰ |
| শনিবাৰ | শনিবাৰ | শনিবাৰ |
| ৰবিবাৰ | ৰবিবাৰ | ৰবিবাৰ |

**সৰ্বনাম শব্দ ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| কোনটো | কুনটা | কোনডো |
| কোন | কায় | কেৰো |
| ক'ত | কুতি / কুনঠে | কোনে |
| কাৰ | কাৰ | কাৰ |

| | | |
|---|---|---|
| ক'লৈ | কুতি / কুনঠে | কোনে / কোনপর্জন্ত |
| কেতিয়া | কুনবেলা | কন্থন |
| কেতিয়াবা | কুনোবেলা | কন্থনবা |
| তেতিয়া | তেলা | হিশুমকা |
| এতিয়া | এলা | এহোন / আহুন |
| এইটো | এইটা / ইটা | এতো |
| ইয়াত | এতে / এতি | এহানে |
| সেইটো | ওইটা / উটা | ওইজে |
| তাত | ওতে / ওতি | ওহনে |
| ইফালে | ইফালে / এইপাকে | এমোৰা |
| সিফালে | ওইফালে / উপাকে | ওমোৰা |

**অব্যয় শব্দ ঃ**

| <u>অসমীয়া ঃ</u> | <u>দেশী ভাষা</u> | <u>ভাটীয়া ভাষা</u> |
|---|---|---|
| আৰু | আৰো | আৰ |
| কাৰণে | জন্যে / জইন্নে | জন্যে |
| কিন্তু | কিন্তু | কিন্তু |
| লগত | লগত / শাতে | হাতে /লগে |
| যে | যে | যে |
| এইকাৰণে | এইজন্যে / এইজন্তে | এইজন্যে |
| সেই কাৰণে | ওইজন্যে / ওইজন্তে | ওইজন্যে |
| সেয়েহে | ওইজন্যে | এইজন্যে |
| তথাপি | তাও | তথাপি / তাও |
| পিছত | পাছত | পাছে |

**বিশেষণ শব্দ ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| ভাল | ভাল | বালো |
| বেয়া | বেয়া | খাৰাপ |
| বেছি | বেশি | বেশশি |
| অলপ | অল্প | অলপু |
| দুৰ্বল | দুৰ্বল / কমজুৰি | দুৰ্বল |
| ধুনীয়া | শুন্দৰ | শুন্দৰ |
| বলবান | শক্তিশালী | শক্তিশালী |
| দ্বায়িত্ববান | দায়িত্ববান | দায়িত্ববান |
| দায়িত্বহীন | দায়িত্বহীন | দায়িত্বহীন |
| দুষ্ট | বদমাইশ | দুষ্ট |
| শীতল | ঠাণ্ডা | ঠাণ্ডা |
| গৰম | গৰম | গৰম |
| মিছলীয়া | ফাকিবাজ | মিথ্যাবাদী |
| গোটেই | শব | বেক্কাহানি |
| উচ্ছৃংখল | বিচ্ছৃংখল | বিছৃংখল |
| বগা | শাদা / বগা | দলা |
| ক'লা | কালা | কালো |
| কৃপন | চিপ্‌ৰা | কেইপ্‌টা |
| জ্ঞানী | জ্ঞানী | জ্ঞানী |
| বুৰ্বক | ভোদাই / বুৰ্বক | বুৰ্বক |

**অন্যান্য শব্দ ঃ**

| অসমীয়া ঃ | দেশী ভাষা | ভাটীয়া ভাষা |
|---|---|---|
| আকাশ | আকাশ | আক্‌কাশ / আকাশ |

| | | |
|---|---|---|
| জোন | চান্দ | জোশনা |
| সূৰ্য্য | শুজ্জ | বেইল |
| আজি | আজি / আজকা | আইজকা |
| কালি | কালি-কলিকা | কাইলকা |
| দুপৰীয়া | দুফৰবেলা | দুহুৰ |
| ৰাতিপুৱা | শকাল / বিহানে | শকালবেলা |
| সন্ধ্যা | শইন্ধ্যা | শইন্দা |
| ৰাতি | ৰাতি / ৰইত | ৰাইত/আইত |
| বতাহ | বাতাশ /হাৱা | বাতাশ |
| বৰষুণ | ঝৰি / পানী | বিষ্ঠি |
| বিজুলী | বিজ্‌লী / চৰক | ঠাটাপৰা |
| ফনী | ফেনী | কাহুই |
| খোপা | খোপা | খোপা |
| বটল | বতল | বত্তুল |
| কেৰাহী | কাৰাই | কাৰাই |
| ছচপেন | ছছপেন | ছছপেন |

**যুৰীয়া শব্দ (অনুৰূপ- অনুকাৰ শব্দ) ঃ**

দেশী ভাষাত প্ৰাপ্ত ঃ

দেশী ভাষাৰ সুন্দৰ অৰ্থবহ অজস্ৰ যুৰীয়া শব্দ পোৱা যায়। তলত তাৰে কেইটামানৰ উদাহৰণ দিয়া হ'ল ঃ-

| | |
|---|---|
| অউশ-কাউশ | (অস্থিৰ ভাৱ) |
| আকাটি-বিকাটি | (অদ্ভুত প্ৰকৃতিৰ) |
| কুচ্‌কুচা | (অতিমাত্ৰা লেতেৰা) |
| কাউমাউ | (হুলস্থুল) |
| খেঙ্‌খেঙা | (খিঙ খিঙীয়া) |

| | |
|---|---|
| খাংজাং | (কি কৰো নকৰো অৱস্থা) |
| খোশখোশা | (খহটা) |
| খেকৰা-খেৰখেৰা | (মাখিছাল ছিগি যোৱা) |
| খচমচ | (লৰচৰ কৰা) |
| গমগোমা | (গোমোঠামৰা) |
| ছেংছেঙা | (অতিশয় ঠাণ্ডা) |
| ছিলছিলা (মসৃণ) | চলচলা (উজ্জ্বল) |
| চুলচুলি | (অতি চঞ্চল) |
| ঝনঝনা | (বৰকৈ টান) |
| টেপটেপা | (ভৰ্তি) |
| টিন্‌টিনা | (একেবাৰে পোন) |
| টপৰটপৰ | (বেছি কথাকোৱা) |
| ঠট্‌ঠৰা | (জঠৰহোৱা) |
| টক্‌টক্‌া | (অতি গাঢ়) |
| টেল্‌টেলা | (পাতল) |
| থত্‌থৰা | (ঘন) |
| দৰ্‌দৰে | (হিৰহিৰাই পাৰ হোৱা) |
| পেন্‌পেনা | (পেনপেনোৱা) |
| বোদবোদা | (মুখ ও ফন্দাই থকা) |
| লিংলিঙা | (লাহী দীঘল ) |
| হোচৰ হোচৰ | (ছিজিলতা নোহোৱাকৈ) |
| হিবি জিবি | (বিশৃঙ্খল) |

**ভাটীয়া ভাষাত প্ৰাপ্ত ঃ**

দেশী ভাষাৰ অনুৰূপে ভাটীয়া ভাষাতো যুৰীয়া শব্দ থকা দেখা যায়। তাৰে কেইটামান উদাহৰণ তলত দিয়া হ'ল ঃ

আবুল - তাবুল ( কি কৰো নকৰো অৱস্থা)

আউশ - কাউশ (অস্থিৰ ভাৱ)

কুডকুডা (অতিমাত্ৰা ক'লা- খহটা বস্তুৰ ক্ষেত্ৰত)

কুচ্কুছে (অতিমাত্ৰা ক'লা -মশৃণ বস্তুৰ ক্ষেত্ৰত)

হাল্লাচিল্লা (হুলস্থুল)

কেড়্কেডা (খিংখিঙীয়া)

খশখশা (খহটা)

গমগোমা (বহু বেছি ভিৰ থকা)

ছিলছিলা (মসৃণ) চল্চলা (উজ্জ্বল)

চুলচুলি (চঞ্চল)

জনজনা (শুকাই টান হোৱা)

কেপ্কেপা /টেপ্টেপা (ভৰ্তি)

ঠল্ঠলা (বৰ দীঘল)

টবৰটবৰ (বেছি কথা কোৱা)

টক্টকা (অতি বেছি ৰং জ্বলা অৰ্থত)

**৪.১.০ বাক্যতত্ত্ব ঃ**

ভাষা একোটা বাক্যৰ সমষ্টি আৰু এই বাক্যসমূহ সুসংগঠিত, সুবিন্যস্ত পদৰ সমষ্টি। অৰ্থাৎ ক'ব পাৰি এটা বা একাধিক পদৰ সুসংগঠনত বাক্যৰ সৃষ্টি হয়। বাক্যৰ অন্তৰ্গত পদবোৰৰ প্ৰয়োগ ৰীতিকে পদৰ গাঁথনি বা বাক্যৰীতি (Syntax) বোলা হয়।

ঔপভাষিক কথ্যৰূপবোৰৰ বাক্যৰ গাঁথনি মান্য অসমীয়াৰ পৰা বৈপৰীত্যপূৰ্ণ নহয় যদিও মান্যৰ বৈয়াকৰণীক গাঁথনি সকলো সময়তে সম্পূৰ্ণৰূপে ৰক্ষিত নহয়। 'ঔপভাষিক ৰূপসমূহত বাক্যৰ ক্ৰমৰ শিথিলতা এটা উল্লেখযোগ্য বৈশিষ্ট্য।' [২] মান্য অসমীয়াত বাক্যৰ 'কৰ্তা-কৰ্ম-ক্ৰিয়া'ৰ যি ক্ৰম সেয়া উপভাষা সমূহৰ আঞ্চলিক কথ্যৰূপসমূহৰ কথপোকথনত ৰক্ষিত নহয়। এনে অৱস্থাত ক্ৰিয়া কেতিয়াবা বাক্যৰ আগত আৰু কেতিয়াবা বাক্যৰ পিছত, ক্ৰিয়া বিশেষণ কেতিয়াবা কৰ্তাৰ আগত, কেতিয়াবা কৰ্মৰ আগত বা পিছত ৰহে। বাক্যগত এই ভিন্নতাসমূহ আমাৰ আলোচ্য পূৱ

বিলাসীপাৰা অঞ্চলৰ দুই কথ্যৰূপ দেশী বা শালকোচীয়া আৰু ভাটীয়া ভাষাৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়।

**৪.১.১. ঃ দেশী ভাষাৰ বাক্যতত্ত্ব ঃ**

বাক্যৰ গাঁথনিক দিশৰ পৰা দেশী ভাষাৰ বাক্যসমূহক তিনিটা ভাগত ভগাব পাৰি-

১। সৰল বাক্য

২। যুগ্ম বাক্য

৩। জটিল বাক্য

**৪.১.২ ঃ সৰল বাক্য ঃ**

দেশী ভাষাৰ সৰল বাক্যসমূহক - উদ্দেশ্য আৰু বিধেয় এই দুটা খণ্ডত বিভক্ত থাকে। বাক্যৰ কৰ্তা উদ্দেশ্য আৰু সকলো কাৰকৰ পদবোৰৰ সৈতে ক্ৰিয়াপদ বিধেয়ৰ অন্তৰ্গত। উদাহৰণস্বৰূপে- ছাৱাটা পৰাশুনাত বিৰাট ভাল (ল'ৰাজন পঢ়াশুনাত বৰ ভাল) ইয়াত-

| উদ্দেশ্য | বিধেয় |
|---|---|
| ছাৱাটা | পৰাশুনাত বিৰাট ভাল |

তলত সৰল বাক্যৰ উদাহৰণ দিয়া হ'ল ঃ

মুই কাম কৰুং (মই কাম কৰোঁ)

অয় ভাত খায়। (সি ভাত খায়)

তুই বস্তুটা আনি দে (তুমি বস্তুটো আনি দিয়া)

আমটা মিঠা। (আমটা মিঠা)

মেল্লা মান্‌শি /মানুশ আশ্‌চে (বহুত মানুহ আহিছে)

পাখি উৰে (চৰাই উৰে)

আপিটা খুব / বিৰাট শুন্দৰী (ছোৱালীজনী বৰ ধুনীয়া)

শেই / বিৰাট গৰম (বৰ গৰম)

**৪.১.৩ ঃ যুগ্মবাক্য ঃ**

দেশী ভাষাত 'আৰ', 'কিন্তু', 'তাও', 'যদি', 'জন্যে'। কেননা আদি সংযোজক-বিয়োজক অব্যয় যোগ কৰি যৌগিক বা যুগ্ম বাক্য গঠিত হয়। যেনে ঃ

তুম্‌ৰা /তুমিৰা নাছেক আৰ আম্‌ৰা /আমিৰা বশি দেখুং (তোমালোক নাচা আৰু আমি বহি ছাওঁ)

তুই কইছিশহে মোৰ কিন্তু বিশ্বাশ হয় নাই (তুমি কৈছাহে মোৰ হ'লে বিশ্বাস হোৱা নাই)

মামা অক বহুত বুজাইল তাও অয় কথাটা নামানিল (মামাই তাক বহুতো বুজালে তথাপি সি নামানিলে)

ঝৰি যদি আইশে / আশে মুই নাযাং (যদি বৰষুণ পৰে তেন্তে মই নাযাও)

তৰকাৰীত যদি বেশি ঝাল হৈছে তাহালে মুই নাখাং (যদি আঞ্জাত বেছি জলা তেন্তে মই নাখাওঁ)

**৪.১.৪ ঃ জটিল বাক্য ঃ**

একাধিক সৰল বাক্যৰ সংযোগত সৃষ্ট জটিল বাক্যৰ দেশী ভাষাত অজস্র পোৱা যায়। যেনে ঃ

উমৰা জেলা ওলাব / বেৰাব আম্‌ৰাও তেলা ওলাইম / বেৰাম। (সিহঁত যেতিয়া ওলাব, আমিও তেতিয়া ওলাম)

ঘটনাটা যে ঘট্‌বো মই আগেৰ থাকিয়ে / থাকি জানুং (ঘটনাটো যে ঘটিব সেয়া মই আগৰ পৰাই গম পাওঁ)

মই এমন / ইংকা একটা শোপন / শপ্ন দেখুছং যিটা মই কুনোদিনে ভুলিবা নহং। (মই এনেকুৱা এটা সোপন দেখিছো যিটো মই কেতিয়াও পাহৰিব নোৱাৰো)।

আপিটা এতো পটাপট কথা কয় যে কিছুই বুজা পাৰা নাযায়। (ছোৱালীজনী ইমান খৰকৈ কথা কয় যে একো বুজি পোৱা নাযায়)

ৰিতুৰ পৰীক্ষা ভাল হ'ব বুলি অৰ মা-বাপ সবায় আশা কৰি আছে (ৰিতুৰ পৰীক্ষাৰ ফলাফল ভাল হ'ব বুলি মা-দেউতাই আশা কৰি আছে)

ভাৱৰ ওপৰত ভেটি কৰি গঠিত হোৱা দেশী ভাষাৰ বাক্যসমূহক তলত দিয়া ধৰণে ভগাব পাৰি-

**আজ্ঞাসূচক বাক্য ঃ**

যা বাজাৰেত থাকি মাছ আনেক।

কামটা শেশ কৰিহে উঠবু / উঠবি।

তুম্ৰা যা।

বেশি কথা নাকবি, চুপচাপ থাক।

অক টাকাখিনি দে।

**নঞৰ্থক বাক্য ঃ**

মুই অক দেখুং নাই।

মা, মুই নাপাং কৰবা।

অয় তুমাৰ ঘৰত নাযায়।

তুই কামটা নাকৰবি।

**প্ৰশ্নবোধক বাক্য ঃ**

তুই কুতি আছি / আছিশ?

উমাৰ বাৰী / ঘৰ কুতি /কুনঠে জানিশ না?

তুই কথাটা আগেৰ থাকি /পেৰা জানিশ নেকি?

তুম্ৰা পৰি আছিশ নেকি?

**বিস্ময়সূচক বাক্য ঃ**

বা! এতো শুন্দৰ বাৰী / ঘৰ

কি, তুই কৰছি এই কামটা।

হ হ দেখছিশ অৰ কাণ্ড।

**ইচ্ছাসূচক বাক্য ঃ**

ভগবানে তুমাৰ মঙ্গল কৰুক।

তুম্ৰা ভালে ভালে থাক।

দে মাই দে শুকে থাক।

দেশী ভাষাৰ বাক্যসমূহৰ কিছুমান ক্ৰিয়াহীন ভাৱেও ব্যৱহৃত হয়। উদাহৰণ স্বৰূপে-

আমটা টেঙা

এইটা ঘৰ।

কলমটা কাৰ?

উমাৰ বাৰীৰ মানুশ / মান্‌শিগিলা ভাল।

ছাৱাটা একদম বাপেৰ মতোন।

তুই মোৰ থাকি ছটো।

লাল ছাতিটা।

ঘটনাটো মান্‌শিৰ / সবাৰে মুখে মুখে।

বাক্যৰ ক্ৰমৰ শিথিলতা গুণে এই কথ্যৰূপৰ বাক্যগাঁথনিত ভিন্নতা আনি দিয়ে। তেনে কেইটিমান বাক্যৰ উদাহৰণ তলত দিয়া হ'ল-

**বাক্যৰ আদিতে ক্ৰিয়াৰ ব্যৱহাৰ ঃ**

জাং, মুই ইস্কুলত। (মই স্কুললৈ যাওঁ)

পাবিনা কৰিবা কামটা? (কামটো কৰিব পাৰিবানে?

আশ্‌লিতে কুত্‌তিৰ থাকি? (কৰপৰা আহিলানো?

খাং ভাত কয়টা শান্তি কৰি। (ভাতখিনি শান্তিৰে খাই লওঁ)

**ক্ৰিয়া বিশেষণ কৰ্তাৰ আগত, কৰ্মৰ আগত বা পাছত ব্যৱহাৰ হোৱাৰ কেইটামান উদাহৰণ ঃ**

ধেৰেত্‌ধেৰেত কৰি কুতি জাইশ?

পকৰপকৰ কৰি কথা কয়া নাথাকবি।

মনে মনে তুই ফিৰ কি দেখিশ?

কামটা আস্তে-ধিৰে কৰুং।

ভাত কটা পট্‌কৰি ৰান্ধেক / বানাও।

**৪.১.৫ ঃ খণ্ডবাক্য ঃ**

দেশীভাষাত বহুতো খণ্ডবাক্যৰ ব্যৱহাৰ হোৱা দেখা যায়। তেনে উদাহৰণ কেইটামান হ'ল-

আগা ডালি (উপযাঁচি)

কপাল পুৰা (দুৰ্ভাগ্য)

কমৰ পৰা (শক্তিহীন হোৱা)

ভিজা বিলাই (ভয়াতুৰ)

মেন্দা বিলাই (বচমাচ)

মেন্‌কা / মেন্‌কি (তলে তলে বদমাচ)

**৪.১.৬ ঃ ভাটীয়া ভাষাৰ বাক্যতত্ত্ব ঃ**

অন্যান্য ভাষাৰ দৰে ভাটীয়া ভাষাৰো গাঁথনিক দিশৰ পৰা- (ক) সৰল বাক্য (খ) যুগ্ম বাক্য আৰু (গ) জটিল বাক্য- এই তিনিভাগত ভগাব পাৰি।

সৰল বাক্যৰ ক্ষেত্ৰত বাক্যসমূহ উদ্দেশ্য আৰু বিধেয় এই দুই ভাগত বিভক্ত কৰিব পাৰি।

**সৰল বাক্য ঃ**

ৰহিম কামডো কৰতাইছে। (ৰহিমে কামটো কৰি আছে)

ও বাত খায় (সি ভাত খায়)

গেদিডো খুব হুন্দৰ। (ছোৱালীজনী বৰ ধুনীয়া)

তুমি যাওগা (তুমি যোৱা)

খুব বিষ্টি পৰতাইছে (বৰকৈ বৰষুণ দি আছে)

মাঠে গৰুডো গাশ খাইতাছে (পথাৰত গৰুটোৱে ঘাঁহ খাই আছে)

ও খুব বালো মানুশ (তেওঁ বৰ ভাল মানুহ)

আমৰা ওগোৰে বাইত্তে যামু। (আমি সিহঁতৰ ঘৰলৈ যাম)

**যুগ্ম বাক্য ঃ**

দেশী ভাষাৰ অনুৰূপ ভাটীয়া ভাষাতো 'আৰো', 'কিন্তু', 'যদি', 'জন্যে' আদি সংযোজক-বিয়োজক অব্যয় যোগ কৰি যৌগিক বা যুগ্ম বাক্য গঠিত হয়।

তুমি কইয়া থাকবা আৰ আমি হুইনা থাকমু কি? (তুমি কৈ থাকিবা আৰু মই শুনি থাকিম নেকি?

যদি কাপোৰডো বালো হয় আমি কিইনা নিমু (যদি কাপোৰখন ভাল হয় তেন্তে মই

কিনি লম)

যদি বিষ্টি হয় দানগনা বালো হইলোনি (যদি বৰষুণ হয় তেন্তে ধানখেতি ভাল হ'লে হয়)

ও কইলো কিন্তুক কামডো হইলোনা (সি ক'লে কামটো কিন্তু নহ'ল)

আম্‌ৰা কাম কইৰা মৰি আৰো ওৰা আৰাম কইৰা থাকে। (আমি কষ্ট কৰি কাম কৰি থাকো আৰু সিহঁতে আৰাম কৰি থাকে)।

**জটিল বাক্য ঃ**

ওৰা জহন জাইবাৰ পাব আমৰাও তহনি যাইবাৰ পামু। (সিহঁত যেতিয়া যাব পাৰিব আমিও তেতিয়াই যাবগৈ পাৰিম)।

কামডো যে তুমাৰ দ্বাৰা হবইনা হেডা আমি বালো কইৰাই জানি। (কামটা যে তোমাৰ দ্বাৰা নহব সেইটো মই ভালকৈয়ে জানো)

গৰুডো এতোই লাপ পাইৰতাছে যে দৰাই যায়না (গৰুটো ইমান জপিয়াই আছে যে তাক ধৰিবই নোৱাৰি)।

কয়দিন দইৰা এতোই বিষ্টি পৰতাইছে বানপানীযে হবই এইডা খাটাং (কেইদিনৰ পৰা ইমান বৰষুণ দি আছে গতিকে বানপানী যে হবই সেয়া খাটাং)

ভাৱ অনুসৰি ভাটীয়া ভাষাত গঠিত হোৱা বাক্যসমূহৰ উদাহৰণ এনেধৰণৰ -

**আজ্ঞাসূচক বাক্য ঃ**

তুই দান হানি গাইৰা থুইয়া বাইত্তে / বাৰিত আশপি। (তুমি ধানখিনি ৰুইহে ঘৰলৈ আহিবা)

বাজাৰে জায়া পান নিয়া আয়গা (বজাৰৰ পৰা পাণ কিনি আনাগৈ)

তোম্‌ৰা আইশো। (তোমালোক আহা)

তাৰাতাৰি নেখ (সোণকালে লিখা)

এই গণিত দুইডা কইৰা থুইয়া উটপি। (অংক দুটা শেষ কৰিহে উঠিবা)

**নঞাৰ্থক বাক্য ঃ**

না, কামডো কইৰবাৰ পামুনা (নাই, কামটো কৰিব নোৱাৰো)

না, আমি ওগো বাইত্তে যামুনা (মই সিহঁতৰ ঘৰলৈ নাযাওঁ)

আমি বাজাৰ জাইবাৰ পামুনা (মই বজাৰলৈ যাব নোৱাৰো)

না না, তুই জাইবাৰ পাবি না (নাই নাই, তুমি যাব নোৱাৰা)

**প্ৰশ্নবোধক বাক্য ঃ**

তুমি কোনে আছাও? (তুমি ক'ত আছা)

ওগেৰ বাৰী কোনে তুমি জানো কি? (তুমি জানানে সিহঁতৰ ঘৰ ক'ত)

তুমি ঘটনাটা আগেৰ থাইকাই জানো কি? (তুমি ঘটনাটো আগৰ পৰাই গম পোৱা নে?)

তুমি এই জাগায় কিছু পাইবা নাহি? (সেই ঠাইখনত কিবা পাবা নে?)

তুমি ওৰ কাছে কতো পাও? (তুমি তাৰ পৰা কিমান পাবলগীয়া আছে?)

**বিস্ময়সূচক বাক্য ঃ**

হাইৰে, এতো শুন্দৰ ছেৰি (বাঃ ইমান ধুনীয়া ছোৱালী)

বাপৰে বাপ, কি কেইপ্টাৰে মানুশটা (ইছ, মানুহজন ইমান কৃপণ)

হ' হ' তোক দেকছি তুই কতো বালো মানুশ (অ' দেখিলো নহয় তুমি কিমান ভাল মানুহ)

ইশ, মানুশটোৰ কি কষ্ট (ইচ্ মানুহজনৰ বৰ কষ্ট)

**ইচ্ছাসূচক বাক্য ঃ**

আল্লাই তোমাৰ বালো কৰুক (ঈশ্বৰে তোমাৰ মঙ্গল কৰক)

তোম্ৰা বালো বালোই থাকো। (তোমালোকে ভালে ভালে থাকা)

ক্ৰিয়াৰ প্ৰয়োগ অবিহনেও গঠিত হোৱা অজস্ৰ বাক্য ভাটীয়া ভাষাত আছে। উদাহৰণ-

মানুশটা বালো।

তুমি কেৰো?

এইডো কাগেৰ বাৰী?

তুমি কোনে?

লেচুগনা চুহা।

ও আমাৰ থাইকা বৰো।

তোত থাইকা ওতি বালো।

**ভাটীয়া ভাষাৰ খণ্ডবাক্য ঃ**

ভাটীয়া ভাষাত ভালেমান খণ্ড বাক্যৰ প্ৰচলন থকা দেখা যায় । উদাহৰণ-

আথাও শাগৰ (ডাঙৰ বিপদ)

আবুল তাবুল (আজে বাজে)

আগা ডালি (উপযাচি)

উবৰে খায় (হেতা ওপৰা)

কাণ খাৰা (সজাগ)

কুৱেৰ বেং (অনভিজ্ঞ)

গলাৰ মালা (এৰাব নোৱাৰা)

চইক মুনজে (চকু মুদা)

চুনিয়ে লাগা (লোকচান হোৱা)

চইকৈৰ কাডা (চকুৰ কুটা)

প্ৰসঙ্গটীকা ঃ

১। ভট্টাচাৰ্য, পৰেশ চন্দ্ৰ ঃ ভাষা বিদ্যা পৰিচয়, পৃঃ ২৫

২। ভৰালী, বিভা ঃ কামৰূপী উপভাষা ঃ এটি অধ্যয়ন, পৃঃ ১৩৬

# পঞ্চম অধ্যায়

## পঞ্চম অধ্যায়

# পূৰ বিলাসীপাৰা অঞ্চলৰ কথিত ভাষাৰ সমাজভাষাতাত্ত্বিক অধ্যয়ণ

**৫.০.০ঃ জনগাঁথনিৰ পৰিচয় ঃ**

বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী আৰু নৃগোষ্ঠীৰ মিলনস্থলী অসম তথা উত্তৰ পূৰ্বাঞ্চল। অসমৰ আন আন ঠাইৰ দৰে অবিভক্ত গোৱালপাৰা জিলাও বিভিন্ন জাতিগোষ্ঠীৰ আবাসভূমি। আমাৰ আলোচ্য পূব বিলাসীপাৰা অঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। 'ধৰ্মীয় দৃষ্টিকোণৰ পৰা হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টিয়ান, জৈন, আদি শ্ৰেণীত ভগাব পাৰি। কোচ ৰাজবংশী, বড়ো, গাৰো, ৰাভা, হাজং, জলধা আদি গোষ্ঠীৰ বাসস্থান ৰূপেও এই অঞ্চল বিখ্যাত। তেওঁলোক ইণ্ডো-মঙ্গলীয় সম্ভূত। বৰ্ণহিন্দুৰ ভিতৰত ব্ৰাহ্মাণ, কায়স্থ, কলিতা আদি লোকেও অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি আছে। অৱশ্যে আন আন গোষ্ঠীৰ তুলনাত বৰ্ণ হিন্দুৰ সংখ্যা কম। যোগী বা নাথ সম্প্ৰদায়ৰ লোকে এই জিলাখনৰ অধিবাসী সকলৰ মাজত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। অঞ্চলটোত কেবা শ্ৰেণীৰ মৎসজীৱীৰ বসতি দেখা যায়। এওঁলোক সম্ভৱত দ্ৰাবিড় গোষ্ঠীৰ বংশধৰ। ইয়াৰ বাহিৰেও হীৰা, কুমাৰ, নাপিত, মালি আদিৰ বসতিও জিলাখনত দেখা যায়। [১]

পূব বিলাসীপাৰা অঞ্চলৰ শালকোচা, পুখুৰীপাৰা, হাপাপাৰা, ভকতগাওঁ, বহলপুৰ আদি অঞ্চলত প্ৰধানকৈ ৰাজবংশীসকলে বসবাস কৰে। নাথপাৰা প্ৰধানকৈ নাথ যোগীসকলৰ বাস।

ৰাজবংশীসকল বৃহত্তৰ কোচ সকলোৰেই এটা ঠাল। গ্ৰীয়াৰ্ছনৰ মতে কোচ বুলিলে এজন হিন্দুকৃত বড়োক বুজাব যিসকলে নিজৰ ধৰ্ম আৰু ভাষা ত্যাগ কৰি হিন্দু ধৰ্ম আৰু আৰ্যভাষা গ্ৰহণ কৰিছে। গোৱালপাৰা আৰু কোচবিহাৰ আদি অঞ্চলৰ ৰাজবংশী সকল এনে ধৰ্মান্তৰিত কোচ।[২] কোচ ৰজা নৰনাৰায়ণ আৰু তাৰ পৰৱৰ্তী বিভিন্ন শাষকবৰ্গৰ অধীনত এই অঞ্চলৰ ৰাজবংশী সকলৰ অৱস্থানৰ সম্ভেদ পোৱা যায়। এই ফালৰ পৰা ৰাজবংশীসকল এই অঞ্চলৰ তুলনামূলক প্ৰাচীন বাসিন্দা। স্বাধীনোত্তৰ পঞ্চাশৰ দশকত পূৰ্ববঙ্গৰ সাম্প্ৰদায়িক দাঙ্গাত যথেষ্ট হিন্দু শৰণাৰ্থী ধুবুৰীত

আশ্রয় লৈছিল। তাৰে ধুবুৰীত ৭১১, মানকাৰচৰত ৩৯৫, দক্ষিণ শালমাৰাত ৫৪২, বিলাসীপাৰাত ১৯৩১ জনক সংস্থাপন দিয়া হৈছিল। [৩]

পূৱ বিলাসীপাৰা অঞ্চলৰ এক বুজন সংখ্যক জনসংখ্যা মুছলমান সম্প্রদায়ৰ। থলুৱা মুছলমান সকলে নিজকে 'উজেনি' বা 'দেশী' মুছলমান হিচাপে পৰিচয় দিয়ে। আনহাতে পূৰ্ববংগৰ পৰা প্রব্রজিত মুছলমান সকলক স্থানীয় লোকসকলে ভাটীয়া বা মৈমনশিঙীয়া বা চৰুৱা বুলি কয়।

দেশী বা উজেনি মুছলমানসকল থলুৱা জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত লোক। ১৪৯৮ খ্ৰীষ্টাব্দত গৌড়ৰ চুলতান আলাউদ্দিন শ্বাহ কমতাপুৰ (অবিভক্ত গোৱালপাৰা জিলা)ত ৮ বছৰ ৰাজত্ব কৰে আৰু ৰঙামাটিত ৰাজধানী পাতে। পৰৱৰ্তী সময়ত মোগলসকলে ইয়াত ঘাটিপাতি একেৰাহে ১৬৬২ খ্ৰীষ্টাব্দৰ পৰা ১৭৬৫ খ্ৰীষ্টাব্দলৈ প্রায় ১০৪ বছৰ ৰাজত্ব কৰে। পৰ্যটক ইবন বতুতাৰ 'ছফৰ নামাত' বৰ্ণনা মতে সেই সময়ত কামৰূপত ফকিৰুদ্দিন মোবাৰক শ্বাহে ১৩৩৬ খ্ৰীষ্টাব্দৰ পৰা ১৩৫২ খ্ৰীষ্টাব্দলৈ শাসন কৰিছিল। এই সময়ছোৱাত স্থানীয় মেছ, কোচ, যোগী, নমোশূদ্র, ৰাভা, হাজং আদি গোষ্ঠীৰ লোকে চামে চামে মুছলমান হয়। ১৪৬০ খ্ৰীষ্টাব্দত ইছমাইল গাজীয়ে কমতাৰাজ চক্রধ্বজক পৰাস্ত কৰি কমতা ৰাজ্য দখল কৰে। চক্রধ্বজে গাজীৰ ওচৰত ইছলাম ধৰ্মত দীক্ষা লয়। লগে লগে অনেক স্থানীয় প্রজাই ইছলাম ধৰ্ম গ্ৰহণ কৰে। ১৪৯৮ খ্ৰীষ্টাব্দৰ ভিতৰত এইখন জিলালৈ অহা পাঠান সৈন্য, আনলোক কিছুমান ঠায়ে ঠায়ে থাকি যায় আৰু স্থানীয় পতিতা, অৱহেলিতা তিৰোতাক বিয়া কৰাই বসবাস কৰি থাকে। এওঁলোকৰে সতি-সন্ততি মুছলমান সকল।[৪]

পূৱ বিলাসীপাৰা অঞ্চলৰ এক বুজন সংখ্যক জনসংখ্যা প্রব্রজিত মুছলমানৰ। মানৱ সভ্যতাৰ ইতিহাসেই প্রব্রজনৰ ইতিহাস। সমগ্ৰ অসমৰ লগতে পূৱ বিলাসীপাৰা অঞ্চলতো ব্ৰহ্মপুত্ৰৰ চৰ আৰু দাতি কাষৰীয়া অঞ্চলবোৰত ভাটীয়া জনগোষ্ঠীৰ প্রব্রজন ঘটে। এই প্রব্রজনৰ অন্তৰালত কিছুমান স্বাভাৱিক আৰু আৰ্থসামাজিক কাৰণ আছে। সেইবোৰ হ'ল-

(১) পূৰ্ববংগত দীৰ্ঘকাল ধৰি চলা জমিদাৰী শাসন আৰু অত্যাচাৰত সৰ্বশ্ৰান্ত কৃষকে অপেক্ষাকৃত উন্নত ভূমি ব্যৱস্থাৰ আশাৰে অসমলৈ গুচি আহে।

(২) ১৯১১ চনলৈ পূৰ্ববংগ অসমতে চামিল হৈ আছিল। এই অৱস্থাত অখণ্ড ভাৰতৰ

নাগৰিক হিচাপে অসমলৈ অহাত কোনো বাধাও নাছিল।

(৩) বংগ আৰু অসমত ভূমি ব্যৱস্থাৰ বিস্তৰ পাৰ্থক্য থকা কাৰণে অসমত শোষণৰ মাত্ৰা তুলনামূলক ভাবে কম আছিল। যিয়ে বংগৰ কৃষকক প্ৰব্ৰজনৰ কাৰণে উৎসাহিত কৰিছিল।

(৪)১৮৯৩, ১৮৯৭, ১৮৯৮ আৰু ১৯১৫ চনৰ দুৰ্ভিক্ষৰ সময়ত বংগত হাজাৰ হাজাৰ মানুহৰ মৃত্যু হৈছিল। দুৰ্ভিক্ষ, অনাহাৰ, অৰ্ধাহাৰ আদিৰ পৰা মুক্তি পাবলৈ বহু প্ৰজা অসমলৈ গুচি আহে।

(৫)১৮৯৭ খ্ৰীষ্টাব্দত সমগ্ৰ বংগ আৰু অসমত হোৱা ভূমিকম্পৰ ফলত বংগৰ ঘন বসতি অঞ্চলৰ পৰা অসমৰ গোৱালপাৰা, বৰপেটা আদিলৈ বহু লোক প্ৰব্ৰজন কৰে।

(৬) কুৰি শতিকাৰ আৰম্ভণিৰ আগলৈকে অসমৰ সৰহ ঠাই হাবি জংগলৰে ভৰপুৰ আছিল। জনসংখ্যা অনুপাতে অনাবাদি পতিত মাটিৰ সংখ্যা আছিল বহু বেছি, আৰু এই সাৰুৱা মাটিয়ে বংগৰ লোকসকলক আকৰ্ষণ কৰিছিল।

(৭) ব্ৰহ্মপুত্ৰৰ মাজৰ চৰ অঞ্চল আৰু নৈপৰীয়া দ ঠাইৰ প্ৰতি থলুৱা ৰাইজৰ আকৰ্ষণ নাছিল।

(৮) অসমৰ তৎকালীন অৰ্থনৈতিক অৱস্থাই এই প্ৰব্ৰজনত ইন্ধন যোগাইছিল। অষ্টাদশ শতিকাৰ মানৰ অসম আক্ৰমণ, কলাজ্বৰ, মেলেৰিয়া আদি মহামাৰীৰে অসমৰ জনসংখ্যা যথেষ্ট হ্ৰাস পাইছিল। ফলত অৰ্থনৈতিক দুৰাৱস্থাৰ সৃষ্টি হৈছিল। কৃষি অৰ্থনীতি টনকিয়াল কৰিবৰ অৰ্থে নেতৃস্থানীয় অসমীয়াই পূৰ্ববংগীয় মুছলমান লোকসকলক প্ৰব্ৰজনৰ কাৰণে উৎসাহ প্ৰদান কৰিছিল।

(৯) ব্ৰিটিছ চৰকাৰৰ ঔপনিৱেশিক আঁচনি এই প্ৰব্ৰজনৰ এক উল্লেখযোগ্য কাৰণ।

(১০) ত্ৰিশৰ শতিকাৰ শেষৰ ফালে ছাৰ ছাদুল্লা চৰকাৰৰ ৰক্ষণাবেক্ষণ, উৎসাহৰ ফলত (Grow more food) আঁচনিৰে যথেষ্ট পৰিমাণে পূৰ্ববংগীয় লোকক আমন্ত্ৰণ জনোৱা হৈছিল।[৫]

এক পৰিসংখ্যা মতে ১৯০৪-১১ চনত পূৰ্ববংগৰ মৈমনশিঙ ৰংপুৰ আৰু জলপাইগুৰি জিলাৰ ৮৪ হাজাৰ লোকে ঘৰ-দুৱাৰ ত্যাগ কৰি অসমত প্ৰবেশ কৰে। তাৰে ৫১ হাজাৰ জন লোকে অবিভক্ত গোৱালপাৰা জিলাত আৰু বাকীখিনিয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যান্য অংশত থিতাপি লয়।[৬]

সেইসময়ত পুৱ বিলাসীপাৰা অঞ্চলত জমিদাৰ সকলেও প্ৰব্ৰজনত উৎসাহ দিয়াৰ

তথ্য পোৱা যায়। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ লিখনিত তাৰ প্ৰতিফলন দেখা যায়- "তেতিয়া ব্ৰহ্মপুত্ৰ নদীত IGM কোম্পানীৰ যাত্ৰীবাহী আৰু মালবাহী জাহাজ চলিছিল। ব্ৰহ্মপুত্ৰৰ পানী ক'ত ক'ত তৰাং জুখি জাহাজ চলাচলৰ পথ নিৰ্ণয় কৰিব পৰা এদল পাকৈত বনুৱা আছিল। তেওঁলোকক আৰকাটি বোলা হৈছিল। তেওঁলোক ব্ৰহ্মপুত্ৰৰ পাৰত, চৰত, নলখাগৰিৰ মাজত পঁজাঘৰ সাজি থাকিব লগা হৈছিল। এই আৰকাটিবোৰ আছিল পূৰ্ববংগৰ লোক। খেতি কৰিবলৈ মাটি বিচাৰি ফুৰা শ্ৰেণীৰ লোক। বন্য জীৱ-জন্তুৰ বাসভূমি নলখাগৰিৰে ভৰি থাকিলেও পূৰ্ববংগৰ দৰে বানপানীত তল যোৱা খেতিৰ উপযোগী বিস্তীৰ্ণ ভূমিখণ্ড দেখি দেখি এজন তাৰকাটিৰ মনত লোভ জাগি উঠিল। আৰকাটিৰ চাকৰিতকৈ মাটিৰ ব্যৱসায় লাভজনক বুলি ভাবিলে। চাকৰি এৰি চাপৰ জমিদাৰৰ ওচৰলৈ গৈ দহহেজাৰ বিঘা মাটি পট্টন বিছাৰি দৰখাস্ত দিলে। দৰখাস্ত পাই জমিদাৰৰ কি উল্লাস। বন্য জীৱ-জন্তু বিচৰণ কৰা পতিত পৰি থকা মাটিৰ বাবে ডাঙৰ গ্ৰাহক আহিছে। সিদিনা জাহাজ কোম্পানীৰ তাৰকাটি এজন জমিদাৰৰ ঘৰত আদৰণীয় অতিথি, সন্মানীয় গ্ৰাহক। তেওঁকে কেন্দ্ৰ কৰি সিদিনা জমিদাৰৰ ঘৰত উৎসৱৰ আয়োজন।[৭] হয়তো পূব বিলাসীবাৰাৰ অঞ্চলত হোৱা জন প্ৰব্ৰজনৰ উৎসও ইয়েই।

**৫.০.১ ঃ পূৱ বিলাসীপাৰা অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজৰ সামাজিক সম্পৰ্ক ঃ**

বহুভাষিক, বহুজাতিক অঞ্চলৰ জনগোষ্ঠীসমূহৰ মাজৰ সামাজিক সম্পৰ্কৰ বিচাৰ অতি জটিল প্ৰক্ৰিয়া যদিও সামাজিক সহাবস্থান আৰু পৰিস্থিতিকেন্দ্ৰীক পৰিবেশৰ সাধাৰণীকৰণৰ দ্বাৰা আন্তঃজাতি সম্পৰ্কৰ ফল্গুধাৰাৰ উমান পোৱা যায়। সুদীৰ্ঘ দিন অসম আৰু বঙ্গৰ সৈতে চামিল কৰণৰ ৰাজনীতিৰে বৃটিছে অবিভক্ত গোৱালপাৰা জিলাৰ জনবিন্যাসতেই নহয় ইয়াৰ সামাজিক জীৱনৰ ওপৰতো বঙ্গীয় প্ৰভাৱৰ এক সুযোগ আনি দিছিল। অতীজৰে পৰাই মুছলমান-হিন্দুৰ সম্প্ৰীতিৰ প্ৰমাণ বিদেশী ভ্ৰমণকাৰীৰ টোকাত পোৱা যায়। চিহাবুদ্দিন তালিচে উল্লেখ কৰিছে এই দেশৰ সকলো মানুহে জাতকুলৰ বিচাৰ নকৰি যাৰে তাৰে হাতৰ খায়।[৮] অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত পীৰ ফকিৰৰ গীত, দেহতত্বৰ গীত, মনাই যাত্ৰা, সত্যপীৰৰ গীতত হিন্দু-মুছলমানৰ সংস্কৃতিৰ সংহতিপূৰ্ণ চিত্ৰ দেখিবলৈ পোৱা যায়।

সমগ্ৰ অসমৰ লগতে অবিভক্ত গোৱালপাৰা জিলাৰ এক বিশিষ্ট অংশ পূৱ বিলাসীপাৰা অঞ্চলতো থলুৱা মুছলমানৰ সৈতে থলুৱা হিন্দু (ৰাজবংশী) সমাজৰ সামাজিক সংস্কৃতিক সমন্বয়ৰ

এক সাধাৰণীকৃত চিত্ৰ দেখিবলৈ পোৱা যায়। বঙালী হিন্দু, চৰুৱা মুছলমান এই অঞ্চলত প্ৰধানকৈ পূৰ্ববঙ্গৰ পৰা প্ৰব্ৰজিত। বিহাৰী, মাৰোৱাৰী আৰু শিখ সকল ভাৰতৰ অন্য প্ৰদেশৰ পৰা ব্যৱসায় সূত্ৰে প্ৰব্ৰজিত। অঞ্চলটোৰ আদিম অধিবাসী হিচাপে ৰাজবংশী সকলৰ নৃতাত্বিক বৈশিষ্ট্য সম্বন্ধে ভিন্নসুৰী মতবাত পৰিলক্ষিত হয় যদিও তেওঁলোকৰ গাত মঙ্গোলীয় আৰু দ্ৰাবিড়ীয় লক্ষণ বিদ্যমান। সম্ভৱতঃ তেওঁলোক আন্তঃপ্ৰব্ৰজনৰ বাবেই নৈপৰীয়া অঞ্চলৰ পৰা ক্ৰমান্বয়ে অপসাৰিত হৈছিল য'ত বঙ্গমূলীয় মুছলমান সকলে ব্যপক হাৰত বসতি স্থাপন কৰিছিল।সেয়ে স্থানীয় ৰাজবংশী আৰু উজেনি (দেশী) মুছলমানৰ মাজত সামাজিক সহাৱস্থান কিম্বা সংস্কৃতিগত যিমান মিল দেখা যায় দেশীমুছলমান কিম্বা ৰাজবংশী সকলৰ লগত ভাটিয়া মুছলমানৰ ভাষিক, সামাজিক আৰু সাংস্কৃতিক সমাহৰন সহজ দৃশ্যমান নহয়। অৱস্থানকেন্দ্ৰীক প্ৰতিযোগিতা, অৰ্থনৈতিক কাৰ্যক্ৰমনিকা কিম্বা সাংস্কৃতিগত বিস্তৰ পাৰ্থক্যই যাৰ মুখ্য কাৰক বুলি অনুমান কৰিব পাৰি।

বিলাসীপাৰা পুব অঞ্চলৰ মুছলমান সকলৰ মাজত অন্য এক শ্ৰেণীৰ মুছলমানৰ সন্ধেদ পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মানকাচৰৰ ওচৰৰ কদমতলী, দক্ষিণ শালমাৰা, উত্তৰ পাৰৰ গৌৰীপুৰ, আলমগঞ্জ আদি অঞ্চলতো বাস কৰা উক্ত জনগোষ্ঠীটোক স্থানীয় নাম 'সানদাৰ'। গৌৰীপুৰত তেওঁলোকক 'হুলিয়ে' বুলি কোৱা হয়। কিন্তু হুলিয়ে শব্দৰ ব্যৱহাৰত উক্ত জনগোষ্ঠীটোৱে আপত্তি কৰে। বৰং তেওঁলোকে নিজকে 'বেপাৰী' বুলি কবলৈহে ভাল পায়। তেওঁলোকে প্ৰধানকৈ 'ফেৰী' কৰা ব্যৱসায়ৰ লগত জড়িত আৰু তেওঁলোকৰ নাৰীসকলেও ব্যৱসায়ত পুৰুষৰ সমানে আগবঢ়া। দুই এক ব্যতিক্ৰম বাদ দিলে তেওঁলোকৰ সামাজিক অৱস্থান খুউব উচ্চ নহয়। সামাজিক পৰম্পৰা, লোকাচাৰ, জীৱন যাপন পদ্ধতিত কিছু সুকীয়া এই শ্ৰেণীৰ লোকৰ সৈতে দেশী বা ভাটিয়া মুছলমানৰ বিয়া বাৰুকে আদি কৰি অন্যান্য বিষয়তো সামাজিক সহাৱস্থান খুউব উন্নত নহয়।

অসমৰ অন্যান্য ঠাইৰ দৰে বিলাসীপাৰা অঞ্চলতো বৃত্তিকেন্দ্ৰীক জাতিভেদৰ নীতি কটকটীয়া নহয়। তাঁতী, জোলা , ভুঁইমালী, হীৰা, কৈৱৰ্ত আদি সম্প্ৰদায়ৰ মাজত সামান্য বৃত্তিকেন্দ্ৰীক জাতিসত্তা এটিৰ উমান পালেও জিলাখনত পৰিবৰ্তিত পৰিস্থিতিত এই বৃত্তিকেন্দ্ৰীক জাতিভেদৰ ধাৰাটো অচল হৈ পৰিছে। আজিৰ দিনত বহু দেশী মুছলমানেও চুলিকটা বৃত্তিত ধৰিছে, অন্যহাতে কৃষিক কেন্দ্ৰ কৰি প্ৰব্ৰজিত মুছলমান (ভাটিয়া) সকলে ফেৰীকৰা ব্যৱসায়ত নিয়োজিত হৈছে। [৯]

পূব বিলাসীপাৰাৰ জনগাঁথনিগত বৈচিত্ৰ্যই সুদীৰ্ঘ কাল ধৰি সহাৱস্থানত জনগোষ্ঠীসমূহৰ মাজত এক সহনশীলতাৰ পৰম্পৰা গঢ়ি তুলিছে। হিন্দু সমাজৰ উচ্চনীচৰ ভেদাভেদৰ ক্ষীণ প্ৰৱণতা এটা থাকিলেও মুছলমান সকলৰ মাজত ইয়াৰ জাতিগত ভেদাভেদ নাই। মূলতঃ বঙ্গদেশৰ পৰা প্ৰব্ৰজিত যদিও বঙ্গীয় মুছলমান সমাজত আশৰাফ্, আতৰায়, আজলাফ্ আৰু আৰজল এনেদৰে শ্ৰেণীবিভক্ত কৰাৰ প্ৰৱণতা এটা আছিল। আৰজল সকল আছিল মুছলিম সমাজৰ নিম্নতম শ্ৰেণীৰ লোক। শোষিত শ্ৰেণীৰ প্ৰতিনিধিত্বকাৰী এই সকল লোকেই পিছৰ কালত সময়ৰ চাকনৈয়াত পৰি প্ৰব্ৰজন কৰিব লগাত পৰিছিল। শিক্ষাৰ আলোহীনতা এওঁলোকৰ মজ্জাগত। উমেশ শৰ্মাৰ মতে এই সকল লোকেই পীৰপূজা, মানত, দৰগাহ পূজা জ্বীনপৰী, তাজিয়ালৈ শোভাযাত্ৰা কৰা, মুৰ্শিয়া গোৱা, যাত্ৰা মেলা লাগিলেই আনন্দত উত্ৰাৱল হোৱা এওঁলোকৰ তেজৰ শিৰাই শিৰাই প্ৰবাহিত।[১০] এইসকল লোকেই সচেতন কোনো ইছলামী সংস্কৃতি লৈ যে অসমত প্ৰবেশ কৰিছিল তেনেও নহয়। বৰং যি নিম্নবৰ্গৰ হিন্দুৰ পৰা এইসকল লোক ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল সেই নিম্নবৰ্গৰ হিন্দুৰ ভাষা সংস্কৃতি তেওঁলোকৰ মজ্জাগত থকাৰ বাবে আৰু ভৌগলিক স্থানান্তৰেও তেওঁলোকৰ পূৰ্বৰ ভাষা সংস্কৃতিৰ কোনো পৰিবৰ্তন হৈছিল বুলিও কব নোৱাৰি। অন্যহাতে শাসক সকলেও এক সম্প্ৰীতিৰ প্ৰচেষ্টাত ৰত আছিল শাষণৰ সুবিধাৰ বাবে। এনেকৈয়ে এক সংমিশ্ৰিত সংস্কৃতি গঢ় লৈ উঠিছিল। সেয়ে ৰোগ ব্যাধি জীৱজন্তু, প্ৰাকৃতিক দুৰ্যোগত পূৰ্বাপৰ শক্তিৰ আৰাধনা, সাপে খুটিলে মন্ত্ৰৰ আশ্ৰয় লোৱা বা মনসাৰ মানত কৰা, শীতলা, ওলা, ব্যঘ্ৰ দেৱতা, দক্ষিণাৰায়ৰ পূজা আদি বঙ্গীয় নিম্নবৰ্গৰ মুছলমানৰ মজ্জাগত আছিল। কিন্তু ইছলাম গ্ৰহণৰ পিছত অতিৰিক্ত ভাবে পীৰ দৰবেশৰ প্ৰভাৱত ইছলামৰ সংস্পৰ্শলৈ আহিলেও পূৰ্বৰ অভিজ্ঞতাৰ সৈতে দৰগাহত প্ৰদীপ জলোৱা, সত্যপীৰ (সত্যনাৰায়ন), গাজীপীৰ, খোৱাজপীৰৰ কল্পনাপ্ৰসূত যুক্ত সাধনাৰ পদ্ধতি গ্ৰহণ কৰা দেখা যায়। ধৰ্মগুৰুসকলৰ পূৰ্বৰ যি অসহায় জীৱন ব্যৱস্থা তাৰ পৰাই এই দেৱমূৰ্তি কল্পনা। এনে এক পৰিস্থিতিত প্ৰব্ৰজিত সকলৰ লগত স্থানীয় ৰাজবংশী আৰু দেশী মুছলমানৰ মাজতো সংঘাতৰ কোনো তীব্ৰতা আছিল বুলি কব নোৱাৰি।

পূব বিলাসীপাৰা অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সামাজিক সহাৱস্থানৰ অন্য এক স্বাক্ষৰ হ'ল সুদীৰ্ঘকাল এই অঞ্চলত কোনো সাম্প্ৰদায়িক সংঘৰ্ষ নোহোৱা। বৰং ভাষা আন্দোলন, মাধ্যম আন্দোলনত মূলসূতিৰ অসমীয়াৰ লগত একত্ৰীকৰণৰ এক নিৰলস প্ৰচেষ্টাৰে অসমীয়া জাতীয়

জীৱনৰ বিকাশ আৰু সমৃদ্ধিত স্থানীয় ৰাজবংশী, দেশী আৰু ভাটিয়া মুছলমানেও নীৰবে নিভৃতে অৱদান আগবঢ়াইছে। অসমৰ অন্যান্য ঠাইত হোৱা কিছু বিভ্ৰান্তিকৰ সাম্প্ৰদায়িক অসুস্থতাৰ বিপৰীতে পূৱ বিলাসীপাৰা অঞ্চল সাম্প্ৰদায়িক সম্প্ৰীতিৰ এক উজ্জ্বল দৃষ্টান্ত।

**৫.০.২ ঃ পূৱ বিলাসীপাৰাৰ সমাজ ভাষাতাত্ত্বিক অৱস্থান ঃ**

ভাষিক বৈচিত্ৰ্যই সমাজ ভাষা বিজ্ঞানৰ মূল কথা। সমাজ ভাষা বিজ্ঞানৰ প্ৰথম কামটো হ'ল সংস্কৃতি আৰু সমাজত ভাষাৰ স্থান বিচাৰ কৰা আৰু এটা ভাষিক গোষ্ঠীৰ ভাষাৰ ব্যৱহাৰৰ মাজত সামাজিক সাংস্কৃতিক জীৱনধাৰা কেনেভাবে প্ৰতিফলিত হয় তাৰ বিচাৰ বিশ্লেষণ কৰা। উইলিয়াম লেভাবে তেখেতৰ 'A Social Stratification of English Language in New York Speech' অধ্যয়নত দেখুৱাইছে যে সামাজিক বাধা আৰু দূৰত্বই ভাষাৰ বিভিন্নতাৰ সৃষ্টি কৰে। তেনেদৰে আৰ্থিক অৱস্থান ভেদে, গোষ্ঠী ভেদে লিঙ্গভেদে, বয়স ভেদে ভাষাৰ ভিন্নতা দৃশ্যমান হয়। এই দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে পূব বিলাসীপাৰা অঞ্চলৰ ভিন্ন জনগোষ্ঠী আৰু সামাজিক অৱস্থানভেদে ভাষাৰূপৰ ভিন্নত তলত দিয় ধৰণে দেখুৱাব পাৰি।

**৫.০.৩ ঃ পূৱ বিলাসীপাৰাত অপেক্ষাকৃত কম জনসংখ্যাৰ সানদাৰ আৰু হুলিয় মুছলমানৰ লগত দেশী আৰু উজেনি মুছলমানৰ মাজত ভাষাৰূপৰ পাৰ্থক্য এনে ধৰণৰ ঃ**

| সানদাৰ বা হুলিয়ে | দেশী বা উজেনি | অসমীয়া অৰ্থ |
|---|---|---|
| লিবি | নিবি | লবি |
| চটি | ছেণ্ডেল | চপ্পল |
| জাইৰা | জাৰুৰে | জাৰজ |
| লযাই | চল যাই | বলা যাওঁ |
| সাধু | ভায়ৰা | (খুলশালীৰ স্বামী) |
| ডেং | মাতা | মূৰ |
| ভামুটি কল | আঠিয়ে কল | আঠিয়া কল |
| পাইচে | ডালি | ডলা |
| কেছাল | কাজিয়ে | কাজিয়া |
| কাৰকল | কাকৰল | ভাত কেৰেলা |

| | | |
|---|---|---|
| ইসলে | ইলশে | ইলিচ |
| কুৰকা | মুৰুগ / মুৰ্গি | কুকুৰা |

**৫.০.৪ ঃ পূৱ বিলাসীপাৰা অঞ্চলত দেশী মুছলমান আৰু ৰাজবংশী সকলৰ ধৰ্মীয় বা দৈনন্দিন জীৱনত ব্যৱহৃত শব্দৰাজিৰ পাৰ্থক্য দেখা যায় ঃ**

| শব্দ | দেশী মুছলমান | ৰাজবংশী |
|---|---|---|
| | কুতি / কুটি | কোনঠাই |
| | দোৱা কৰ | আশিৰ্বাদ কৰা |
| | আল্লা | ভগৱান |
| | মউত | মৰণ |
| | তামদাৰি / চল্লিশা | শ্ৰাদ্ধ /কাম (শ্ৰাদ্ধ) |
| | বেহেস্তো | স্বৰ্গ |
| | দজোক | নৰক |
| | নামাজ | পূজা |

**বাক্যগত ক্ষেত্ৰত ঃ**

বিলাসীপাৰা, লক্ষীগঞ্জ, ৰাণীগঞ্জ অঞ্চলৰ দেশী মুছলমান সকলে কয় এনেদৰে ("তুমি কলৈ গৈছিলা)"

তুই কুটিখোনা গেছ্লু / গেছিলু।

চাপৰ, কাজিপাৰা, বৌমাৰী আদি অঞ্চলৰ দেশী মুছলমান সকলে কয় -

তুই কুতি / কুনঠে গেছিলি

ৰাজবংশী লোক সকলে কয় -

তুই কুনঠে গেছিলোতে।

আন এটি উদাহৰণ হ'ল-

দেশী মুছলমানসকলে কোৱা -

মুই ভুলি গেছিলুং (মই পাহৰি গৈছিলো)

ৰাজবংশীসকলে কয় -

মুই পাশুৰিয়া গেইছিলুং।

**৫.০.৫ ঃ পূব বিলাসীপাৰা অঞ্চলৰ দেশী মুছলমান আৰু ভাটিয়া মুছলমানৰ ভাষাৰ মাজত পাৰ্থক্য তলত দিয়া হ'ল ঃ**

| দেশী মুছলমান | ভাটীয়া মুছলমান | অসমীয়া |
|---|---|---|
| জেঠি | টিকটিহি | জেঠি |
| বৰাই /বগৰী | বৰই | বগৰী |
| শাচা /শক্তি | হাচা /শক্তি | সঁচা |
| ভাই | বাই | দাদা |
| তৰকাৰি | ছালুন | আঞ্জা |
| বৰ | দামান | দৰা |
| চাচা / কাকা | কাক্কা / চাচা | খুৰা |
| কৰকৰা / বাশিভাত | কৰকৰা | জকৰা ভাত |
| ফল /ডিম /ডিমা | আণ্ডা | কণী |
| গুষ্ঠি / সাগাই | ইষ্ঠি | আলহী |
| পাথৰি /আইশটা | চাৰা | নখ |
| মাক্ৰা | মাহ্ৰাশা | মকৰা |

ধ্বনিতত্ত্বৰ ক্ষেত্ৰতো দেশী মুছলমান আৰু ভাটীয়া মুছলমান সকলৰ মাজত উচ্চাৰণৰ পাৰ্থক্য দেখা যায়-

| দেশী | ভাটীয়া | অসমীয়া |
|---|---|---|
| ঝালা | জালা | জলা ( ঝ 〉জ) |
| শাক | সাক | শাক ( শ 〉স) |
| ভাত | বাত | ভাত (ভ 〉ব) |
| কাঠল | কাডল | কঁঠাল (ঠ 〉ড) |
| মাথা | মাতা | মূৰ ( থ 〉ত) |

| | | |
|---|---|---|
| হাত | আত | হাত ( হ 〉অ) |
| হাশ | আশ | হাঁহ ( হ 〉অ) |

ৰূপতাত্ত্বিক ক্ষেত্ৰতো দেশী আৰু ভাটীয়া মুছলমানৰ কথাৰ ভেদ দেখা যায়। বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰৰ প্ৰভেদ দেখা যায়।

| দেশী | ভাটীয়া | অসমীয়া |
|---|---|---|
| -গুলা/-গুলো | -গনা | -বোৰ |
| -টা | -জে | -টো |

নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰৰ ক্ষেত্ৰতো দুয়ো ভাষাৰ কিছু প্ৰভেদ দেখা যায়। যেনে ঃ

| দেশী | ভাটীয়া | অসমীয়া |
|---|---|---|
| -টা | -জে | -টো |
| -খানি | -জাল্লা | -মান |
| -বাৰী | -বাইত্তে | -হঁত |
| -চাকা | -চাহা | -চকল |
| -ঝোপা | -থোপা | -থোক |

দৰাচলতে দেশী মুছলমান আৰু ভাটীয়া মুছলমান সকলৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত ক্ষেত্ৰত ৰূপ ভেদ আৰু কিছুমান স্থানত ভিন্ন শব্দৰ প্ৰয়োগ দেখা যায়। বাক্যগত ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। দেশী মুছলমান লোক সকলে গোৱালপৰীয়া উপভাষাৰ প্ৰশাখা শালকোচীয়া বা দেশী ভাষা কয়। ভাটীয়া মুছলমান সকলে তেওঁলোকৰ পূৰ্ববংগ মূলীয় ভাষাটিহে কয়। গতিকে ধৰ্মৰ পিনৰ পৰা একে আচাৰ নীতি পালন কৰিলেও ভাষিক ক্ষেত্ৰত এওঁলোকৰ কথাৰ মিল দেখা নাযায়। উদাহৰণস্বৰূপে-

দেশী মুছলমানৰ ভাষা -

১। ওই, তুই কিংকা আছি? (তুমি কেনেকুৱা আছো?)

২। আপিটা একটা কামো কৰিবা নাপায় (ছোৱালীজনীয়ে একো কাম কৰিব নোৱাৰে)

৩। হে আল্লা, এই মহা বিপদেত থাকি মোক বাছাও (হে আল্লা, মোক এই বিপদৰ পৰা

ৰক্ষা কৰা)

ভাটীয়া মুছলমানসকলে এই একেই কথা এনেদৰে কয়-

১। তুমি কেমুন আছাও?

২। ছেৰিডো একডো কামো কইৰবাৰ পায়না।

৩। হে আল্লা, আমাৰে এই বিপদ থাইকা ৰক্ষা কৰো / বাছাও।

৫.০.৬ ঃ পূব বিলাসীপাৰা অঞ্চলৰ কেবাটাও ভাষাগোষ্ঠীৰ লোকৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰি নিজ নিজ ভাষিক পৰিমণ্ডলতো ধনী আৰু দুখীয়াৰ ভাষাৰূপৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। এনে ভেদ সমূহ বাক্যগত নহয়, শব্দ প্ৰয়োগৰ ক্ষেত্ৰতহে সচৰাচৰ দেখা যায়। আধুনিক আৰু বিলাসী জীৱনত ব্যৱহৃত বহু বিলাসী বস্তুৰ নাম বা প্ৰয়োগৰ উল্লেখ সকলো জনগোষ্ঠীৰ ধনী মানুহৰ মুখত শুনিবলৈ পোৱা যায়। আনহাতে আৰ্থিক দুৰৱস্থাৰ মাজত থকা লগতে অত্যাধুনিক সা-সৰঞ্জাম, সুবিধা আদিৰ পৰা বহু নিলগত থকা ভিতৰুৱা গাওঁ বা দুৰ্গম চৰাঞ্চলৰ লোকৰ মুখত কিছুমান শব্দৰ প্ৰয়োগ শুনিবলৈ পোৱা নাযায় যিবোৰ আপেক্ষিকভাবে অৱস্থাসম্পন্ন ধনী মানুহৰ মুখত শুনিবলৈ পোৱা যায়। বৰ্তমান সময়ত 'গা ধুবলৈ যোৱা' সাধাৰণ কথাটিৰ ক্ষেত্ৰত কওঁতাৰ ভেদ দেখিবলৈ পোৱা যায়। গাওঁৰ দুখীয়া লোক এজনে গা ধুবলৈ যোৱাটো এনেদৰে ক'ব-

ৰাজবংশী বা দেশী মুছলমানৰ ক্ষেত্ৰত -

নদীত / পুখুৰীত থাকি গাওঁ ধুয়া আশুং।

ভাটীয়া ভাষাৰ ক্ষেত্ৰত -

নদীত যাইয়া ডুব পাইৰা আশি।

আকৌ সা-সুবিধাৰে পৰিপূৰ্ণ ধনী লোকে কয় এনেদৰে -

ৰাজবংশী / দেশী মুছলমানলোক-

বাথৰুম থাকি গা ধুয়া আশুং /আছুং।

ভাটীয়া লোকে -

বাথৰুম থাইকা গাও ধুইয়া আহি।

এইটো মাত্ৰ এটা উদাহৰণহে। এনে অজস্ৰ বক্তব্যৰ পাৰ্থক্য দৃষ্টিগোচৰ হয়।

যিহেতু মানুহৰ পাৰিপাৰ্শিক অৱস্থাই ইয়াৰ ভাষাৰ ওপৰত ক্ৰিয়া কৰে গতিকে মানুহে

কৰা কার্য বা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰীসমূহৰ উল্লেখে তেওঁলোকৰ বক্তব্যত পোৱা যায়। দুখীয়া লোকে অত্যাধিক মূল্যৰ সামগ্ৰীৰ প্ৰয়োগ নকৰে গতিকে তেওঁলোকৰ কথাত এইসমূহ সামগ্ৰীৰ উল্লেখো নাই। কৃষক, মাছমৰীয়া, শ্ৰমিক বা আৰ্থিকভাৱে জুৰুলা লোকৰ ঘৰত সামগ্ৰীৰ বাহুল্যতাও কম। ফলত তেওঁলোকৰ কথাৰ পৰিধিও তেনে শব্দৰ মাজতে থাকে। দুখীয়া মানুহ এজনে, ফেন, এ. ছি. কুলাৰ শব্দৰ প্ৰয়োগ নকৰে। তেওঁ 'বিছুন' / 'বিছুন' (বিছনি)ৰ কথাহে কয়। তেনেদৰে তেওঁ পিৰা (পীৰা), মুৰা (মুড়া), চডি / ছালা (পাটী), হাৰিকেন, চুলা / চুলে, ভাটীয়া ভাষাত আইশাল (আখল), কলশি (কলহ), আন্দোনঘৰ (ৰান্ধনিশাল) আদি শব্দৰ প্ৰয়োগ অধিক কৰে। এনে শব্দবোৰ দেশী বা ভাটীয়া উভয় ভাষী দুখীয়া শ্ৰেণীৰ মাজত প্ৰয়োগ হোৱা দেখা যায়।

আকৌ আৰ্থিক ক্ষেত্ৰত সচ্ছল দেশী আৰু ভাটীয়া ভাষী লোকৰ কথাৰ মাজত কিছুমান একে ধৰণৰ শব্দৰ সঘন উল্লেখ পোৱা যায়। এইবোৰ প্ৰধানকৈ আধুনিক সা-সুবিধা ব্যৱহাৰ্য্য সা-সৰঞ্জামৰ প্ৰয়োগৰ পৰা আহে। উদাহৰণস্বৰূপে ধনী মানুহে 'চুলা বা আইশাল নকৈ 'গেছ' শব্দৰ ব্যৱহাৰ কৰে। তেনেদৰে - বাথৰুম, ড্ৰয়িংৰুম, ফেন, এ.ছি., ডাইনিং টেবুল, ছোফা, মাইক্ৰুৱেভ, কেক, বাৰ্গাৰ, পিজ্জা, ৱাশিংমেছিন আদি শব্দৰ ব্যৱহাৰ কৰে।

ধনীক শ্ৰেণীৰ মানুহৰ মাজত আভিজাত্য দেখুওৱাৰ বাবে কিছুমান ক্ষেত্ৰত কথ্যৰূপত মান্যৰ দৰে শালীনতা আনি দিয়ে। এই ভাষা মাৰ্জিত কৰণৰ প্ৰৱনতা দেশী ভাষা-ভাষীলোকৰ লগতে ভাটীয়া ভাষী লোকৰ মাজতো দেখা যায়। নতুনকৈ আৰ্থিক অৱস্থাৰ উন্নতীকৰণ হোৱা লোক আৰু সমাজৰ মুৰব্বী বা নেতৃস্থানীয় লোকসকলৰ কথা বাংলা ভাষাৰ অধিক ওচৰ চপা হয়। উদাহৰণ স্বৰূপে-

সাধাৰণভাৱে কোৱা বাক্য-

১। তুমি কোনে যাও?

২। তোংগোৰে বাইত্তে শবাই কেবা আছে?

ধনীৰ শ্ৰেণীৰ বাক্য-

১। তুমি কোন খানে যাওঁ?

২। তোমাদেৰ বাৰিতে শবাই কেমন আছে।

এনেধৰণৰ বাংলা ভাষাৰ প্ৰায় সমৰূপত কথা কোৱা স্পষ্টৰূপত দৃষ্টিগোচৰ হয়।

৫.০.৭ ঃ সমাজ এখনত শিক্ষিত-অশিক্ষিত লোকৰ আচৰণ তথা বাৰ্তালাপৰ মাজত কিছু পৃথকতা দেখা পোৱা যায়। এয়া পূৱ বিলাসীপাৰা অঞ্চলৰ লোকৰ ক্ষেত্ৰতো প্ৰযোজ্য। শিক্ষিত দেশী ভাষা-ভাষী লোক আৰু অশিক্ষিত লোকৰ বচনভংগীমাত বৰ বেছি বৈসাদৃশ্যতা নাথাকিলেও ধ্বনিগত ক্ষেত্ৰত কিছু পৃথকতা দেখা যায়। আকৌ শিক্ষিত লোকসকল কথা কওঁতে কিছু সচেতনভাৱেই মাৰ্জিত তথা মান্য অসমীয়াৰ ওচৰ চপাকৈ কোৱাৰ প্ৰৱণতা দেখা যায়। দেশী ভাষাৰ ক্ষেত্ৰত এনে কেইটামান উদাহৰণ-

| শিক্ষিত | অশিক্ষিত | অসমীয়া |
|---|---|---|
| লাল | নাল | ৰঙা |
| ৰক্ত | অক্ত | তেজ |
| ৰেডিঅ | এডিঅ | ৰেডিঅ’ |
| হাস্পাতাল | আস্পাতাল | হস্পিটাল |

বাক্যৰ ক্ষেত্ৰত -

অশিক্ষিত - তুই কুটি কোনা গেছলু (তুমি কলৈ গৈছিলা?)

শিক্ষিত - তুই কুনঠে / কুতি গৈছিলি?

শিক্ষিত - মই ভাত নাখাং - (মই ভাত নাখাও)

অশিক্ষিত - মুই ভাত খাবাৰ নুৰাং

ভাটীয়া ভাষা-ভাষী লোকৰ ক্ষেত্ৰতো শিক্ষিত-অশিক্ষিত লোক শব্দগত, ধ্বনি উচ্চাৰণৰ কিছু পৃথকতা আছে। অশিক্ষিত লোকসকলে ল < ন, ৰ < অ, ভ < ব, ধ < দ ৰূপে উচ্চাৰণ কৰে। উদাহৰণস্বৰূপে-

| শিক্ষিত | অশিক্ষিত | মান্য |
|---|---|---|
| ৰাইত | আইত | ৰাতি |
| লাইগ্যা | নাইগ্যা | লাগি |
| ভালুক | বালুক | ভালুক |
| ভাত | বাত | ভাত |
| ধান | দান | ধান |

| | | |
|---|---|---|
| ধৰমু | দৰমু | ধৰিম |
| ভাই | বাই | দাদা |

বাক্যৰ ক্ষেত্ৰত -

শিক্ষিত - ৰাইতে বাইৰে যাবানা (ৰাতি বাহিৰলৈ নাযাবা)

অশিক্ষিত - আইতে বাইৰে যাবানা।

শিক্ষিত - ফিল্ডেৰ মধ্যে পোলাপান খেলাইতাছে।

অশিক্ষিত - মাঠেৰ মধ্যে পোলাপান খেইলতাছে। (ফিল্ডত ল'ৰা-ছোৱালীয়ে খেলি আছে)

শিক্ষিত - ও লেট্রিনে যায়।

অশিক্ষিত - ও পায়খানায় যায়।

কোনো কোনো লোকৰ ক্ষেত্ৰত অৰ্থাৎ ব্যক্তি বিশেষে আকৌ বাংলা ভাষাৰ দৰে বা শব্দ, বাক্য গাঁথনিৰ প্ৰয়োগ তেওঁৰ কথাত প্ৰয়োগ কৰা দেখা যায়। যেনে-

'সাধাৰণতে ব্যৱহৃত - তুমি কোনে থাইকা আইশলা।

বাংলা প্ৰভাৱিত - তুমি কোনখান থেকে আশলা (তুমি ক'ৰ পৰা আহিলা)

৫.০.৮ ঃ লিংগভেদে ভাষাৰ ভেদ যিকোনো সমাজতে দেখিবলৈ পোৱা যায়। এনে পুৰুষ-নাৰী ভেদে ভাষাৰ ভেদ পূৱ বিলাসীপাৰা অঞ্চলৰ দেশী আৰু ভাটীয়া ভাষী লোকৰ ক্ষেত্ৰতে দেখা যায়। এই সমগ্ৰ অঞ্চলটোৰ দেশী মুছলমান, ৰাজবংশী আৰু ভাটীয়া লোকৰ ক্ষেত্ৰতে নাৰীসকল ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ। সামাজিক ক্ষেত্ৰত বা অন্যান্য ক্ষেত্ৰত এইসকল মহিলাৰ আহ-যাহ বৰ বেছি নোহোৱা আৰু পুৰুষসকল বাহিৰত বেছি সময় অতিবাহিত কৰা বাবে পুৰুষ আৰু নাৰীৰ মাজত একেই কথ্য ভাষাৰূপৰ পৃথকতা দৃষ্টিগোচৰ হয়। দেশী মুছলমান আৰু ৰাজবংশী পুৰুষসকল একে সামাজিক পৰিমণ্ডলত কাৰ্য কৰা বাবে এই অঞ্চলৰ পুৰুষ সকলৰ কথ্যৰূপত এক সমিলমিলতা দেখা যায়। তেওঁলোকে ব্যৱহাৰ কৰা ভাষাৰ ৰূপ একে হোৱা দেখা যায়। কিন্তু বাহিৰৰ আবহাৱাৰ পৰা নিলগত থকা নাৰীসকলৰ ভাষাই সুকীয়া ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। এই বক্তব্য এই অঞ্চলৰ ভাটীয়া ভাষাৰ ক্ষেত্ৰতো ক'ব পাৰি। পুৰুষসকল জীৱিকাৰ খাতিৰত বাহিৰত বিভিন্ন গোষ্ঠীৰ লোকৰ লগত ভাৱৰ আদান প্ৰদান কৰিব লগা হোৱাত তেওঁলোকৰ ভাষাত এক সাৰ্বজনীন

প্ৰভাৱ পৰিলক্ষিত হয়। কিন্তু নাৰীসকল ঘৰ-গৃহস্থীৰ মাজতে চিৰকাল আবদ্ধ থাকে। সেয়ে তেওঁলোকৰ ভাষাত মূল ভাষা ৰূপটোৰ নিভাঁজ ৰূপটো দেখা যায়।

এই অঞ্চলৰ নাৰীসকলৰ মাজত ভাষাৰ ক্ষেত্ৰত সুৰৰ প্ৰয়োগ বেছিকৈ কৰা দেখা যায়। পুৰুষৰ কথাৰ অনুপাতে নাৰীসকলে অধিক সুৰ লগাই কথা কয়। খণ্ডবাক্য আদিৰ ক্ষেত্ৰতো নাৰীসকলে কথাত বেছিকৈ প্ৰয়োগ কৰে।

দেশী ভাষাভাষী মুছলমান আৰু ৰাজবংশী লোকৰ ভাষাৰ মাজত যিহেতুকে প্ৰভেদ প্ৰায় নাইয়ে , কেৱল ধৰ্মীয় ক্ষেত্ৰত ব্যৱহৃত শব্দ বা বক্তব্যৰ ক্ষেত্ৰতহে প্ৰভেদ দেখা যায় সেয়ে নাৰীসকলৰ কথা বতৰাৰ ভাষাও একেই। মহিলা সকলে ব্যৱহাৰ কৰা শব্দ কেইটামান একেদৰে দেখুৱাব পাৰি-

পন্নাম (প্ৰণাম)

পুন্নিমা (পূৰ্ণিমা)

উমাল (ৰুমাল)

বাদুৰ (বাদুলী)

গিত্থনী (গৃহস্থানী)

চোদ্দানী (চৰ্দাৰনী)

বাক্য প্ৰয়োগৰ ক্ষেত্ৰতো উচ্চাৰণ দীঘলীয়াকৈ কোৱা কথা দেখা যায়।

১। পুৰুষ - কামটো কৰি যা।

নাৰী - কামটা কৰিয়া যা তে। (কামটো কৰি যোৱা)

২। পুৰুষ - আমাৰঠে একবাৰ শামে যাইশ।

নাৰী - আমাৰঠে একবাৰ শামেয়া যাইশ (আমাৰ ঘৰত এবাৰ সোমাই যাবা)।

গাওঁলীয়া মহিলা এগৰাকীৰ উক্তি এইখিনিতে আগবঢ়োৱা হ'ল- "এ আপী, মই হাটোত যাং, কদৈ, মধুফল আৰু অলপখানি শাক লৈলুং। তাক বেছেয়া জালুক দুইচ, বাগুন আৰু গুৱা আনিবা লাগবো। তুই ছাগলটা ঘাশ খাৱা হইলে বাখাৰাত বান্ধিয়া দিবি।"

ভাটীয়া ভাষাৰ ক্ষেত্ৰত মহিলাসকল ৰ 〉অ আৰু ল 〉ন অধিক প্ৰয়োগ কৰে।

| পুৰুষ | নাৰী | অসমীয়া |
|---|---|---|
| ৰাইত | আইত | ৰাতি |
| ৰাহো | আহো | ৰাখা |
| ৰাজা | আজা | ৰজা |
| লাল | নাল | ৰঙা |

বাক্যৰ ক্ষেত্রত

১। পুৰুষ - আম্ৰা যামুনা (আমি নাযাও)

নাৰী - আম্ৰা যাইমুনা

২। পুৰুষ - ৰাইতেৰ মদ্যে কোনে যাবা

নাৰী - আইতেৰ মদ্যে কোনে যাইবাৰ চাও। (ৰাতিখন কলৈ যাব খোজা)

এনেদৰে বহু শব্দ আৰু বাক্যৰ ক্ষেত্রত পুৰুষ-নাৰীৰ ভাষাৰ ভেদ দেখা যায়। কিন্তু সম্প্ৰতি শিক্ষাৰ প্ৰসাৰ হোৱাৰ ফলত মহিলাসকলেও শিক্ষালাভ কৰি ঘৰৰ চাৰিবেৰৰ বাহিৰ ওলাই আহিছে। লগতে বিভিন্ন কৰ্মক্ষেত্ৰত পুৰুষৰ সমানে আগুৱাই গৈছে। নাৰী জীৱনত ঘটা এই পৰিবৰ্তন ভাষাৰ ক্ষেত্ৰতো ঘটা দেখা যায়। শিক্ষিত মহিলাসকলে এতিয়া আৰু আগৰ দৰে কথা-বতৰা নাপাতে। বাহিৰৰ পৰিবেশৰ লগত সামঞ্জস্য ৰাখি কথা কবলৈ শিকিছে। আনহাতে উচ্চ শিক্ষাৰে শিক্ষিতা এগৰাকী নাৰী ভাষাৰ মান্যৰূপৰ পূৰ্ণ জ্ঞান লাভ কৰি ভাষাটো শুদ্ধকৈ ক'ব লয়। চৰাঞ্চলত শিক্ষাৰ প্ৰসাৰতাই মহিলা সকলৰ মাজৰ পৰা শিক্ষাহীনতাৰ অন্ধকাৰ দূৰ কৰি পেলাইছে। ফলত এতিয়া পুৰুষ আৰু নাৰীৰ ভাষাৰ মাজত ভেদ কমি আহিছে।।

প্ৰসঙ্গটীকা ঃ


১। নাথ, দ্বিজেন ঃ গোৱালপৰীয়া সংস্কৃতি, ১৯৯৭, প্ৰাককথন, পৃঃ ১১

২। Grierson, G.A. : Linguistic Survery of India, Vol-V, Pt-1, Rep-1963, P. 163

৩। Gazeetter of India Assam State, Goalpara district Gazettern P. 90

৪। সিংহ, নিখিল (আহ্বায়ক)ঃ স্মৃতিগ্ৰন্থ-চক্ৰলীলা-চম্পাৱতী, অসম সাহিত্য সভা, ২০০৭, পৃঃ ৬৩

৫। ইছলাম, আখতাৰুল ঃ ধুবুৰী জিলাৰ চৰ অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ঃ এটি অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, ২০১১, পৃঃ ২১-২২

৬। Census of India - 1901

৭। কৰ্মকাৰ, অমূল্য কুমাৰ ঃ ইতিহাসেৰ আলোকে চাপৰ এষ্টেট, ২০০৪, পৃঃ ৬৬

৮। Saikia. M : Assam Muslim relation and its cultural significance, 1978, P-2

৯। ইছলাম, আখতাৰুল ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৭৯

১০। উমেশ, শৰ্মা ঃ মুছলিম লোকগান মুৰ্শিয়া, ২০০৫, পৃঃ ২৯-৩০

# উপসংহাৰ

'বিলাসীপাৰা মহকুমাৰ পূব অঞ্চলৰ কথিত ভাষাঃ এক সমাজতাত্ত্বিক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থখনিত ৫টা অধ্যায় নিৰ্দিষ্ট বিষয়সূচী অনুযায়ী উপস্থাপন কৰা হৈছে। প্ৰতিটো অধ্যায়ৰে নিৰ্বাচিত গৱেষণালব্ধ সমল আৰু তাৰ লগত জড়িত ধাৰণাবোৰ এই অধ্যায়ত সজোৱা হৈছে।

নানা জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকৰ মিলনতীৰ্থ হ'ল অসমভূমি। অতীত কালৰ পৰাই চামে চামে লোক আহি অসমৰ শস্য-শ্যামলা বিনন্দীয়া ৰূপত মুগ্ধহৈ এই ভূমিৰে বাসিন্দা হৈ পৰে। এনেদৰে বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী লোকৰ সমন্বয়ত গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া ভাষা সংস্কৃতি। এনে সামাজিক ভাষাৰ ঔপভাষিক ক্ষেত্ৰখনৰ ভাষিক বৈশিষ্ট্য নিৰ্ণয়ৰ প্ৰয়াস কৰাটো নিতান্তই আৱশ্যকীয়। সমাজ ভাষা বৈজ্ঞানিক দৃষ্টিকোণেৰে অসমীয়া ভাষাৰ স্বৰূপ বিচাৰ কৰিবলৈ কৰা প্ৰচেষ্টা সাম্প্ৰতিক কালত অতি প্ৰাসংগিক হৈ পৰিছে। এনে অধ্যয়ন বা গৱেষণাই অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশৰ এখন স্পষ্ট ছবি দাঙি ধৰিবলৈ সক্ষম হ'ব।

গৱেষণা গ্ৰন্থখনৰ অৱতৰনিকাত বিলাসীপাৰা মহকুমাৰ পূব অঞ্চলৰ প্ৰচলিত কথিত ভাষাৰ এটি- আভাষ আগবঢ়োৱাৰ লগতে গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য, গৱেষণাৰ পৰিসৰ, গৱেষণাৰ পদ্ধতি আৰু আৰ্হি, অধ্যয়ণৰ সমল, গৱেষণা সম্পৰ্কে কৰা অধ্যয়ণ সমীক্ষা, অধ্যয়ণৰ প্ৰমেয় সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়ত, সমাজ ভাষা বিজ্ঞানৰ এটি চমু পৰিচয় দাঙি ধৰা হৈছে। লগতে পূব বিলাসীপাৰা অঞ্চলৰ ভৌগলিক অৱস্থা, জনগাঁথনি, মাটিকালি-জনসংখ্যা, উক্ত অঞ্চলৰ আৰ্থসামাজিক দিশ, লোক সাহিত্য সম্পৰ্কেও আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত, গৱেষণা কৰিবলৈ লোৱা অঞ্চলটোৰ শালকোচীয়া বা দেশী ভাষা আৰু ভাটিয়া ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনা কৰা হৈছে। এই আলোচনাত দেশী ভাষা আৰু ভাটিয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য সমূহ বিশ্লেষণ কৰাৰ লগতে মান্য অসমীয়াৰ লগত এক তুলনামূলক আলোচনা দাঙি ধৰা হৈছে। দেশী বা শালকোচীয়া ভাষাটো এই অঞ্চলৰ দেশী মুছলমান আৰু ৰাজবংশী, কলিতা, নাথ-যোগী আদি জনগোষ্ঠীৰ লোকে ব্যৱহাৰ কৰে। গোৱালপৰীয়া উপভাষাৰ এক আঞ্চলিক ঔপভাষিক ৰূপ হোৱা হেতুকে গোৱালপৰীয়া উপভাষাৰ লগত ইয়াৰ মিল আছে

যদিও এই আঞ্চলিক কথ্যৰূপটিৰ নিজস্ব স্বকীয় বৈশিষ্ট্যও আছে। মান্য অসমীয়াত নথকা 'ঝ', 'শ' বিশিষ্ট ধ্বনিৰ প্ৰয়োগ দেশী ভাষাত আছে। মূলত নোপোৱা W (উ') ধ্বনি দেশীভাষাত আছে। ভাটীয়া ভাষাৰ স্বৰধ্বনিত মান্য অসমীয়া আৰু দেশী ভাষাত নথকা 'অ্যা' ধ্বনি আছে। তদুপৰি বিশিষ্ট ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত মূল ভাটীয়া কথ্যৰূপত ভ, ধ, ঠ, থ আদি ধ্বনিৰ উচ্চাৰণ নাই যদিও মান্য আৰু দেশী ভাষাৰ প্ৰভাৱত আৰু অন্য ভাষাৰ পৰা গ্ৰহণ কৰা শব্দৰ উচ্চাৰণত এইকেইটা ধ্বনিৰ উচ্চাৰণ কৰে। শিক্ষিত শ্ৰেণীৰ লোক সকলে মান্যৰূপটো কোৱাৰ প্ৰতি থকা প্ৰৱণতাৰ বাবে উক্ত ধ্বনিসমূহৰ উচ্চাৰণ কৰে।

তৃতীয় অধ্যায়ত, দেশী ভাষা আৰু ভাটীয়া ভাষাৰ ৰূপতাত্ত্বিক অধ্যয়ণত ভাষা দুয়োটাৰ শব্দ সাধনৰ সৰ্গ, প্ৰত্যয়, নিৰ্দিষ্টতাবাচক, অনিদিষ্টতাবাচক প্ৰত্যয়, বচন, লিংগ, কাৰক, বিশেষ্য, বিশেষণ আৰু ইয়াৰ শ্ৰেণীবিভাজন, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়াবিশেষণ, ধাতু, ক্ৰিয়াৰ ভাৱ, ক্ৰিয়া বিভক্তি ক্ৰিয়াৰ ন্যস্তৰ্থক ৰূপ, অব্যয়ৰ আলোচনা কৰা হৈছে। এই অধ্যয়ণত দুয়ো ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সমূহ মান্য অসমীয়াৰ লগত পৃথকতা দেখুওৱা হৈছে।

চতুৰ্থ অধ্যায়ত, দেশী আৰু ভাটীয়া ভাষাৰ শব্দগত আৰু বাক্যগত দিশৰ আলোচনা কৰা হৈছে। এই অধ্যায়ত দেশী, ভাটীয়া আৰু মান্য অসমীয়া শব্দগত দিশত বিভিন্ন শব্দৰ উল্লেখেৰে এটি পাৰ্থক্য দাঙি ধৰা হৈছে। বাক্যগত ক্ষেত্ৰতো এই ভাষিক গোষ্ঠীৰ বিভিন্ন প্ৰকাৰ বাক্যৰ উল্লেখ কৰা হৈছে।

পঞ্চম অধ্যায়ত, দেশী, ৰাজবংশী আৰু ভাটীয়া জনগোষ্ঠীৰ সাম্প্ৰদায়িক সহাৱস্থানৰ লগতে পূৰ বিলাসীপাৰা অঞ্চলত ভাটীয়া জনগোষ্ঠীৰ প্ৰব্ৰজনৰ এক সংক্ষিপ্ত ইতিহাস দাঙি ধৰিবৰ যত্ন কৰা হৈছে। ইয়াৰ উপৰিও উক্ত জনগোষ্ঠী সমূহৰ মাজৰ সামাজিক সম্পৰ্ক আৰু সাংস্কৃতিক ঐক্যৰ কথাও উল্লেখ কৰা হৈছে। সাম্প্ৰতিক অধ্যায়ত তিনিওটা জনগোষ্ঠীৰ সমাজ ভাষাতাত্ত্বিক বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

শেষত নাতি দীৰ্ঘ গ্ৰন্থপঞ্জীৰ লগতে তথ্যদাতাৰ পৰিচয় আৰু অধ্যয়ণ ক্ষেত্ৰৰ আলোকচিত্ৰ সন্নিবিষ্ট কৰা হৈছে।

# গ্রন্থপঞ্জী

গ্ৰন্থপঞ্জী ঃ

অসমীয়া

আহমেদ, ফজল আলী ঃ অভিবাসী অসমীয়া মুছলমানৰ সমাজ আৰু সংস্কৃতি, নন্দন প্ৰকাশন, গুৱাহাটী, ১৯৯৮

আহমেদ, বৌচানাৰা ঃ প্ৰবন্ধ মুকুল, ১ম সংস্কৰণ, ৮ ফেব্ৰুৱাৰী, ২০১৬ পাইওনীয়াৰ প্ৰেছ, ধুবুৰী

ইছলাম আখতাৰুল ঃ ধুবুৰী জিলাৰ চৰ অঞ্চলৰ সামাজিক আৰু সংস্কৃতিক জীৱন ঃ এটি অধ্যয়ণ, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয় ঃ ২০১১

--- --- ---- ঃ হাজং সকলৰ ভাষা আৰু সংস্কৃতি ঃ এটি অধ্যয়ণ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ এম. ফিল (অসমীয়া) ডিগ্ৰীৰ আংশিক প্ৰয়োজন পুৰ্তিৰ বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ, ১৯৯৮-৯৯ বৰ্ষ।

কৰিম, ৰেজাউল ঃ চৰ-চাপৰিৰ সমাজ আৰু অসমৰ মুছলমান, লোকায়ত প্ৰকাশন, গুৱাহাটী, ২০০০

কলিতা, নগেন ঃ কামৰূপ জিলাৰ চৰ অঞ্চলৰ কথিত অসমীয়া ঃ এটি সমাজ ভাষা অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়।

কোঁৱৰ, অৰ্পণা ঃ ভাষা সাহিত্যৰ বিবিধ চিন্তা, বনলতা, ২য় প্ৰকাশ, ২০০৮

--- --- ---- ঃ ভাষা বিজ্ঞান উপক্ৰমনিকা, বনলতা, ২য় প্ৰকাশ, ২০০৮

গফুৰ, আলহাজ মোঃ আব্দুল ঃ চকুৰ পচাৰতে চাপৰ, জ্ঞানপীঠ অফছেট প্ৰেছ, চাপৰ, ১ম প্ৰকাশ-মাৰ্চ, ২০০৭

গোস্বামী, উপেন্দ্ৰ নাথ ঃ ভাষা সমাজ সাহিত্য, মনিমানিক প্ৰকাশ, গুৱাহাটী ঃ ১৯৭৮

--- ---- ----- ঃ অসমীয়া ভাষা আৰু উপভাষা, মনিমাণিক প্ৰকাশ, গুৱাহাটী, ১৯৮৬

--- ---- ----- ঃ ভাষা-বিজ্ঞান, মনিমাণিক প্ৰকাশ, গুৱাহাটী, ২০০৪

--- ---- ----- ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, মনিমাণিক প্ৰকাশ, গুৱাহাটী, নৱম প্ৰকাশ ঃ ২০০৯

--- ---- ----- ঃ অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, মনিমাণিক প্ৰকাশ, ৩য় প্ৰকাশ, ২০১২

গোস্বামী, গোলকচন্দ্ৰ ঃ ধ্বনি বিজ্ঞানৰ ভূমিকা, বীনা লাইব্ৰেৰী, গুৱাহাটী ঃ ২০০৮

--- ---- ----- ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, বীণা লাইব্ৰেৰী, ২০০৮

--- ---- ---- ঃ অসমীয়া বৰ্ণপ্ৰকাশ, বীণা লাইব্ৰেৰী, ৫ম সংস্কৰণ জুলাই, ২০১১

--- ---- ---- ঃ অসমীয়া ব্যাকৰণ প্ৰবেশ, বীণা লাইব্ৰেৰী, পঞ্চম সংস্কৰণ, ২০১২

গুহ, অমলেন্দু ঃ জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থা ঃ এটি দৃষ্টিপাত, ভোলানাথ কলেজৰ শিক্ষক সন্থাৰ বাৰ্ষিক বক্তৃতামালা, ধুবুৰী, ১৯৮৪

চৌধুৰী, অম্বিকাচৰণ ঃ কোচৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি, ৰত্নপীঠ প্ৰকাশন, বঙাইগাওঁ, ১৯৬৪

দেৱ, কুমাৰ মাজেন্দ্ৰ নাৰায়ণ ঃ ৰত্নপীঠাঞ্চলৰ লোক-কৃষ্টিত এভুমুকি, ৰত্নপীঠ প্ৰকাশন, বঙাইগাওঁ ১ম প্ৰকাশ অক্টোবৰ, ২০০৮

দত্তবৰুৱা, ফনীন্দ্ৰ নাৰায়ণ ঃ আধুনিক ভাষা বিজ্ঞান পৰিচয়, বনলতা, ২০০৬

দলে, বসন্তকুমাৰ ঃ অসমৰ জনগোষ্ঠী ঃ এটি পৰিচয়, আদৰণী সমিতি অসম সাহিত্য সভাৰ সপ্ততিতম অধিবেশন, ধেমাজি ঃ ২০০৯

দাস, বিশ্বজিত (সম্পাঃ) বসুমতাৰী, ফুকন চন্দ্ৰ ঃ অসমীয়া আৰু অসমৰ ভাষা, আঁক-বাক, ২য় প্ৰকাশ চেপ্টেম্বৰ,২০১৪

দেৱী, নিৰলা ঃ নগাওঁ জিলাৰ কথিত অসমীয়া ভাষা ঃ এটি সমাজ ভাষাতাত্ত্বিক অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১১

নাথ, দ্বিজেন ঃ গোৱালপৰীয়া লোক-সাহিত্যত দৃষ্টিপাত, কিৰণ প্ৰকাশ, ধেমাজী, ২য় প্ৰকাশ ডিচেম্বৰ, ২০০৮

--- --- --- ঃ গোৱালপৰীয়া লোক-সংস্কৃতি, বনলতা, ২য় প্ৰকাশ, জুলাই, ২০০৩

--- --- --- ঃ গোৱালপৰীয়া লোককথাৰ মৌ-কোঁহ, বনলতা, ২০১৪

পাটগিৰি, দীপ্তি ফুকন ঃ অসমীয়া ভাষাৰ উপভাষা, প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৭

--- --- --- ঃ অসমীয়া বাংলা আৰু উড়িয়া ভাষা- তুলনামূল অধ্যয়ন বনলতা, ২০১২

--- --- ---- ঃ ভাষাতত্ব, বনলতা, ষষ্ঠ সংস্কৰণ, চেপ্টেম্বৰ, ২০১২

পাঠক, ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস, অশোক বুক ষ্টল, পঞ্চম প্ৰকাশ, চেপ্টেম্বৰ, ২০০৮

--- --- --- ঃ ভাষা বিজ্ঞানৰ ভূমিকা, অশোক বুক ষ্টল, ২০০৮

--- --- --- ঃ উপভাষা-বিজ্ঞানৰ ভূমিকা, অশোক বুক ষ্টল, ২০০৮

পাদুম, নাহেন্দ্ৰ (সম্পাঃ) ঃ ভাষাৰ তত্ত্ব কথা, বাণী মন্দিৰ ২য় সংস্কৰণ, ২০১৪

বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, জাৰ্নাল এম্প'ৰিয়াম, ২০০৯

বৰ্মণ, শান্ত ঃ গোৱালপাৰাৰ জন ইতিহাস, অশোক পাব্লিকেচন, ২য় প্ৰকাশ, জুন, ২০০২

বৰুৱা, ভীমকান্ত ঃ অসমৰ ভাষা, বনলতা, পঞ্চম সংস্কৰণ, জানুৱাৰী, ২০১০

--- --- --- ঃ ভাষাৰ ইতিবৃত্ত, বনলতা, ৩য় সংস্কৰণ, ২০১১

বৰা, সত্যনাথ ঃ বহল ব্যাকৰণ, গোপাল বৰুৱা এজেঞ্চি, পৰিবৰ্ধিত সংস্কৰণ, ২০০৯

ভকত, দ্বিজেন্দ্ৰ নাথ ঃ অসমৰ কোচ ৰাজবংশী জনজাতি, ধুবুৰী, ২০০৮

--- --- --- ঃ ৰাজবংশী ভাষা সাহিত্যৰ পৰিচয়, চি.এছ. ই. এ. গোলকগঞ্জ, ২০০৪

ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ ভাষা-বিজ্ঞান প্ৰবেশ, চন্দ্ৰ প্ৰকাশ, ২য় প্ৰকাশ, ২০০৮

ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি, অসম সাহিত্য সভা, কিৰণ প্ৰকাশন, ২০০৮

ভৰালী, বিভা ঃ কামৰূপী উপভাষা-এটি অধ্যয়ণ, বনলতা, ২০১২

ভৰালী, বিভা (সম্পাঃ) ঃ গোৱালপৰীয়া উপভাষা ঃ ৰূপ বৈচিত্ৰ্য
তালুকদাৰ, কল্পনা চন্দ্ৰ প্ৰকাশন, ১ম প্ৰকাশ, ২০০৯ ৩য়

মৰল, দীপাংকৰ ঃ উপভাষা বিজ্ঞান, বনলতা প্ৰকাশ, ২০০৭

ৰায়, প্ৰভাত চন্দ্ৰ ঃ গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি এন.এল. পাব্লিকেচন, গুৱাহাটী, ১৯৯১

শইকীয়া বৰা, লীলাৱতী : অসমীয়া ভাষাৰ ৰূপতত্ত্ব, বনলতা, ২য় সংস্কৰণ, অক্টোবৰ, ২০১১

শৰ্মা, শিৱানন্দ : গোৱালপাৰা জিলাৰ ইতিহাস, ১৯৭৬

শ্বেখ, অহিজুদ্দিন : চৰ-চাপৰিৰ ইতিবৃত্ত, চন্দ্ৰ প্ৰকাশ, ১ম প্ৰকাশ, ২০১৩

হাকাচাম, উপেন ৰাভা : অসমীয়া আৰু অসমৰ ভাষা-উপভাষা, জ্যোতি প্ৰকাশন, ১ম প্ৰকাশ, জুলাই, ২০০৯

হোছেইন, আনোৱাৰ (সম্পাঃ) : চৰ-চাপৰিৰ জীৱন চৰ্যা, প্ৰগতি প্ৰকাশন, গুৱাহাটী, ২০০০

হোছেইন, ইছমাইল : অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান, অনামিকা গ্ৰন্থালয়, নলবাৰী, ১৯৯৭

--- --- ---- : অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্য, বনলতা, ১ম প্ৰকাশ, ২০০২

## বাংলা

আহমেদ, খান চৌধুৰী আমানত উল্লা : কোচবিহাৰেৰ ইতিহাস, মৰ্ডান বুক এজেন্সি, কলিকতা, ১৯৮৪

ওমৰ, বদৰুদ্দিন : যুদ্ধোত্তৰ বাংলাদেশ, আফছাৰ ব্ৰাদাৰ্ছ, বাংলা বাজাৰ, ঢাকা, ১৯৯৭

কৰ্মকাৰ, অমূল্য কুমাৰ : ইতিহাসেৰ আলোকে চাপৰ এষ্টেট, ভৱানী বুক ষ্টল, বিলাসীপাৰা, ২০০৪

--- --- ---- : বিলাসীপাৰাৰ সেকাল-একাল, পূৰ্বাচল লাইব্ৰেৰী, বিলাসীপাৰা, অসম, ২০১৫

ভট্টাচাৰ্য, আশুতোষ : বাংলাৰ লোক সংস্কৃতি, ১৯৬৪

মজুমদাৰ, কেদাৰ নাথ : ময়মনসিংহেৰ ইতিহাস ও ময়মনসিংহেৰ বিৱৰণ, আনন্দধাৰা, ঢাকা, ২০০৫

## English

Barman, Santo : Zamindari system in Assam during British Rule ( A case study of Goalpara District), Spectrum Publication, 1994.

Chaudhary, A.C. : The Koches around the world, Ratnapith Prakasan, Bongaigaon, 1991.

Chaudhury, Prasenjit : Socio-Cultural Aspects of Assam in 19th century, Vikash Publishing house, New Delhi, 2005.

Chatterji, Suniti Kumar : The Origin and Development of the Bengali language, Part-II Calcutta University Press, 1926.

Das, Arup Jyoti : Kamatapur and the Koch Rajbongshi Imagination, Montage Media, Guwahati, 2009.

Das. D. : The Kamatai Language, G.Kalita, Barpeta, 1990.

Gazeetter of India : Assam State, Goalpara District Gezeetter.

Grierson, G.A. : Linguistic Survey of India, Vol-V, Pt-I, Rep-1963.

Hudson, R.A. : Socio linguistics, 1996.

Kakati, Banikanta : Assamese : it's. Formation and Development, LBS Publications, Reprint, 2007.

Rahman, Azizur : A study on the socio-cultural life of the East Bengal Origin Assamese Muslim (With special reference to undivided Goalpara and Kamrup District), Guwahati University, 2016.

Rahman, Habibur (ed) : Socio-Economics life of the Char people of Assam, CAWSSER, Barpeta, 2005.

Saikia, Mohini : Assam Muslim Relation and its cultural significance, Duit Printers, Golaghat, 1978.

## আলোচনী / স্মৃতিগ্ৰন্থ


১। আনোৱাৰ হুছইন (সম্পাঃ) ঃ অনুসন্ধান, বিকাশ( বেচৰকাৰী সংস্থা) জ্ঞানপীঠ অফ্ছেট প্ৰেছ, চাপৰ, প্ৰথম প্ৰকাশ মে' ২০০৮

২। ইছমাইল হুছেইন(সম্পাঃ) ঃ চৰ চাপৰি ১ম বছৰ, প্ৰথম সংখ্যা, গুৱাহাটী, ২০০১

৩। ইছমাইল হুছেইন(সম্পাঃ) ঃ চৰ চাপৰি, ২য় বছৰ, ২য় সংখ্যা, গুৱাহাটী, ২০০২

৪। ইছমাইল হুছেইন(সম্পাঃ) ঃ চৰ চাপৰি, ৪ৰ্থ বছৰ, ৩য় সংখ্যা, গুৱাহাটী, ২০০৪

৫। নিখিল সিংহ (সম্পাঃ) ঃ যাত্ৰা, কোচৰাজবংশী ক্ষত্ৰিয় কৃষি সন্মিলনীৰ মুখপত্ৰ, গৌৰীপুৰ, ১৯৯৩

৬। নিখিল সিংহ( আহ্বায়ক) ঃ চক্ৰশীলা, উনসপ্ততিতম্, চাপৰ অধিৱেশন অসম সাহিত্য সভা, ২০০৭

৭। ৰুদ্ৰ কোঁচ (প্ৰধান মাৰেয়া) ঃ হাউম, কোচ ৰাজবংশী মামিস আলোচনী, ১ম বছৰ, ৪ৰ্থ সংখ্যা, ফেব্ৰুৱাৰী, ২০১১

৮। শশী শৰ্মা ঃ গোৱালপৰীয়া লোক সাহিত্যত সমাজ-জীৱনৰ প্ৰতিফলন, প্ৰথম নাথ চক্ৰৱৰ্তী স্মাৰক বক্তৃতামালা ঃ দ্বিতীয় বক্তৃতা, অসম সাহিত্য সভা, ধুবুৰী শাখা, ২০০৬

৯। শাহজাহান আলী স্বেইখ (সম্পা) ঃ সন্ধান (জীৱনী সংকলন), চৰ-চাপৰি সাহিত্য পৰিষদ, অসম, ধুবুৰী জিলা সমিতি, ১ম প্ৰকাশ, জানুৱাৰী, ২০১১

১০। শাহজাহান আলী শ্বেইখ (সম্পাঃ) ঃ সন্ধান-২, চৰ-চাপৰি সাহিত্য পৰিষদ, অসম, ধুবুৰী জিলা সমিতিৰ দ্বিতীয় পূণাঙ্গ অধিবেশনৰ স্মৃতিগ্ৰন্থ, ২য় প্ৰকাশ ২৮ মাৰ্চ, ২০১৫

১১। শ্বেখ হেদায়েতুল্লাহ (সম্পাঃ) ঃ ভৈৰৱ চুড়া, চাপন আঞ্চলিক বিযুৱা উদযাপন সমিতিৰ স্মৰণিকা, পঞ্চম সংখ্যা, ২০১৫


### অভিধান ঃ


১। হেমকোষ ঃ বাণী মন্দিৰ, নতুন বজাৰ, ডিব্ৰুগড়, ১৯৮৫

২। অসমীয়া অভিধান ঃ গিৰিধৰ শৰ্মা

# তথ্যদাতাৰ তালিকা

| নাম | বয়স | লিংগ | কৰ্ম | ঠিকনা |
|---|---|---|---|---|
| ১। অনুপমা ৰায় | ৪৭ | মহিলা | আশা কৰ্মী | বৰপাৰা, বহলপুৰ, ধুবুৰী |
| ২। আব্দুলগনী খান | ৬৭ | পুৰুষ | পানদোকানী | চৰশিঙাৰপাৰ চাপৰ, ধুবুৰী |
| ৩। আৰজুমান আৰা বেগম | ৫১ | মহিলা | চাকৰিয়াল | চাপৰ, ধুবুৰী |
| ৪। আল্পনা দাস | ৪৩ | মহিলা | চাকৰিয়াল | শালকোচা, ধুবুৰী |
| ৫। আয়শা ছিদ্দিকা | ৩৮ | মহিলা | গৃহিনী | আজাদ নগৰ, ধুবুৰী |
| ৬। এ. আৱাল | ৫৪ | পুৰুষ | শিক্ষক | ৰাণীগঞ্জ, ধুবুৰী |
| ৭। এ. ৰফিক শ্বেখ | ৫৭ | পুৰুষ | চাকৰিয়াল | ৰাণীগঞ্জ, ধুবুৰী |
| ৮। ওমৰ আলি | ৪৯ | পুৰুষ | কাঠমিস্ত্ৰী | শিঙাৰপাৰ, ধুবুৰী |
| ৯। কালাম আলি | ৪৫ | পুৰুষ | খেতিয়ক | চৰশিঙাৰপাৰ, ধুবুৰী |
| ১০। কিৰণ বালা ৰায় | ৫২ | মহিলা | চাকৰিয়াল | নাথপাৰা, ধুবুৰী |
| ১১। গোলজাৰ হোছেইন | ৫১ | পুৰুষ | ব্যৱসায়ী | লক্ষীগঞ্জ, ধুবুৰী |
| ১২। ছাইজুদ্দিন আহমেদ | ৫১ | পুৰুষ | কাপোৰদোকানী | চৰশিঙাৰ পাৰ, ধুবুৰী |
| ১৩। ছফিয়ৰ ৰহমান | ৩৮ | পুৰুষ | দৰ্জী | শিঙাৰপাৰ, ধুবুৰী |
| ১৪। ছমিৰন নেছা | ৪৯ | মহিলা | আশাকৰ্মী | ঘুণীমাৰী, ধুবুৰী |
| ১৫। ছাকেৰা খাতুন | ৫২ | মহিলা | আশাকৰ্মী | ঘুণীমাৰী, ধুবুৰী |
| ১৬। ছাদ্দাম হোছেইন | ২৬ | পুৰুষ | ব্যৱসায়ী | বানিয়াপাৰা, ধুবুৰী |
| ১৭। ছালেহা খাতুন | ২৭ | মহিলা | আশাকৰ্মী | হাতীপোতা, ধুবুৰী |
| ১৮। জিমিলি ৰায় | ৪৩ | মহিলা | চাকৰিয়াল | বামুন গাও, ধুবুৰী |
| ১৯। জোনাকী ৰায় | ৫২ | মহিলা | চাকৰিয়াল | নাথপাৰা, ধুবুৰী |
| ২০। জাহানুদ্দিন আহমেদ | ৬৭ | পুৰুষ | অৱসৰ প্ৰাপ্ত শিক্ষক | পুঠিমাৰী, ধুবুৰী |
| ২১। ডালিমী ৰায় | ৫৩ | মহিলা | গৃহিনী | ভকতগাওঁ, ধুবুৰী |
| ২২। তফুলুদ্দিন শ্বেখ | ৪৩ | পুৰুষ | ব্যৱসায়ী | বানিয়াপাৰা, ধুবুৰী |
| ২৩। তাজমিন বেগম | ৩৫ | মহিলা | গৃহিনী | লক্ষীগঞ্জ, ধুবুৰী |

| | | | | |
|---|---|---|---|---|
| ২৪। ধ্রুৱজ্যোতি ৰায় | ২৮ | পুৰুষ | সমাজকৰ্মী | চৈবাৰী হিন্দুবস্তি, ধুবুৰী |
| ২৫। নুৰ আলম মণ্ডল | ৩০ | পুৰুষ | শিক্ষক | হৰদেমাৰা, ধুবুৰী |
| ২৬। নাজমা খাতুন | ৪৭ | মহিলা | গৃহিনী | আজাদনগৰ, ধুবুৰী |
| ২৭। নিৰঞ্জন মেধি | ৬৬ | পুৰুষ | কৃষক | আৰেয়াঝাৰ, ধুবুৰী |
| ২৮। পদুমী দাস | ৫৫ | মহিলা | শিক্ষয়িত্ৰী | আৰেয়াঝাৰ, ধুবুৰী |
| ২৯। পৰিবান নেছা | ৫৩ | মহিলা | চাকৰিয়াল | কাজিপাৰা, ধুবুৰী |
| ৩০। প্ৰমোদ কলিতা | ৬১ | পুৰুষ | অৱসৰ প্ৰাপ্ত শিক্ষক | ৰৌমাৰী, ধুবুৰী |
| ৩১। ফুনু সিংহা | ৩৫ | মহিলা | চাকৰিয়াল | ভকত গাওঁ, ধুবুৰী |
| ৩২। ভাইটী ৰায় | ৩৮ | পুৰুষ | চাকৰিয়াল | পুঠিমাৰী, ধুবুৰী |
| ৩৩। মন্থৰুল আলি | ৫৭ | পুৰুষ | ৰংমিস্ত্ৰী | লক্ষীগঞ্জ, ধুবুৰী |
| ৩৪। মমতাজ বেগম | ৫১ | মহিলা | শিক্ষয়িত্ৰী | চৰশিঙাৰপাৰ, ধুবুৰী |
| ৩৫। মুশতাক হোছেইন | ৫১ | পুৰুষ | ব্যৱসায়ী | বেলতলী, ধুবুৰী |
| ৩৬। মেহেৰ বানু | ২৫ | মহিলা | গৃহিনী | ৰৌমাৰী, ধুবুৰী |
| ৩৭। ৰশিদা বেগম | ৪৫ | মহিলা | গৃহিনী | পাটাধুৱাপাৰা, ধুবুৰী |
| ৩৮। শপত আলি | ৭১ | পুৰুষ | কৃষক | নৱদাগাওঁ, ধুবুৰী |
| ৩৯। শুব্ৰতো ঘোষ | ৪২ | পুৰুষ | চাকৰিয়াল | বিলাসীপাৰা, ধুবুৰী |
| ৪০। শাহেৰা বানু | ৬২ | মহিলা | গৃহিনী | খেৰডুবি, ধুবৰী |
| ৪১। শ্যামচৰণ দাস | ৮২ | পুৰুষ | কৃষক | আৰেয়াঝাৰ, ধুবুৰী |
| ৪২। সত্যজিত ৰায় | ২৭ | পুৰুষ | ছাত্ৰ | চৈবাৰী হিন্দুবস্তি, ধুবুৰী |
| ৪৩। স্নেহলতা দাস | ৮৮ | মহিলা | গৃহিনী | ৰৌমাৰী, ধুবুৰী |

# পৰিশিষ্ট ঃ
## পূৱ বিলাসীপাৰা অঞ্চলৰ লোক জীৱনৰ প্ৰতিনিধিত্বমূলক আলোকচিত্ৰ



খেৰৰ পুঁজি



জাকৈ বনোৱাৰ দৃশ্য



জাল গুঠি থকাৰ দৃশ্য



তাঁত বোৱা দৃশ্য



ঢাৰি বনোৱাৰ দৃশ্য



তথ্য দাতাৰ লগত



চান্দৰডিঙা পাহাৰ



জাকৈৰে মাছ মৰা দৃশ্য



চৰাঞ্চলৰ বানপানীৰ দৃশ্য



ধীৰ বিল



চৰৰ মাছ মৰা দৃশ্য



টোক্ৰাবান্ধা পাহাৰ



চাহপাত তোলা দৃশ্য (চৈৰাৰী চাহ বাগান)



অবিভাষী লোকৰ আগ চোতালৰ দৃশ্য



চৰৰ ৰান্ধনীশালৰ দৃশ্য



গোহালি ঘৰৰ দৃশ্য



সিকিয়াৰ ব্যৱহাৰ



ৰাজবংশী লোকৰ ৰান্ধনীশালৰ দৃশ্য

# বাঁশ পূজাৰ কেইটামান দৃশ্য









দৈনন্দিন কাম কাজৰ দৃশ্য



এড়ি পলু পাত খোৱা দৃশ্য



বহলপুৰ যোগাশ্ৰম, মন্দিৰ



পাতালপুৰ সিদ্ধ জগন্নাথ মন্দিৰ(হুলপুৰ)



কাৰ্ত্তিকপূজা (গোপিনী নাম)
গাওঁৰ মহিলা সকলৰ দৃশ্য



ৰাজবংশী দৰা কইনা



ৰাজবংশী বৈশাগু নৃত্য